# Rangia College Magazine

১৯৯৯-২০০০

ACC NO 071



সম্পাদক - ৰাজীৱ মহন্ত

# ৰঙিয়া মহাবিদ্যালয় আলোচনী

## বাৰ্ষিক প্ৰকাশ

Acc NO
071

সপ্তবিংশ তম প্ৰকাশ

১৯৯৯-২০০০ বৰ্ষ

শ্ৰদ্ধাৰে

মাননীয় / মাননীয়া..........................................................

..............................লৈ আগবঢ়োৱা হ'ল।

তত্বাৱধায়ক
দক্ষেশ্বৰ ডেকা

সম্পাদক
ৰাজীৱ মহন্ত

ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ সম্পাদনা সমিতি, ১৯৯৯-২০০০ চন

Acc No 071

*সভাপতি ঃ*
শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা
অধ্যক্ষ

*তত্বাৱধায়ক ঃ*
শ্ৰীযুত দক্ষেশ্বৰ ডেকা
অধ্যাপক

*সম্পাদক ঃ*
শ্ৰীৰাজীৱ মহন্ত

*সদস্য ঃ*
শ্ৰীবিপুল চন্দ্ৰ ডেকা
শ্ৰীকুমুদ দাস

*বেটুপাত আৰু অংগসজ্জা ঃ*
সম্পাদক

*মুদ্ৰণ ঃ*
অভিষেক অফচেট,
শিলপুখুৰী, গুৱাহাটী - ৩
ফোন ঃ ৬৬০ ১০৪



Phone : 571130

সদৌ অসম ছাত্ৰ সন্থা
**ALL ASSAM STUDENTS' UNION**
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI-781014

প্ৰসঙ্গ ঃ

দিনাংক ঃ

**• শুভেচ্ছা-বাণী •**

জানিবলৈ পাই সুখী হৈছো যে,
বাওঁপাৰৰ উচ্চ শিক্ষাৰ অনুষ্ঠান
'ৰঙিয়া মহাবিদ্যালয়ৰ' বছৰেকীয়া
মুখপত্ৰ এখন ৰাজীৱ মহন্তৰ—
সম্পাদনাত প্ৰকাশ পাব।
আশা ৰাখিছো, - আলোচনী খনও —
শৈক্ষিক সমস্যাৰ লগতে মহাবিদ্যালয়ৰ
সকলো - আন আন সমস্যা সমূহৰ -
প্ৰতিফলন ঘটিব।
মহাবিদ্যালয়খনৰ দীৰ্ঘায়ু কামনা
কৰিলোঁ।

২৭/১১/২০০০
(প্ৰবীন বড়ো)
সভাপতি
সদৌ অসম ছাত্ৰ সন্থা

২৭/১১/২০০০
(অমিয় কুমাৰ ভূঞা)
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা

## শ্ৰদ্ধা তৰ্পন

কত পিতৃ পুত্ৰহাৰা হ'ল,
কত মাতৃৰ বুকু সুদা হ'ল,
শিৰৰ সেন্দুৰ কাৰ মচা গ'ল,
কাৰ বাসনা অপূৰ্ণ হৈ ৰ'ল,

কাৰ্গিল যুদ্ধত দেশৰ বাবে প্ৰান আহুতি দিয়া বীৰ শ্বহীদ সকললৈ আমি হিয়াভৰা শ্ৰদ্ধা নিবেদিছোঁ-

-সম্পাদক।

## অশ্ৰু অঞ্জলি

মৃত্যু অনিবাৰ্য্য যদিও কিছুমান লোকৰ মৃত্যু সমাজ তথা দেশ মাতৃৰ কাৰণে সচায় অসহনীয়। মোৰ কাৰ্য্যকালত যি সকল স্বনামধন্য সুযোগ্য ব্যক্তি আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক হেৰুৱালো সেই সকলৰ প্ৰত্যেকৰে বিয়োগতে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দ্বাৰা শোকসভা পতা হয় আৰু তেখেত সকলৰ পুন্যাত্মাৰ সদগতিৰ কাৰণে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰো।

সেই সকল মহৎ ব্যক্তিৰ ভিতৰত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক মাননীয় দূৰ্গাদত্ত আগৰৱালা, ভায়ামামা কৌতুক গোষ্ঠী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মাননীয় লক্ষ্যধৰ চৌধুৰী, বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মাননীয় বিনেশ্বৰ ব্ৰহ্ম আদি।

সম্পাদক-



## কৃতজ্ঞতা স্বীকাৰ

আলোচনীখন সময়মতে আপোনালোকৰ হাতত তুলি দিয়াত সফল হ'বলৈ পাৰিলো কিছুমান ব্যক্তিৰ অফুৰন্ত সহায়ৰ বাবে। প্ৰথমতে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা দেৱ, উপাধক্ষ মাননীয় শ্ৰীযুত উমেশ গোস্বামী আৰু তত্বাবধায়ক মাননীয় শ্ৰীযুত দক্ষেশ্বৰ ডেকা দেৱলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মোক আলোচনী প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন সদোপদেশ দি ধন্য কৰা মাননীয় অধ্যাপক ভূপেন শৰ্মা, ওচমান গনি, আব্দুল ৰেজ্জাক, দীনেশ লহকৰ, বিমল দাস, সঞ্জয় তালুকদাৰ, নৰেন্দ্ৰ কলিতা, হৰেন্দ্ৰ নাথ শৰ্মা, অমৰেন্দ্ৰ শৰ্মা, পৰিতোশ দাস তথা অধ্যাপিকা ৰাণু চৌধুৰী, কমলা বৰ্মন প্ৰমুখ্যে সমূহ অধ্যাপক অধ্যাপিকালৈ মই কৃতজ্ঞতা জনালোঁ। লগতে গ্ৰন্থাগাৰিক বীৰেন্দ্ৰ নাথ শৰ্মা, ৰমাকান্ত মহন্ত, গাননিক জনৈক বৈশ্য, জ্যোতিশ ডাউকা, কুমুদ ডেকা, দীপক ডেকাৰ লগতে সমূহ কৰ্মচাৰীৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰম। এই চেগতে মোৰ দাদা গৌতম মহন্ত তথা বন্ধু প্ৰাঞ্জল, ৰঞ্জন, কুমুদ, বিশ্বজিৎ, লুহিত, বিজয়, আফজাল, গবৰৰ, ৰিপুলদা, চাহাব, ডিম্বেশ্বৰ, কৰেন্দ্ৰ, ইনামুল, সঞ্জিব, অমৰ, শিৱ, তথা বান্ধৱী জয়শ্ৰী, অনামিকা, ইয়াচমিন, চুমি, মাইনা, পাৰমিতা, বিজু, তৰালি, মিতালি, মল্লিকা আৰু মোৰ সতীৰ্থ বন্ধু-বান্ধৱী (যি সকলৰ নাম এই মুহূৰ্তত মনত পৰা নাই) আটাইলৈ কৃতজ্ঞতা যাচিছোঁ।

সম্পাদক-

## শলাগৰ শৰাই

সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্য্য, সভাপতি প্ৰবিন বড়ো, সাধাৰণ সম্পাদক অমিয় কুমাৰ ভূঞা, বিশিষ্ট নাট্যকাৰ লক্ষ্যধৰ চৌধুৰী, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ মোহনদা, পৰেশদা, মুনীন্দ্ৰদা, অৰূপদা, প্ৰণৱদা, ভবেশদা, হিতেনদা, দিনেশদা প্ৰমুখ্যে সমূহ বিষয়ববীয়ালৈ শলাগৰ শৰাই আগবঢ়ালো।

লগতে অভিষেক অফচেটৰ সমুহ কৰ্মচাৰী তথা গীতাঞ্জলী ষ্টুডিও, এম. জি. ৰোড ৰঙিয়াৰ স্বতাধিকাৰী নৃপেন শইকীয়া আৰু ৰাতুল কলিতালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সম্পাদক-

# সূচীপত্ৰ

**প্ৰবন্ধ**


| | | |
|---|---|---|
| প্ৰয়াত অধ্যক্ষ ড° নীলকান্ত মহন্তদেৱৰ সোঁৱৰণত | ⊃ | শ্ৰী দক্ষেশ্বৰ ডেকা/২ |
| ইংৰাজী ৰোমাণ্টিক কবিতাত ৱেদান্ত দৰ্শন | ⊃ | শ্ৰী উমেশ চন্দ্ৰ গোস্বামী/৫ |
| শঙ্কৰী সাহিত্য-দৰ্শন-তত্ত্ব বিশ্লেষণ | ⊃ | শ্ৰী ভবেন্দ্ৰ নাথ ডেকা/১১ |
| ক্ষয়িষ্ণু প্ৰকৃতিত অভিশপ্ত জীৱাত্ম | ⊃ | শ্ৰীনিতুৰাম কলিতা/১৪ |
| লক্ষ্য আৰু আমিবোৰ | ⊃ | শ্ৰী তপন ৰাজবংশী/১৫ |


**কবিতা**


| | | |
|---|---|---|
| বড়িয়া কলেজ তুমি আৰু মই | ⊃ | শ্ৰীবিভা ডেকা/১৮ |
| আহ্বান | ⊃ | শ্ৰী চন্দন শৰ্মা/১৮ |
| সপোনৰ গীত | ⊃ | চৈয়দ আফজাল হুছেইন/১৯ |
| একবিংশ শতাব্দীৰ তেজেঢকা দুৱাৰ | ⊃ | শ্ৰী লোহিত ৰাভা/১৯ |
| হে শ্বহীদ | ⊃ | শ্ৰী অৰূপ জ্যোতি মহন্ত/২০ |
| ঠিকনা বিহীন তেওঁলৈ চিঠি এখন | ⊃ | শ্ৰী ৰামচৰণ ডেকা/২০ |
| গোলাপতে কেকটাচ | ⊃ | শ্ৰী মামনি কলিতা/২১ |
| দুঃ সময় | ⊃ | মিছ মল্লিকা দাস/২১ |
| চকুঁলো | ⊃ | শ্ৰী বিপুল শৰ্মা/২২ |
| কাৰোবাৰ মৰম | ⊃ | চৈয়দ ইনামুল আজম/২২ |
| বন্যান্তৰালত | ⊃ | শ্ৰী দ্বীপজ্যোতি কলিতা/২৩ |
| চিন্তাৰ চাকনৈয়া | ⊃ | শ্ৰী ভূপেন্দ্ৰ নাথ শৰ্মা/২৪ |
| মই কোন | ⊃ | শ্ৰী আশীষ চক্ৰৱৰ্ত্তী/২৫ |
| প্ৰাণ প্ৰেয়সী | ⊃ | ওছমান গনী/২৫ |
| শূন্যতা | ⊃ | শ্ৰী মানসী কলিতা/২৬ |
| মই কি খাও | ⊃ | শ্ৰী ৰাজীব মহন্ত/২৬ |


**গল্প**


| | | |
|---|---|---|
| শৰতৰ শেৱালী | ⊃ | শ্ৰী বিজয় শংকৰ দাস/২৮ |
| অশান্ত আত্মাৰ হাঁহি | ⊃ | চাৰ্জিনা বেগম/৩১ |
| বিগত দিনৰ স্মৃতিত | ⊃ | শ্ৰী নৃপেন চন্দ্ৰ নাথ/৩৫ |
| শিহৰণ | ⊃ | শ্ৰী ৰিপুল চন্দ্ৰ ডেকা/৩৮ |
| বিপ্লৱী | ⊃ | শ্ৰী অনিতা ৰাজবংশী/৪০ |


**উপন্যাস**


| | | |
|---|---|---|
| কেনভাচৰ নীলা ৰং | ⊃ | শ্ৰী কুমুদ দাস/৪৩ |
| এবুকু প্ৰেম এবুকু দুখ | ⊃ | শ্ৰী প্ৰাঞ্জল শৰ্মা/৫৬ |


**ভিন্ন প্ৰসংগ**


| | | |
|---|---|---|
| এটা হাঁহিৰ মৃত্যু | ⊃ | সম্পাদকৰ অন্তৰংগ আলাপ/৬৬ |
| লিমাৰিক | ⊃ | সম্পাদক/৬৮ |
| কৌতুক | ⊃ | সম্পাদক/৭১ |
| বড়ো কবিতা | ⊃ | ৭২ |


**ENGLISH SECTION**

Page No From 1 to 20

বড়িয়া মহাবিদ্যালয় আলোচনী

## জয় আই অসম



সম্পাদকীয় লেখিবলৈ ওলাইয়েই ভাবিবলৈ বাধ্য হৈছো কোনবিলাক কথা লিখিলে সকলো পাঠকেই সহৃদয়ৰে গ্ৰহণ কৰিব। যিখিনি সত্য বুলি গম পালো সেইখিনি উদঙাই দিয়া উচিত নে উদঙাই দিলে কাৰোবাক আঘাট কৰাৰ ভয়ত তাতো প্ৰলেপ সানো ভাবি পোৱা নাই। আলোচনীখন উলিয়াওতে হোৱা তিক্ত অভিজ্ঞতাৰ কথা লিখো নে অন্য কিবা লিখো! মাত্ৰ এবছৰীয়া কাৰ্য্যকালত এখন আলোচনী প্ৰকাশ কৰাটো কিমান কষ্টকৰ সেইটো সকলোৰে জ্ঞাত।




লেখা বিচাৰি ছাত্ৰ-ছাত্ৰীৰ ঘৰে-ঘৰে যোৱা, পানদোকানৰ সন্মুখত লগ পাই কোৱা, কলেজত লগধৰি কোৱা আদিৰ কথাও সকলোৰে জ্ঞাত? আকৌ আজি দিম কালি দিম কৈ নিজৰ পিছত নচুৱাই থকা ছাত্ৰ-ছাত্ৰীও নোহোৱা নহয়।

নিৰ্বাচনত জয়ী হোৱাৰে পৰা আলোচনী প্ৰকাশ পোৱালৈকে অহোৰাত্ৰ কেৱল আলোচনীকলৈয়ে ব্যস্ত হৈ আছোঁ বুলি কলেও ভুল নহ'ব। বহুসময়ত আলোচনীক লৈ ঘটা বহুটো ঘটনা সম্পাদকীয়ত লেখিম বুলি ভাবিছিলো যদিও এতিয়া সেইবোৰ কেনেকৈ লিখিম তাকেই ভাবি পোৱা নাই। শেষত কবলৈ বাধ্য হৈছো যে কিবা এটা কৰাৰ তাড়নাত কোনো দায়িত্ব মূৰ পাতি লোৱাটো মুৰ্খামি তাৰ পৰিবৰ্ত্তে টকা খিনি আত্মসাৎ কৰি নিজৰ কেৰিয়াৰ গঢ়াৰ উদ্দেশ্যে কোনো দায়িত্ব মূৰ পাতি লোৱাহে বুদ্ধিমানৰ কাম (এজন অন্য সম্পাদকৰ উক্তি)।

আলোচনী এখন হ'বলৈনো কি বস্তুৰ প্ৰয়োজন তাক সম্পাদক হোৱাৰ পাছতহে গম পালো। উদিত সূৰ্য্য, তেজ, চকু, পাৰচৰাই, শিকলি লগোৱা হাত, আদিৰ দ্বাৰা প্ৰস্তুত কৰা এটা বেতুপাত (যিটোৰ অৰ্থ বহুতে বুজি নাপায়) আলোচনীখনৰ প্ৰথম প্ৰধান অংগ। বেটুপাতটো ওলোটাই দিলেই দেখিবলৈ পাব দেশৰ কোনো ৰাজনৈতিক নেতাৰ শুভেচ্ছা বাণী। ইয়াৰ পিছতেই অধ্যক্ষই কৰ্মৰত অৱস্থাত অভিনয় কৰি থকা ডাঙৰ ফটোখন বাধ্যতামূলক। ইয়াৰ পাছত আহক সম্পাদকীয়লৈ। সম্পাদকীয় হ'ল এটা ধৰা বন্ধা লেখনি, যিটো শতকৰা আশী ভাগ ছাত্ৰ-ছাত্ৰীযে পঢ়াৰ প্ৰয়োজনবোধ নকৰে। ৰেগিং, যুৱ-উশৃঙ্খলতা, আধুনিক শিক্ষা ব্যৱস্থা, সমাজক তিব্ৰ সমালোচনা আদিৰ ওপৰত লিখা এনে সম্পাদকীয়ৰো আকৌ ওপৰে তলে দুটাপ্ৰয়োজনীয় অংগ থাকে। ওপৰৰ ফালে দেশৰ শ্বহীদ সকললৈ কলমৰ আগেৰে অশ্ৰু অঞ্জলি জ্ঞাপন কৰাৰ লগতে বন্ধু-বান্ধৱৰ উপৰিও শিক্ষাগুৰু সকলৰ মন ভাল লগোৱাৰ অৰ্থে সম্পাদকীৰ শেষত দুটামান পেৰাগ্ৰাফ কৃতজ্ঞতা স্বীকাৰতে শেষ

কৰাটোও স্বাভাৱিক।

এতিয়া আহো কবিতা বিভাগলৈ। মেগাজিনলৈ লেখনি খুজি যি দিনাই নটিচ মাৰিছো, পাছদিনাই দহ-বাৰটা কবিতা (অকবিতা) আহি মোৰ হাতত পৰিছে। ইয়াৰে প্ৰায় সকলোবোৰেই প্ৰেমিক-প্ৰেমিকাক লৈ লিখা নতুবা শ্বহীদ সকলক লৈ লিখা। তাৰে কিছুমানৰ অৰ্থই বিচাৰি নাপালো। আকৌ কিছুমান কবিতা লগ লগাই দি দাৰি কমা লগাই দিলে গল্প বা প্ৰবন্ধৰ ৰূপেই লয়। প্ৰায়বোৰ কবিতাৰেই বহু বানান ভুল। এটা কবিতাত মুঠ ২১ টা বানান ভুল থকাও পাইছোঁ, কিন্তু অতি দুখৰ বিষয় যে ইমান কবিতাৰ মাজটো এটাও বানান ভুল নোহোৱা কবিতা নাপালো।

গল্প-প্ৰবন্ধ আদিৰ বৈ যোৱা খালি ঠাইত অৰ্থনোহোৱা কৌতুক বাতৰি কাকতৰ পৰা তুলি অনা মহৎলোকৰ বাণী (যিবোৰ সংগ্ৰহ কৰা জনেও ভালকৈ পঢ়ি নাচায়) আদি ঠেলি হেঁচি ভৰাই দিয়াটোও কলেজ মেগাজিনৰ এটা অন্যতম বৈশিষ্ট্য। ধুমপান, যুৱ উশৃংখলতা, এইড্ছ, মহৎ ব্যক্তি আদিৰ ওপৰত লিখা প্ৰবন্ধ, প্ৰেমিক-প্ৰেমিকাক লৈ গল্প, অন্য লেখকৰ পৰা নকল কৰা গল্প, উপন্যাস (যিবোৰ পঢ়িলে গম পোৱা যায়) আদিও কলেজ মেগাজিনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে এনেবোৰ ঘটনাৰ পৰা ভাবিবলৈ বাধ্য হৈছো যে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ নামটো প্ৰকাশৰ বাবেহে লিখে, নিজৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে খুব কমেইহে লিখে।

এতিয়া আহো প্ৰতিবেদনলৈ। বিভাগীয় সম্পাদক সকলৰ পাচপোৰ্ট ফটোৰ লগত কৃতজ্ঞতা স্বীকাৰ আৰু শ্বহীদলৈ অশ্ৰু অঞ্জলি যুক্ত প্ৰতিবেদন সমূহো কলেজ মেগাজিনৰ এটা অবিশ্চেদ্য অংগ। এনে প্ৰতিবেদনৰ দ্বাৰা বিভাগীয় সম্পাদক-সম্পাদিকা সকলক আচলতে বন্ধু-বান্ধৱীক ধন্যবাদ আৰু কৃতজ্ঞতা স্বীকাৰ কৰাৰ বাবে সুবিধা দিয়া হয় বুলি ভাবিবলৈ বাধ্য হৈছো কিয়নো এনে প্ৰতিবেদনত নিজা বিভাগৰ বছৰেকীয়া খতিয়ান খুব কমেইহে ডাঙি ধৰে।

কলেজ মেগাজিনবোৰৰ প্ৰায়বোৰেই অসমীয়া আৰু ইংৰাজী এই দুই ভাষাৰ লেখনি প্ৰকাশ কৰে। ইয়াৰে ইংৰাজী বিভাগটো কেৱল দুটামান কবিতা, গল্প যিবোৰ বেছিভাগেই শিক্ষক-শিক্ষয়িত্ৰী সমূহে লিখাৰে গঠিত; যিবোৰ লেখক বা লেখিকা বা শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বাহিৰে অন্য ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ প্ৰয়োজনবোধ নকৰে।

কলেজ মেগাজিন এখন উন্নত মানৰ কৰিবলৈ হ'লে কেৱল সম্পাদক বা তত্বাবধায়কেই সকলো কৰিব নোৱাৰে। তাৰ বাবে প্ৰয়োজন হয় উন্নত মানৰ লেখা। সকলোৰে সহায় আৰু শকত ধনৰ পুজিৰ। ইংৰাজীত এষাৰ কথা আছে যে Cut your shirt according to your cloth. গতিকে ধন চাইহে মণ কৰা উচিত। অৰ্থাৎ বাজেট চাইহে মেগাজিন। গতিকে বাজেটৰ ওপৰতহে মেগাজিনৰ মানদণ্ড নিৰ্ভৰ কৰে।

গতিকে হে মোৰ প্ৰিয় জনগণ, এতিয়া ইমানতে সামৰো। বাটে পথে দেখিলে মাতিবা কথা হ'ম। হে মোৰ প্ৰিয় বন্ধু-বান্ধৱ সকল, তোমালোকক আকৌ ধন্যবাদ, কৃতজ্ঞতা নজনালেও বেয়া পাবা। আকৌ কৃতজ্ঞতা জনাওনো কেনেকৈ ওপৰৰ লিখনি খিনি পঢ়িলাই কিজানি? এতেকে সকলো জানি বুজি দায়-দোষ মৰিষণ কৰিবাহক।



আলোচনী সম্পাদক



কৰ্ম ব্যস্ততাৰ মাজত মহাবিদ্যালয়ৰ অধ্যক্ষ-



শ্ৰীভবেন্দ্ৰ নাথ ডেকা



আমাৰ মহাবিদ্যালয়ৰ বিদায়ি অধ্যাপক
মাননীয় শ্ৰী নৰেন্দ্ৰ কলিতা দেৱ।



অধ্যাপক শ্ৰী দক্ষেশ্বৰ ডেকা
তত্বাৱধায়ক আলোচনী বিভাগ।

সম্পাদনা সমিতি

বড়িয়া মহাবিদ্যালয় আলোচনী ১৯৯৯ - ২০০০ বৰ্ষ



বাওঁফালৰ পৰা ক্ৰমে ঃ- সৰ্বশ্ৰী ৰাজীৱ মহন্ত (সম্পাদক), দক্ষেশ্বৰ ডেকা (তত্ত্বাবধায়ক), ভবেন্দ্ৰ নাথ ডেকা (অধ্যক্ষ), বিপুল চন্দ্ৰ ডেকা (সদস্য), কুমুদ দাস (সদস্য)



# প্ৰবন্ধ



প্ৰবন্ধ লিখিবলৈ-

প্ৰবন্ধ

# প্ৰয়াত অধ্যক্ষ ড° নীলকান্ত মহন্তদেৱৰ সোঁৱৰণত



শ্ৰীদক্ষেশ্বৰ ডেকা
মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ

কৰ্তব্যনিষ্ঠা আৰু ব্যক্তিত্বৰ মূৰ্ত্ত প্ৰতীক ড° নীলকান্ত মহন্তদেৱ আজি সশৰীৰে আমাৰ মাজত নাই । ১৯৯৯খৃষ্টাব্দৰ মাৰ্চমাহৰ ১২ তাৰিখ শুক্ৰবাৰে দুপৰীয়া ১২-৩০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত তেখেতে পঞ্চতত্ব ত্যাগ কৰে । শিক্ষাৰ জ্যোতিস্বৰূপ এই গৰাকী সদ্ধ প্ৰতিষ্ঠা শিক্ষক আৰু অক্লান্ত সমাজকৰ্মীৰ বিয়োগত বৃহত্তৰ ৰঙিয়া অঞ্চলৰ বিস্তৰ ক্ষতি হয়। ভৌতিক আৰু কীৰ্ত্তিভেদে মানুহৰ দেহ দুবিধ । তাৰ ভিতৰত ভৌতিক দেহ ক্ষণভঙ্গুৰ, কিন্তু কাৰ্ত্তিতনু যুগান্তস্থায়ী । ক্ষিতি, অপ্, তেজ, মৰুৎ, ব্যোম এই পঞ্চ মহাভূতেৰে গঠিত মহন্তছাৰৰ পাঞ্চভৌতিক দেহ পঞ্চভূতত বিলীন হৈ গ'লেও তেখেতৰ কীৰ্ত্তিৰূপ দেহ কিন্তু আমাৰ মাজত সদায় জাজ্বল্যমান হৈ থাকিব । তেখেতৰ অনবদ্য কৃতি আৰু কৃতিত্ব সদায় অম্লান হৈ থাকিব ।

দোষ-গুণে মানুহ । কোনো মানুহ দোষৰ উৰ্দ্ধত নহয়। তেখেতৰ গাত কিবা দোষ থাকিলেও থাকিব পাৰে । সেয়া আমাৰ বিচাৰ্য্য নহয়। তেখেতৰ ব্যক্তিত্ব তথা মহত্বখিনি আলচ কৰাই এই নিবন্ধৰ উদ্দেশ্য। আমাৰ অভিজ্ঞতাৰ পৰা যিখিনি জানোঁ তাকে যথাসাধ্যে কৰলৈ প্ৰয়াস কৰা হ'ল।

মহন্ত ছাৰ হাড়ে হিমজুৰে এগৰাকী কৃতী শিক্ষক। গভীৰ কৰ্ত্তব্য নিষ্ঠা আৰু আন্তৰিকতাই মহন্তছাৰক প্ৰতিষ্ঠিত কৰিছিল। ৰঙিয়া হাইস্কুলত সহকাৰী শিক্ষকৰূপে কাৰ্য্যনিৰ্বাহ কৰা ছাৰে পিছত ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপকৰূপে নিযুক্ত হৈছিল। সেইখন মহাবিদ্যালয়ৰে উপাধ্যক্ষ,কাৰ্য্যবাহী অধ্যক্ষৰ পদ অলংকৃত কৰাৰ পাছত ১৯৮৬ চনৰ পৰা অৱসৰ পৰ্য্যন্ত (১৯৯৩ ইং চনলৈকে) অধ্যক্ষৰূপে মহাবিদ্যালয়খনক নতুনকৈ গঢ় দি জাকত-জিলিকা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ কাৰ্য্যকালতে মহাবিদ্যালয়খনত বিজ্ঞান শাখা মুকলি কৰা হৈছিল আৰু ইয়াক ঘাটিমঞ্জুৰী অৱস্থালৈ অনাৰবাবে অশেষ চেষ্টা কৰিছিল আৰু ১৯৯২ ইং চনত তেখেতৰ চেষ্টা ফলৱতী হৈছিল। কলেজখন ছাৰৰ হিয়াৰ এফাল আছিল। কলেজলৈ আহিব নোৱাৰিলে তেখেতে শান্তি নাপাইছিল। তেখেতে সৰু-সুৰা অসুখক অসুখ বুলিয়ে নাভাৱিছিল। সদাই ঘৰৰ পৰা ৪/৫ কিঃমি পথ চাইকেল চলাই ছাৰে কলেজলৈ আহিছিল। বিশেষ অসুবিধা হ'লেহে ৰিক্সাৰে আহিছিল। ৰাতিপুৱা ১০ মান বজাতে কলেজত উপস্থিত হৈ আবেলি ৫/৫-৩০ মান বজালৈকে মহন্তছাৰে কলেজত উপস্থিত থাকি কলেজখনৰ সৰ্ব্বাঙ্গীন উন্নতিত মনোনিবেশ কৰিছিল। কলেজ প্ৰতিষ্ঠাৰ পৰা আমৃত্যু এক সুদীৰ্ঘকাল তেখেত কলেজ পৰিচালনা সমিতিৰ সদস্য আছিল।

মহন্ত ছাৰ এগৰাকী সুদৰ্শন পুৰুষ আছিল। সভা-সমিতিকে ধৰি তেখেত য'তে নাথাকক, সেই ঠাইৰে এটা বেলেগ সৌন্দৰ্য্য পৰিস্ফুত হৈছিল। শুভ্ৰ ধুতি-পাঞ্জাবী পৰিহিত ছাৰৰ দৰদী হিয়াই আমাক অতিশয় আকৰ্ষিত কৰিছিল, শ্ৰদ্ধাত মূৰ দোঁ খাইছিল। সহকৰ্মী আৰু তলতীয়া কৰ্মচাৰীৰ প্ৰতি তেখেতৰ অসীম স্নেহ আছিল। তেওঁলোকৰ সুখ-দুখৰ ভাগ হৈছিল। তেখেতে অতিযত্নে কলেজ চৌহদত কল গছৰ খেতি কৰাইছিল। কল পকিলে তেখেতৰ কাৰ্যালয়লৈ মাতি নি প্ৰত্যেকজন অধ্যাপক / অধ্যাপিকা বা কৰ্মচাৰীক খাবলৈ দিছিল। তেখেতে বস্তু ভগাই খাই বৰ তৃপ্তি পাইছিল।

ছাৰ সু-বক্তাও আছিল। যিকোনো বিষয়ৰ ওপৰত তেখেতে সুন্দৰ শ্ৰুতি মধুৰ তথা হৃদয়গ্ৰাহী বক্তৃতা দিব পাৰিছিল। ইয়াৰ মূলতে আছিল তেখেতৰ পাণ্ডিত্য তথা বিভিন্ন গ্ৰন্থৰ ভীৰ অধ্যয়ন আৰু অনুশীলন। কলেজৰ উপৰি সমাজৰ বিভিন্ন সভা সমিতিলৈ তেখেত সাদৰে নিমন্ত্ৰিত হৈছিল সভাপতি বা বক্তা হিচাপে। তেখেতৰ লগত কেবাখনো সভালৈ যোৱাৰ আমাৰো সৌভাগ্য হৈছিল। ছাৰ আছিল এগৰাকী অত্যন্ত উদাৰ প্ৰকৃতিৰ লোক। তেখেতৰ উদাৰতা আৰু মহানুভৱতাই সৰ্ব্বশ্ৰেণীৰ লোকক বিমুগ্ধ কৰিছিল। সংকীৰ্ণ মনোভাৱ তেখেতৰ নাছিল। বহল দৃষ্টিৰে তেখেতে সকলোকে চাইছিল। কৰ্ত্তব্যৰ খাতিৰত কাৰবাক টানকৈ কিবা ক'লেও অলপ পিছতে সেইকথা পাহৰি পেলাইছিল। কাৰো প্ৰতি তেখেতে ঈৰ্ষ্যাভাৱ নাৰাখিছিল। কিছুমানে আকৌ তেখেতৰ উদাৰতাক দুৰ্বলতা বুলি গ্ৰহণ কৰিছিল। চিৰপ্ৰফুল্ল মহন্তছাৰ একপ্ৰকাৰ স্থিতপ্ৰজ্ঞ পুৰুষ। তেখেত আছিল এগৰাকী গুণগ্ৰাহী বা গুণীৰ গুণ বুজা ব্যক্তি। কালিদাসৰো পূৰ্ব্ববৰ্ত্তী নাট্যকাৰ ভাসে এযাৰ বৰ প্ৰনিধানযোগ্য কথা কৈছে -

'গুণানাং বা বিশালানাং সৎকাৰাঞ্চ নিত্যশ ঃ।
কাৰ্ত্তাৰ ঃ সুলভা লোকে বিজ্ঞাতাৰস্ত দুৰ্লভাঃ।।'

ইয়াৰ ভাৱাৰ্থ হ'ল- জগতত বিশালগুণৰ অধিকাৰী বা সৎকাৰ কৰা ব্যক্তি বহুত আছে। কিন্তু গুণীৰ গুণ বুজা ব্যক্তি দুৰ্লভ। মহন্তছাৰ অল্পগুনকো বিস্তৰ কৰা এজন উত্তম ব্যক্তি। সহকৰ্মীসকলৰ কিবা ভাল গুণ বা গৰিমা থাকিলে তাক লৈ তেখেতে গৌৰৱবোধ কৰা আমি দেখিছোঁ। সত্ৰৰ বৈষ্ণৱ পৰিয়ালত জন্মগ্ৰহণ কৰা ছাৰৰ মাত কথা সকলোতে এটা বিনয় বা শিষ্ট ভাৱ প্ৰকাশ পাইছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ মহাপুৰুষীয়া ধৰ্মৰপ্ৰতি ছাৰৰ অতল বিশ্বাস আছিল। অনেকলোকে তেখেতৰ ওচৰত মহাপুৰুষীয়া ধৰ্মৰ শৰণ লৈছিল। কীৰ্ত্তন, দশম, নামঘোষা, ৰত্নাৱলী, ভটিমা আদি তেখেতৰ জিহবাগ্ৰত বুলিব পাৰি। যথাযোগ্য ব্যক্তিৰ লগত শাস্ত্ৰৰ বিভিন্ন কথা আলচ কৰি তেখেতে ভাল পাইছিল। আজৰি সময়ত আমাৰ লগতো তেখেতে সংস্কৃত শাস্ত্ৰাদিৰ কথা আলচ কৰিছিল।

নিৰ্ভীক আৰু স্পষ্টবাদী মহন্তছাৰ তীক্ষ্ণধী পুৰুষ আছিল। অসমীয়া ভাষাৰ উপৰি হিন্দী, ইংৰাজী, সংস্কৃত আদি ভাষাতো ছাৰৰ দখল আছিল। ছাৰৰ এটা জ্ঞান পিপাসু মন আছিল বাবে সদাই গভীৰ অধ্যয়ন কৰিছিল । আনকি অৱসৰৰ আগে আগে "The influence of the New Vaishnavism on the Bodo-Kacharies of Kamrup with special reference to Socio cultural aspects" শীৰ্ষক বিষয়ত গৱেষণা কৰি

ডক্টৰেট ডিগ্ৰী লাভ কৰে। প্ৰাচ্যতত্ববিদ পণ্ডিত ডঃ নেওগৰমতে তেখেতৰ গৱেষণা গ্ৰন্থখন এখনি উচ্চমানবিশিষ্ট গৱেষণা গ্ৰন্থ! তেখেত নিজে ধন্য হোৱাৰ লগতে আমাৰ কলেজকো ধন্য কৰিলে।

বেদান্ত দৰ্শন ছাৰৰ বৰ প্ৰিয় দৰ্শন। শঙ্কৰাচাৰ্য্য মোহমুদগৰ আদি গ্ৰন্থৰ বহু শ্লোক তেখেতৰ কণ্ঠলগ্ন। 'কা তব কান্তা কস্তে পুত্ৰ ঃ, 'ক্ষণমিহ সজ্জনসঙ্গতিৰেকা ভৱতি ভৱাৰ্ণৱতৰণে নৌকা' আদি শ্লোক তেখেতে অনৰ্গল গাই দিব পাৰে।

ছাৰৰ এটি অনুসন্ধিৎসু মনো আছিল। এদিন তেখেতৰ কোঠাত বহি আছোঁ। ছাৰে অকস্মাতে বেৰত আৰি থোৱা এখন কেলেণ্ডাৰৰ কৃষ্ণৰ ফটোলৈ আঙুলিয়াই দি মোক সুধিছিল - "কওঁকচোন ডেকা, এই ছবিখনত কিবা ভুল পাইছেনে?" মই ছবিখন অলপ সময় নিৰীক্ষণ কৰি ক'লো, 'ছাৰ, সৱ ঠিক আছে, কিন্তু শ্ৰীকৃষ্ণৰ পদযুগলৰ নিম্নাংশ অঙ্কিত হোৱা নাই।" "আপুনি ঠিকে কৈছে, ভগৱানৰ আমি চৰণতহে শৰণ লওঁ। সেই ছৰণ দুখনিয়ে নাই যেতিয়া এইখন অসম্পূৰ্ণ ছবি।" তেখেতৰ কথাষাৰ ঠিক যেন লাগিল।

মহন্তছাৰৰ এটা মহত্ব হ'ল তেখেতৰ অক্লান্ত কৰ্মশক্তি আৰু অসীম ধৈৰ্য্য। এই দুটা বিশেষ গুণে তেখেতক উন্নতিৰ পথত আগুৱাই নিয়াত সহায়ক হৈছে। কলেজ বা সমাজ জীৱনতো সেৱা আগ বঢ়াবলৈ সক্ষম হৈছে। পুত্ৰ-কণ্যাক সুন্দৰৰূপে গঢ় দি যোৱাটোৰে সূচায় অভিভাৱক হিচাপেও তেখেত সফল। ছাৰ অনেক সামাজিক কামৰ লগত জড়িত। বৰঙিয়া শাখা সাহিত্যসভা (আলোচনী সভা) আদি অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত তেখেত ওতঃপ্ৰোতভাৱে জড়িত আছিল। অসম সাহিত্য সভাৰ বৰঙিয়া অধিবেশনৰ 'স্মৃতিগ্ৰন্থ' তেখেতে সম্পাদনা কৰিছিল। মুক্তিযোদ্ধা শান্তিৰাম লহকৰ শতবাৰ্ষিকীৰ স্মৃতিগ্ৰন্থও ছাৰে সম্পাদনা কৰি উলিয়াইছিল। ১৯৮৯ চনৰ জানুৱাৰী মাহত বৰঙিয়া মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী মহোৎসৱ তেখেতে নিয়াৰিকৈ সম্পন্ন কৰিছিল শিক্ষক - কৰ্মচাৰী, ছাত্ৰ - ছাত্ৰী তথা শুভাকাঙ্খী ৰাইজৰ সহযোগত। ছাৰৰ বিয়োগৰ লগে লগে বৰঙিয়া তথা উত্তৰ কামৰূপৰলোক সংস্কৃতিৰ জ্ঞান থকা ব্যক্তি এগৰাকী হেৰাই গ'ল।

যোগ্য আৰু দক্ষ ব্যক্তিৰ দ্বাৰা তেখেতে কলেজৰ বিভিন্ন কাম-কাজ পৰিচালনা কৰিছিল। শ্ৰীযুত গদাধৰ ফাটোৱালী, শ্ৰীযুত গোলক চন্দ্ৰ ভূঞা, শ্ৰীযুত জ্যোতিষ চন্দ্ৰ চৌধুৰী, শ্ৰীযুত অমৰেন্দ্ৰ শৰ্মা আৰু বৰ্ত্তমানৰ অধ্যক্ষ শ্ৰীযুত ভৱেন্দ্ৰ নাথ ডেকা প্ৰমুখ্যে ব্যক্তিসকলে বিভিন্ন কামৰ দায়িত্ব লৈ তেখেতক সহায় কৰিছিল। প্ৰশাসক হিচাপেও তেখেত সফল। অনভিমানিতা তেখেতৰ এক চাৰিত্ৰিক বৈশিষ্ট্য। এই গুণৰ বাবে তেখেত সৰ্ব্বজনৰ প্ৰিয় পাত্ৰ হ'ব পাৰিছিল। ছাৰৰ দৰে অসীম গুণধৰ ব্যক্তি সমাজত দুৰ্লভ। তেখেতৰ গুণত মুগ্ধ হৈ আমাৰ সতীৰ্থ বন্ধু শ্ৰীভৱেন লহকৰে এযাৰ কথা প্ৰায়ে কৈছিল। ছাৰৰ দৰে ব্যক্তি 'ন ভূতো ন ভৱিষ্যতি।' (হোৱা নাছিল আৰু নহ'ব)। মোৰ সতীৰ্থ বন্ধু শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মাই ছাৰৰ আন গুণৰ লগতে অতিথি সৎকাৰ গুণটোক সদাই সুঁৱৰি থাকে। তেখেতৰ সদায় আনন্দত থাকিব পৰা গুণটোৱে আমাক বহুতকে বিস্ময় - বিমুগ্ধ কৰে।

পৰিশেষত স্বনাম ধন্য, লব্ধ প্ৰতিষ্ঠ অধ্যক্ষ ড° নীলকান্ত মহন্তদেৱৰ বিদেহী আত্মাৰ উদ্দেশ্যে আমাৰ হাৰ্দিক শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। তেখেতৰ মহৎ গুণ আৰু আদৰ্শৰাজি আমাৰ জীৱন যাত্ৰাৰ পাথেয় হওক। ইতি - শম্।

□□□





প্ৰবন্ধ

# ইংৰাজী ৰোমান্টিক কবিতাত বেদান্ত দৰ্শন

শ্ৰী উমেশ চন্দ্ৰ গোস্বামী
উপাধ্যক্ষ, বৰঙিয়া মহাবিদ্যালয়

বেদান্ত দৰ্শনেই হৈছে জগত বাসীৰ প্ৰতি ভাৰতীয় সভ্যতাৰ আটাইতকৈ মূল্যবান অৱদান। এই দৰ্শনৰ মূল কথা হৈছে এই জগতৰ বিভিন্ন প্ৰাণী আৰু বিভিন্ন বস্তুৰ মাজত থকা মৌলিক ঐক্য। দৃশ্যমান জগতৰ চেতন বা অচেতন সকলো বস্তুৰ অন্তৰালত একেটা মহাশক্তিয়ে কাম কৰি আছে। সেই শক্তিৰে বিকাশ ঘটিছে বিভিন্ন পাৰিপাৰ্শ্বিকতা আৰু বিভিন্ন কালৰ ঘটনা সমূহৰ মাজেদি। গ্ৰহ, নক্ষত্ৰ, চন্দ্ৰ, সূৰ্য্য, নৈ, সাগৰ, পাহাৰ, জুই, পানী আদি সকলো ক্ষেত্ৰতে সেই মহতী শক্তিয়ে ক্ৰিয়া কৰি আছে। এই দৰ্শনৰ মতে জীৱ জগত, উদ্ভিদ জগত আৰু নৈসৰ্গিক জগতৰ সকলো বস্তু একেডাল অদৃশ্য সূতাৰে গঠা আৰু পৰস্পৰ নিৰ্ভৰশীল। স্মৰাণাতীত কালতে ভাৰতৰ ঋষি মুনি সকলে এই কথা ভালদৰে উপলব্ধি কৰিছিল যে এই জগত অভিন্ন আৰু এক সুনিয়ন্ত্ৰিত নিয়মৰ দ্বাৰা পৰিচালিত। বিশ্বৰ আধাৰ স্ৰষ্টা আৰু পৰিচালক এই অদৃশ্য শক্তিটোক তেওঁলোকে "পৰম ব্ৰহ্ম" বুলি আখ্যা দিছিল। তেওঁৰ আন এটা নাম পৰমাত্মা। জীৱবিলাক সেই পৰমাত্মাৰে অংশ, অৰ্থাৎ সকলো জীৱৰ মাজেদি সেই পৰমাত্মাৰে প্ৰকাশ হৈছে। হিন্দুৰ ষড়দৰ্শনৰ ভিতৰত বেদান্ত দৰ্শনৰ প্ৰভাৱ আৰু জনপ্ৰিয়তা সৰ্বাধিক। ইয়াৰ অন্তৰ্নিহিত উদাৰতাৰ কাৰণে বিশ্বৰ বহুত দেশত এই দৰ্শনৰ মূল কথাখিনি সত্য বুলি এক মুখে স্বীকাৰ কৰিছে। এই বেদান্ত দৰ্শনৰ দ্বাৰা পৰিপুষ্ট ভাৰতীয় সমাজত এই দৰ্শনৰ সৃষ্টিৰ মূলতে আছে ভাৰতৰ তত্বাৰ্থী আৰু জ্ঞানী সকলৰ হেজাৰ বছৰৰ নিৰবছিন্ন সাধনা আৰু ধ্যান। এই দৰ্শনৰ উৎস বিচাৰি আমি ধূসৰ অতীতলৈ আগুৱাই যাব লাগিব।

বৈদিক চিন্তাধাৰাৰ উৎপত্তি আৰু ইয়াৰ বিকাশৰ সুদীৰ্ঘ কালছোৱাক পণ্ডিত সকলে প্ৰধানকৈ চাৰিটা বিভিন্ন যুগত ভাগ কৰিছে। তাৰে প্ৰথমটো হৈছে বেদ বা সংহিতাৰ যুগ। দ্বিতীয় যুগটো ব্ৰাহ্মণ সাহিত্যৰ যুগ আৰু তৃতীয় যুগটো হৈছে আৰণ্যক আৰু উপনিষদৰ যুগ আৰু চতুৰ্থটো পুৰাণৰ যুগ। বৈদিক যুগৰ ঋষি মুনিসকলৰ চিন্তাৰ্চ্চাৰ পৰা নিৰ্গত হোৱা একেটা সূতিয়েই বিভিন্ন যুগৰ বিভিন্ন সমাজ ব্যৱস্থাৰ মাজেদি প্ৰবাহিত হৈ অতীতৰ ভাৰতীয় সংস্কৃতিক সাৰ - পানী যোগান ধৰি জীপাল কৰি ৰাখিছিল। আপাত দৃষ্টিৰে চালে বৈদিক সভ্যতাৰ এই চাৰিওটা যুগৰে কিছুমান স্বকীয় বৈশিষ্ট দেখা যায়। ঋকবেদৰ যুগ এক সৰ্বশক্তিমান, সৰ্ব্বব্যাপক নিৰাকাৰ ভগৱানৰ ধাৰণাটো সমাজত ভালদৰে অংকুৰিত হোৱা নাছিল। যদিও "একং সদ্‌বিপ্ৰা ঃ বহুধা বদন্তি" এই বাক্যটিৰ দ্বাৰা এজন ভগৱানৰ অস্তিত্ব স্বীকৃত হৈছে তথাপি ঋকবেদৰ যুগৰ সমাজখনত প্ৰাকৃতিক শক্তিবোৰৰ ওপৰত দেৱত্ব আৰোপ কৰি প্ৰাৰ্থনাৰ

জৰিয়তে সেইবোৰক সন্তুষ্ট কৰি বাঞ্চিত ফল লাভ কৰাৰ চেষ্টা দেখা যায়। সেইবাবে সমগ্ৰ ঋক্‌বেদখন অসংখ্য দেৱ-দেৱীৰ স্তুতি মন্ত্ৰেৰে পৰিপূৰ্ণ। জাৰ্মান পণ্ডিত মেক্সমূলাৰ চাহাবে ঋক্‌বেদৰ যুগৰ ধৰ্মক Henotheism বুলি আখ্যা দিছে। আন কেইখন বেদতো পূজা - পাতল, যাগ - যজ্ঞ আদিৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হৈছে। পৰবৰ্ত্তী ব্ৰাহ্মণ যুগত বৈদিক ক্ৰিয়া কাণ্ডৰ প্ৰচলন অধিক ব্যাপক ৰূপত ঘটে। বোধকৰো সেই কাৰণতে সমগ্ৰ ব্ৰাহ্মণ সাহিত্য ৰচনা কৰা হৈছিল বিভিন্ন যাগ-যজ্ঞ, পূজা আদিৰ বিশেষ বিশেষ পদ্ধতিৰ ওপৰত লক্ষ্য ৰাখি। ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে সেই যুগত ধৰ্মৰ বাহ্যিক অনুষ্ঠানবোৰৰ দ্বাৰা সাধাৰণ মানুহৰ সামাজিক সত্তাটো নিয়ন্ত্ৰিত হৈছিল। ব্ৰাহ্মণ যুগটো আছিল কৰ্মকাণ্ডৰ যুগ। এই যুগৰ বিশেষত্ব হৈছে ধৰ্মৰ বৰ্হিমুখী গতি। পূজা পাতল, যাগ -যজ্ঞ আদিৰ দ্বাৰা দেৱ-দেৱীবোৰক তুষ্ট কৰি সিবিলাকৰ অনুগ্ৰহত ধন সম্পত্তি, পৰিয়াল আৰু ক্ষমতাৰ অধিকাৰী হৈ ঐহিক জীৱনত সুখী হোৱাটোৱে আছিল সে যুগৰ বেছিভাগ মানুহৰে মূল আকাংক্ষা লাহে লাহে সমাজৰ পৰিবৰ্ত্তন ঘটিল। আগৰ যুগৰ বিষয়মুখী চিন্তাৰ বিপৰীতে এটা অন্তৰ্মুখী চিন্তাৰ সোঁত সমাজত প্ৰৱাহিত হব ধৰিলে। বৈদিক যুগৰ কোলাহল পূৰ্ণ, ৰং চঙীয়া অনুষ্ঠানবোৰে চিন্তাশীল ব্যক্তি এচামক আমুৱাব ধৰিলে। তেওঁলোকে জন সমাজৰ পৰা আঁতৰি অৰণ্যৰ মাজত আৰু প্ৰকৃতিৰ নিবিড় কোলাত আশ্ৰম পাতি এই জগত, ইয়াৰ সৃষ্টিকৰ্তা আৰু জীৱন সম্পৰ্কে নানা ধৰণৰ চিন্তা কৰিব ধৰিলে। নানা প্ৰশ্ন তেওঁলোকৰ মনত উদয় হ'ল। এই প্ৰশ্নবোৰৰ প্ৰতিফলত ঘটিল আৰণ্যক আৰু উপনিষদ গ্ৰন্থ সমূহত। এইদৰে বৈদিক যুগৰ তৃতীয়টো যুগ অৰ্থ্যাৎ উপনিষদৰ যুগটোৰ সূত্ৰপাত হ'ল। এই যুগটো বৈদিক সভ্যতাৰ আটাইতকৈ মুল্যবান জ্ঞানৰ যুগ। ভাৰতীয় মনীষীৰ চিন্তাই উচ্চতম্ শিখৰত আৰোহন কৰিলে এই যুগতে। হেজাৰ হেজাৰ বছৰৰ প্ৰশ্নৰ উত্তৰ তেওঁলোকে এই যুগতে পালে। আগৰ যুগৰ অসংখ্য দেৱ-দেৱীৰ ঠাইত তেওঁলোকে এই জগতৰ মূলাধাৰ স্বৰূপে সৰ্বত্ৰ বিৰাজমান, গুণাতীত আৰু নৈৰ্ব্যক্তিক এক পৰম সত্তাক আৱিষ্কাৰ কৰিলে। তেৱেঁই হ'ল উপনিষদত 'ব্ৰহ্ম'। এইদৰে বৈদিক যুগৰ বহুদেৱতাৰ ঠাইত একেশ্বৰ বাদৰ সৃষ্টি হয়। আগৰ দেৱ - দেৱীসকল জনমানসৰ পৰা আঁতৰি নগ'ল যদিও হিন্দু ধৰ্মত তেওঁলোকে গৌণ স্থান অধিকাৰ কৰিলে। দেৱতা সকলো পৰম ব্ৰহ্ম পৰমেশ্বৰৰ শক্তিৰে শক্তিমান। তেওঁৰ পোৱা শক্তি নেপালে জুইয়ে পুৰিব নোৱাৰে, বায়ুৱে গতিশীলতা লাভ নকৰে। মুঠতে ব্ৰহ্মশক্তিৰ অবিহনে দৈৱশক্তি নিস্ক্ৰিয় হৈ পৰে। বৃহদাৰণ্যক উপনিষদকে ধৰি আটাইকেইখন উপনিষদতে নানা ধৰণৰ আলোচনাৰ মাজেদি পৰম ব্ৰহ্মকে এই বিশ্বব্ৰহ্মাণ্ডৰ সৰ্বময়কৰ্তা হিচাবে প্ৰতিপন্ন কৰা হৈছে। তেৱেঁই এক। তেওঁৰ বাহিৰে এই জগতত আৰু দ্বিতীয়জন নাই। (একমেবা দ্বিতীয়ম্) গীতাত ভগবান শ্ৰীকৃষ্ণই সেই পৰম ব্ৰহ্মৰ স্থান অধিকাৰ কৰিছে। তাত তেওঁ কৈছে যে - সকলোৰে মূল তেওঁ। তেওঁৰ সামান্য ইচ্ছাতে অলেখ ব্ৰহ্মাণ্ডৰ সৃষ্টি হয় আৰু প্ৰলয়ৰ সময়ত বিনাশ হয়। তেওঁ সনাতন, সৃষ্টিৰ আদিতেও তেওঁ আছিল আৰু সৃস্টিৰ বিনাশৰ পিচতো তেওঁ থাকিব। সৰ্ব্বভূতৰ আত্মা স্বৰূপে সকলো জীৱৰ মাজতে তেওঁ বিৰাজমান হৈছে। একেটা সূৰ্য্যই বিভিন্ন জলৰাশিত প্ৰতিবিম্বিত হয় সেইদৰে এক পৰমেশ্বৰে অসংখ্য জীৱৰ মাজেদি নিজকে প্ৰতিফলিত কৰিছে। উপনিষদৰ যুগতে বৈদিক দৰ্শনে পূৰ্ণতা লাভ কৰে। সেয়েহে উপনিষদৰ দৰ্শনক বেদান্ত দৰ্শন বুলি কোৱা হয়। ভাৰতবাসীৰ ধৰ্মীয় আৰু সামাজিক জীৱনত এই দৰ্শনৰ প্ৰভাৱ অখণ্ডনীয়। সমাজৰ সৰ্বস্তৰৰ মানুহৰ মাজত এই





দৰ্শনে যিদৰে শিপাইছে তাকে দেখি বিদেশী পণ্ডিতে কঁবলৈ বাধ্য হৈছিল "Every Indian is a born philosopher" অৰ্থাৎ জন্মৰে পৰা প্ৰত্যেকজন ভাৰতীয় মানুহ একোজন দাৰ্শনিক। খৃষ্টীয় ত্ৰয়োদশ শতিকা মানৰ পৰা ষোড়শ শতিকালৈ এই কালছোৱাত সমগ্ৰ ভাৰতবৰ্ষতে ভক্তি বাদৰ ভেটিত এটা ধৰ্মীয় সংস্কাৰৰ সূচনা হৈছিল। ধৰ্মগুৰু সকলে ভগৱান বিষ্ণুকে একমাত্ৰ উপাস্য দেৱতা হিচাবে গ্ৰহণ কৰাৰ ফলত বিষ্ণু পুৰাণ আৰু ভাগৱত পুৰাণৰ ভেটীত গঢ় লৈ উঠা এই ধৰ্মীয় সংস্কাৰক নৱ বৈষ্ণৱ ধৰ্মৰ আন্দোলন বুলি কোৱা হৈছিল। এই আন্দোলনৰো চালিকা শক্তি আছিল উপনিষদীয় বেদান্ত দৰ্শন। যিহেতু এই জগতত সৰু বৰ সকলো প্ৰাণী এক পৰমাত্মাৰে সৃস্টি তেনেস্থলত মানুহৰ মাজত সৰু বৰ, উচ্চ নীচৰ ব্যৱধান থাকিব নোৱাৰে। ভক্ত এই বৈষ্ণৱ গুৰুসকলে সমাজৰ অতি নিম্নস্তৰৰ ব্যক্তিকো আকোৱালি লৈ ধৰ্মৰ ভিত্তিত এখন সুস্থ আৰু শান্তিময় সমাজ গঠনৰ কাৰণে চেষ্টা কৰিছিল আৰু বহু পৰিমানে কৃত-কাৰ্যও হৈছিল। আমাৰ অসমতো শ্ৰীমন্ত শংকৰদেৱকে প্ৰমুখ্য কৰি বৈষ্ণৱ গুৰু সকলে ধৰ্ম আৰু সংস্কৃতিৰ যোগেদি অসমত বাসকৰা সকলো লোককে সামৰি যিখন বৃহত্তৰ অসমীয়া সমাজৰ ভেটী স্থাপন কৰিছিল তাৰ সুফল আমি আজিও ভোগ কৰি আছো। "যত জীৱ জংগম কীট্ পতঙ্গম সৱহি তুহাৰিকায়া", কুকুৰ গৰ্দ্দভ শৃগালৰো আত্মা ৰাম, জানিয়া সবাকো কৰিবা প্ৰণাম" - শংকৰদেৱৰ এইবোৰ উক্তিয়ে তেখেতৰ বেদান্ত দৰ্শন আৰু মানবীয় উদাৰতাকে প্ৰতিপন্ন কৰে। গভীৰ পাণ্ডিত্য, অতুলনীয় সৃজনীশক্তি আৰু ধৰ্মীয় উদাৰতা এই আটাইবোৰ গুণৰ সমাবেশ ঘটিছিল এইজন মহাপুৰুষৰ ব্যক্তিত্বত। ধৰ্ম, কৃষ্টি আৰু সাহিত্যক সামৰি অসমীয়া জাতিৰ সামগ্ৰিক সত্তাটো প্ৰতিষ্ঠা কৰাত শংকৰদেৱৰ যি মহান অৱদান তাক অসমীয়া জাতিয়ে কোনোদিনে অস্বীকাৰ কৰিব নোৱাৰিব। শংকৰ দেৱকো বঙ্গদেশৰ স্বামী বিবেকানন্দৰ নিচিনা অসমৰ Greatest Practical Vedantist বুলি ধৰিলে ভুল নহব।

অষ্টাদশ শতিকাৰ শেষছোৱা আৰু উনবিংশ শতিকাৰ প্ৰথমছোৱা কাল ইংৰাজী সাহিত্যত ৰোমান্টিক যুগ বুলি অভিহিত। আগৰ যুগৰ সাহিত্যিক সকলৰ ধ্যান ধাৰণাৰ বিপৰীতে এই যুগৰ সাহিত্যিক সকল এটা নতুন আদৰ্শৰে অনুপ্ৰাণিত হৈ সাহিত্য সৃষ্টিৰ কাম হাতত লৈছিল। ক্লাচিকেল যুগৰ সাহিত্য আছিল কিছুমান ধৰা-বন্ধা নীতি-নিয়মৰ মাজত আৱদ্ধ। সেই সাহিত্যৰ বিষয় বস্তু আছিল সমাজৰ চকুত পৰা আৰু গ্ৰহনীয় কিছুমান বস্তু অথবা উচ্চ শ্ৰেণীৰ লোকৰ কাম কাজ। দৈনন্দিন জীৱনত লগপোৱা অতি সাধাৰণ বস্তুবোৰ নাইবা সমাজৰ নিম্নখাপত থাকি দুখ দাৰিদ্ৰৰ লগত সংগ্ৰাম কৰি জীৱন নিৰ্বাহ কৰা ব্যক্তিৰ জীৱনৰ ঘটনাৱলীক সাহিত্যৰ সৃস্টিৰ কাৰণে অনুপযোগী বুলি ক্লাচিকেল যুগৰ সাহিত্যিক সকলে বিবেচনা কৰিছিল। সেইকাৰণে সেই সাহিত্যিৰ গণ্ডী বৰ ঠেক আছিল। সেই সাহিত্যিক সমাজৰ বাস্তৱ ছবিৰ প্ৰতিফলন বুলি কব নোৱাৰি। অষ্টাদশ শতিকাৰ শেষ ভাগত ফৰাচী দেশত যি গণবিপ্লৱ হয় তাৰ ফলত ইউৰোপত এটা বিৰাট পৰিবৰ্তন ঘটে। এই বিপ্লৱে ইউৰোপত সামাজিক, ৰাজনৈতিক আৰু বৌদ্ধিক দিশত এটা সংস্কাৰৰ পাতনি মেলে। ৰাজতন্ত্ৰৰ উচ্ছেদ সাধন কৰি ব্যক্তি স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বৰ ভেটিত এখন নতুন সমাজ গঢ়াৰ কাৰণে ফৰাচী দাৰ্শনিক সকলে কৰা আহ্বানৰ প্ৰতি ইউৰোপৰ নতুন প্ৰজন্মই ভালদৰে সহাৰি দিলে। ফলস্বৰূপে ৰাজনীতিত গণতান্ত্ৰিক শাসন ব্যৱস্থা আৰু সাহিত্যত "নৱন্যাস" আন্দোলনৰ উন্মেষ হ'ল। ইংল্যাণ্ডত এই

আন্দোলনৰ জন্ম দিলে কবি William Wordsworth থে। ১৭৯৮ চনত এইজনা কবিয়ে তেখেতৰ বন্ধু চেমুৱেল টেইলৰ কলেৰিজৰ সৈতে যুটীয়া ভাবে Hyrical Ballads নামে কবিতাৰ এখন সৰু পুথি প্ৰকাশ কৰে। ইয়াৰ পাতনিত কবিতাৰ এটা নতুন সংজ্ঞাদি ইয়াৰ বিষয়বস্তু, ভাষা, ছন্দ আদিৰ ওপৰত নিজৰ মতামত ব্যাখ্যা কৰে। সাহিত্যৰ গতানুগতিকতাৰ বান্ধোন চিঙি ইয়াক সৰ্বসাধাৰণ মানুহৰ জীৱন আৰু দাপোন স্বৰূপে প্ৰতিষ্ঠা কৰি কবি সাহিত্যিক সকলে সাহিত্যৰ নতুন নতুন দিশ উন্মোচন কৰি আৰু সাধাৰণ মানুহৰ জীৱন আৰু সমস্যা, প্ৰকৃতি সৃষ্ট বস্তু যেনে- নৈ, পৰ্বত, হাবি, বননি, ফল, চৰাই, আদি ভৌতিক ঘটনা, অতীতৰ স্মৃতি আদি বিষয়ক কেন্দ্ৰ কৰি সাহিত্যত বন্যাৰ সৃষ্টি কৰে। সৃষ্টিৰ প্ৰেৰণাত জীৱন আৰু জগতৰ সকলো বস্তুকে গ্ৰহণ কৰি সাহিত্যিক ক্লাচিকেল সাহিত্যৰ অনুশাসনৰ পৰা মুক্ত কৰিবলৈ সক্ষম হয় এই ৰোমান্টিক যুগৰ কবি সাহিত্যক সকলে। সেইকাৰে এজন বিখ্যাত লিখকে ৰোমান্টিচিজ্‌মক Hiberalisation of literature বুলি আখ্যা দিছে। মুঠতে ৰোমান্তিক যুগৰ কবি সকলে জীৱ জগত আৰু প্ৰকৃতি জগতৰ বিভিন্ন বস্তুৰ মাজত থকা মূল্যবান 'শাশ্বত সত্তা'ৰ অস্তিত্ব অনুভব কৰে যিটোৰ কাৰণে তেওঁলোকৰ কবিতাত জীৱজগত আৰু প্ৰাকৃতিক জগত অবিচ্ছিন্ন সমষ্টিৰূপে দেখা যায়। বৃটিছ সকল ভাৰতলৈ অহাৰ লগে লগে ইংল্যাণ্ডৰ লগত ভাৰতৰ বেহা-বেপাৰৰ উপৰিও আন সকলো বিষয়তে গভীৰ সম্পৰ্ক স্থাপন হয়। ভাৰতীয় দৰ্শন আৰু সভ্যতাৰ প্ৰতি ইংৰাজী মনীষী সকলৰ কৌতুহ'ল বৃদ্ধি পায়। সম্ভৱত ঃ এইটো কাৰণতে অষ্টাদশ শতিকা মানতে ভাৰতীয় চিন্তাধাৰাই ইংলেণ্ড বাসীৰ মাজত ব্যাপক ৰূপত প্ৰসাৰতা লাভ কৰে। ভাৰতীয় দৰ্শনৰ মতে প্ৰকৃতি জড় পদাৰ্থ নহয়। ই জীৱন্ত আৰু মানৱ জীৱনৰ লগত ইয়াৰ সম্পৰ্ক গভীৰ। এক সৰ্বব্যাপক বিশ্বাত্মাৰে প্ৰতিফলন ঘটিছে সমস্ত জীৱজগত আৰু প্ৰকৃতি জগতৰ বিভিন্ন বস্তুৰ মাজেদি। ইয়াক দৰ্শনৰ ভাষাত Pantheism বা সৰ্বেশ্বৰ বাদ বুলি কোৱা হয়। গভীৰ চিন্তা আৰু ধ্যানৰ যোগেদি কবি Wordsworth এ সত্য উপলব্ধি কৰিছিল। সেইকাৰণে তেওঁ প্ৰায় সকলোবোৰ কবিতাতে (বিষয় বস্তু যিমানে তুচ্ছ নহওক) এটা স্বৰ্গীয় জ্যোতিৰ আলোক উদ্ভাষিত হৈ উঠিছে। ই কবিৰ বেদান্ত দৰ্শনৰ ফলশ্ৰুতি। Wordsworth ৰ Tintern Abbey এটা বিখ্যাত কবিতা। এই কবিতাটোৰে কৱিৰ মানসিক উত্তৰণৰ এটা সুন্দৰ বিৱৰণ দাঙি ধৰিছে। কৱি মানসিক উত্তৰণত তিনিটা পৰ্য্যায় ইয়াত উল্লেখ কৰা হৈছে। প্ৰথম পৰ্য্যায়ত কেবল আনন্দৰ খোৰাক হিচাবেহে প্ৰকৃতিক ভাল পাইছিল। প্ৰকৃতিৰ শোভা, চৰাইৰ গান আদিত কবিৰ মন আপ্লুত হৈ হৈছিল আৰু সেইবাবেই প্ৰকৃতিক তেওঁ ভাল পাইছিল। প্ৰথম পৰ্য্যায়ত এই ভালপোৱা আছিল সম্পূৰ্ণ দৈহিক কাৰণত। প্ৰকৃতিৰ ৰূপ, ৰস, ৰঙ আজিত কবি মুগ্ধ হৈছিল। সেয়েহে তেওঁ প্ৰকৃতিৰ বুকুলৈ সঘনাই প্ৰত্যাবৰ্তন কৰিছিল। দ্বিতীয় পৰ্য্যায়ত এই প্ৰেম আৰু গভীৰ হৈ পৰে। এই পৰ্য্যায়ত কবিয়ে প্ৰকৃতিৰ লগত এক আত্মিক সংযোগ স্থাপন কৰে। প্ৰকৃতিৰ কোলাত নিজকে হেৰুৱাই পেলাই দৈনন্দিন জীৱনৰ চিন্তা আৰু কামৰ বোজাৰ পৰা কবিয়ে নিস্কৃতি লাভ কৰে তেওঁৰ আধ্যাত্মিক জীৱনৰ দ্বিতীয় পৰ্য্যায়ত। কবিৰ সাধনাৰ তৃতীয় আৰু শেষ পৰ্য্যায়ত কবিয়ে প্ৰকৃতিৰ মাজত এটা সৰ্বত্ৰ বিৰাজমান, ঐশ্বৰিক সত্ত্বাৰ স্থিতি অনুভৱ কৰিছে। এই সত্ত্বাই সমগ্ৰ বিশ্বকে এক কৰি ৰাখিছে। কবিয়ে লিখিছে-

"And I have felt
A presence that disturbs me with the joy
of elevated thoughts; a sense sublime
of something deeply interfused
whose dwelling is the light of
the sitting sun,
And the round ocean and the living air,
And the blue sky, and in the mind of man;
A motion and a spirit, that inpells
All thinking things,all objects of all thought,
And rolls through all things."

ৰোমান্টিক যুগৰ আন এজন বিখ্যাত কবি বাইৰণ প্ৰকৃতি প্ৰেমী আছিল। প্ৰকৃতিৰ ভয়াবহ ৰূপ দেখি তেওঁ অধিক আকৃষ্ট হৈছিল আৰু অজেয় শক্তিৰূপে প্ৰকৃতিক গণ্য কৰিছিল। Wordsworth ৰ নিচিনা বাইৰণ প্ৰকৃতিক নিঃ সংগ জীৱনৰ বন্ধু হিচাবে বিবেচনা কৰিছিল। এটা কবিতাত বাইৰণে লিখিছিল -

There is a pleasure in the pathiess woods,
There is a rapture on the lovely share,
There is a society where none intrudes,
By the deep sea and the musle in its roar
I love not Man the less, but Nature more
From these our interviews in which I steal,
From all I may be; or have been before,
To mingle with the universe.

কবিয়ে মানুহৰ সমাজত নোপোৱা শান্তি বিচাৰি বিশ্বাত্মাৰ লগত মিলি যাব খোজে।

ৰোমান্টিক যুগৰ শ্ৰেষ্ঠ গীতি কবি পাৰ্চি বিচি শ্বেলী আজীৱন সংগ্ৰামী আছিল। সমাজত থকা সকলো প্ৰকাৰ অন্যায়, কেৰোণ, নিৰ্য্যাতনৰ বিৰুদ্ধে তেওঁ বাল্যকালৰে পৰা বিদ্ৰোহ ঘোষণা কৰি শেষত নিজ দেশ ত্যাগ কৰি ইউৰোপীয় নৱজাগৰণৰ কেন্দ্ৰস্থান ইটালীত আশ্ৰয় লয়। তাতে নাওঁ দুৰ্ঘটনাত মুঠে ৩০ বছৰ বয়সতে এক অসামান্য প্ৰতিভাধৰ কবিজনাৰ অকাল মৃত্যু ঘটে। অতি কম বয়সতে মৃত্যু হলেও এইজনা কবিয়ে ইংৰাজী কবিতাত এখন যুগমীয়া আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। এইজনা কবি ব্যল্যকালতে প্লেট'নিক দৰ্শনত পৰিপুষ্ট হৈছিল যদিও তেওঁৰ ভালেমান দৰ্শনত বেদান্ত দৰ্শনৰ প্ৰভাৱ পৰিলক্ষিত হয়। শ্বেলীৰ Adonois নামৰ শোকৰ কবিতাটো কবি কীটচৰ মৃত্যু উপলক্ষে ৰচনা কৰা হৈছিল। কৃটচ্‌ৰ দৈহিক মৃত্যুত কবি প্ৰথমতে শোকত অভিভুত হলেও পিচত তেওঁ এইদৰে শান্তনা লাভ কৰিছে যে- দৈহিক মৃত্যুৰে মানুহৰ জীৱনৰ শেষ কথা নহয়, আত্মা অমৰ। কীটচ্‌ৰ অমৰ আত্মা প্ৰকৃতিৰ আত্মাৰ লগত মিলি গৈছে। কবি শ্বেলীয়ে প্ৰকৃতিৰ কোলাত তেওঁৰ প্ৰয়াত বন্ধুৰ অমৰ আত্মাৰ অস্তিত্ব অনুভব কৰিব পাৰিছে। সেয়েহে তেওঁ লিখিছে -

He is apresence to be felt and knous
In darkness and in light from
herb and stone
Spreading itself wherever that
power may move
Which .................. the world with
never wiaried love,

বেদান্তৰ মতে জীৱাত্মা বিলাক পৰমাত্মাৰ বিশেষ অংশ মাথোন। মৃত্যুৰ পিছত জীৱাত্মা পৰমাত্মাৰ লগত বিলীন হৈ যায়। পৰমাত্মা চিৰন্তন অবিনাশী। এই দৰ্শনতে উদ্ধুদ্ধ হৈ কবিয়ে উদাৰমক্তে কবিতাটো লিখিছে -

"The me remains, the many
change and pass;
Heaven's light forever shines,
earth's shadows fly."

এইজনা কবিৰে আন এটা প্ৰখ্যাত কবিতা হৈছে - "The clouds" পানী, মেঘ, বৰষুণ আদি


বঙিয়া মহাবিদ্যালয় আলোচনী

বিভিন্ন অৱস্থাৰ মাজেদি মেঘৰ ৰূপান্তৰ হ'লেও ইয়াৰ অস্তিত্ব কোনো দিনে বিলীন হৈ যাব নোৱাৰে। কেতিয়াবা নৈ বা সাগৰৰ ৰূপত নাইবা বৰষুণৰ ৰূপত মেঘে নিজৰ কাম সম্পন্ন কৰে। সেয়েহে এই কবিতাত কবিয়ে মেঘৰ হতুৱাই এটা দাৰ্শনিক উক্তি দাঙি ধৰিছে । "I change, but I cannot die" এই কথা ফাঁকিৰ সাৰমৰ্ম গীতাৰ দ্বিতীয় অধ্যায়ত থকা আত্মাৰ অৱিনাশিত্ৰ কথাৰ লগত হবাহু একে। পৰৱৰ্তী কালত পাশ্চাত্য দেশবোৰত ভাৰতীয় দৰ্শন, গীতা আৰু উপনিষজৰ ব্যাপক চিন্তা চৰ্চাৰ প্ৰচলন হয়। ইউৰোপৰ প্ৰাচ্যবিদ 'মেক্সমুলাৰ, কীট, উইন্টাবনিজ, মেকডনাল আদি পণ্ডিত সকলে ভাৰতীয় সংস্কৃতি আৰু দৰ্শনৰ ওপৰত কৰা ব্যাপক আলোচনাৰ ফলত আমেৰিকাকে ধৰি পাশ্চাত্যৰ দেশবোৰত ভাৰতীয় সংস্কৃতিৰ প্ৰতি ব্যাপক সমাদৰ বাঢ়ে। সেয়েহে প্ৰায়বোৰ ইউৰোপীয় কবিৰ ওপৰত বেদান্ত দৰ্শনৰ প্ৰভাৱ পৰিলক্ষিত হয়। বিখ্যাত ইংৰাজ কবি William Buter Yeats আৰু T.S. Eliot ৰ বহুত কবিতা বেদান্ত দৰ্শনৰ প্ৰত্যক্ষ প্ৰভাৱত লিখা হৈছে। বিৰল পাণ্ডিত্যৰ অধিকাৰী ইলিয়টে 'দত্ত', 'দাস্যত', 'দয়ধ্বম' আদি সংস্কৃত শব্দ কিছুমান ইংৰাজী ভাষাত লিপিবদ্ধ কৰি জগতবাসীৰ আগত ভাৰতীয় দৰ্শনৰ প্ৰয়োজনীয়তা দাঙি ধৰিছে। আমেৰিকাৰ জাতীয় কবি Walt Whiteman এজন প্ৰখ্যাত বেদান্তবিদ আছিল। তেখেতৰ শ্ৰেষ্ঠ কবিতা সংকলন heaves of the grass ৰ বেছিভাগ কবিতাতে বেদান্ত দৰ্শনৰ অনুৰণন শুনিবলৈ পোৱা যায়। মানৱতাবাদী এই কবিজনৰ প্ৰেম অকল মানৱ সমাজতে আবদ্ধ নাথাকি এই পৃথিৱীত সৰু বৰ সকলো প্ৰাণীলৈকে বিস্তাৰিত হৈছে। মুঠতে কবলৈ গলে ভাৰতীয় বেদান্ত দৰ্শন এতিয়া বিশ্ব মানৱৰ উমৈহতীয়া দৰ্শন। হিংসা, দ্বেষ, ঘৃণাৰে পৰিপূৰ্ণ এই জগতত শান্তিৰে বসবাস কৰিবলৈ হলে আমি সকলোৱে "বসুধৈব কুটুম্বকম" এই মহান মন্ত্ৰেৰে আমাৰ জীৱন পৰিচালিত কৰিব লাগিব। ভাৰতীয় সংস্কৃতিৰ এইটোৱেই আটাইতকৈ মহত্তম্ আদৰ্শ। □□





প্ৰবন্ধ

# শঙ্কৰী সাহিত্য-দৰ্শন-তত্ত্ব বিশ্লেষণ

শ্ৰীভবেন্দ্ৰ নাথ ডেকা
অধ্যক্ষ, ৰঙিয়া মহাবিদ্যালয়।

সাহিত্য সমালোচনা এটি সৃষ্টিধৰ্মী কলা। সমালোচক সকলে লেখক আৰু পাঠকসকলৰ মাজত যোগসূত্ৰৰ কাম কৰে। লেখকৰ সৃষ্টি সমূহ পাঠকৰ বোধগম্য কৰাত আৰু পাঠকে কাব্য-সাহিত্যসমূহৰ ৰসাস্বাদন কৰাত সমালোচকসকলে প্ৰভুত পৰিমাণে সহায় কৰে। মহৎ লেখক সকলৰ উন্নত মানবিশিষ্ট কাব্য-সাহিত্য সৰ্বসাধাৰণ পাঠকৰ বাবে সহজবোধ্য নহয়। সমালোচকসকলৰ আলোচনা, সমালোচনা, বিশ্লেষণ অবিহনে সাধাৰণ পাঠকে উচচ পৰ্য্যায়ৰ কাব্য-সাহিত্যত অন্তৰ্নিহিত অৰ্থ, তাৎপৰ্য, তত্ত্ব, দৰ্শন সম্পূৰ্ণকৈ বুজিব নোৱাৰে। ফলস্বৰূপে সাহিত্যৰ ৰসাস্বাদনত বিজুতি ঘটে।



কবি-সাহিত্যিক সকলৰ সৃষ্টিৰাজি সমাজত সমাদৃত কৰাত সমালোচক সকলে মূখ্য ভূমিকা গ্ৰহন কৰে। স্ৰষ্টাৰ মহান সৃষ্টিৰাজি জনমানসত উদ্ভাষিত কৰি তোলাত যিহেতু সমালোচক সকলে বিশেষ ভূমিকা পালন কৰিব লগা হয়, সেয়ে সমালোচক সকলৰ দায়িত্ব আৰু কৰ্ত্তব্য কিমান গুৰুত্বপূৰ্ণ সি সহজে অনুমেয়। এগৰাকী সাৰ্থক সমালোচক হবলৈ হলে অনেক গুণৰ অধিকাৰী হ'ব লাগে। তেওঁৰ অধ্যয়নৰ বিস্তৃতি, চিন্তাৰ গভীৰতা, গভীৰ মননশীলতা, অনুভূতিৰ তীব্ৰতা আৰু সুক্ষ্মতা, সুগভীৰ পাণ্ডিত্য, সন্ধানী মন, বিস্তৃত ভাষাজ্ঞান আৰু গবেষণাৰ নিৰন্তৰ স্পৃহা থাকিব লাগে। তদুপৰি তেওঁৰ দৃষ্টিভঙ্গী সম্পূৰ্ণ নিৰপেক্ষ, যুক্তিসঙ্গত আৰু বৈজ্ঞানিক হব লাগে। তেনেজন সমালোচকৰ পৰা সৰ্বসাধাৰণ পাঠকে নতুন নতুন তথ্য আৰু নতুন নতুন চিন্তাৰ খোৰাক পায় আৰু তেনেজন সমালোচক সকলোৰে প্ৰিয়পাত্ৰ আৰু আদৰণীয় হয়। তেনেজন সমালোচকৰ সমালোচনা সাহিত্য সৃষ্টিধৰ্মী কলা হিচাপে স্বীকৃত আৰু সমাদৃত হয়। উদাহৰণ স্বৰূপে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ "তত্ত্বকথা" আৰু "শ্ৰীকৃষ্ণ কথা" নামৰ গ্ৰন্থ দুখনলৈ আঙুলিয়াব পাৰি। এই গ্ৰন্থদুখনি শঙ্কৰী সাহিত্য দৰ্শন তত্ত্ব বিশ্লেষণৰ দুখন অতি উন্নতমানৰ সমালোচনা গ্ৰন্থই নহয়, সৃষ্টিধৰ্মী কলা হিচাপেও দুয়োখন গ্ৰন্থ অতি উন্নত মানৰ লৌকিক সাহিত্য কৰ্ম।

শঙ্কৰী সাহিত্য দৰ্শন তত্ত্ব বিশ্লেষণৰ ক্ষেত্ৰত কটকটীয়া পুৰুষ হ'ল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ পদানুসৰণ কৰি অনেকজন সাহিত্যিক সমালোচকে শঙ্কৰী সাহিত্য দৰ্শন তত্ত্বৰ ক্ষেত্ৰত নতুন নতুন তথ্য আবিষ্কাৰ কৰিছে। সেই সকলৰ ভিতৰত ড° বাণী কান্ত কাকতি, ডিম্বেশ্বৰ



নেওগ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, তীৰ্থনাথ শৰ্মা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, পীতাম্বৰ দেৱগোস্বামী, সোনাৰাম চুতীয়া, ড° হীৰেণ গোহাই প্ৰভৃত্তি সাহিত্যিক সমালোচক সকলৰ নাম উল্লেখযোগ্য। এইসকল সাহিত্যিক সমালোচকে অনেক নতুন নতুন দিশ উন্মোচন কৰি শঙ্কৰী সাহিত্যৰ ৰূপ ৰস সৌন্দৰ্য্য উপভোগ কৰাত সৰ্বসাধাৰণ পাঠকক সহায় কৰাৰ লগতে অনুপ্ৰাণিতও কৰিছে।

সাম্প্ৰতিক কালত শঙ্কৰী সাহিত্য দৰ্শন তত্ত্ব আলোচনা সমালোচনাত ব্ৰতীহৈ থকা লোকৰ সংখ্যা অলেখ। কিন্তু এইসকলৰ সৰহভাগ একেবোৰ তথ্য বা কথাকে চৰ্বিত চৰ্বন কৰি থকা দেখা যায়। এই শ্ৰেণীৰ সমালোচকে শঙ্কৰী সাহিত্যৰ মূখ্য তথ্যতকৈ (Primary material)গৌণ তথ্যত (Secondary material)বেছি নিৰ্ভৰ কৰা দেখা যায়। নতুনত্বৰ সন্ধান দিব নোৱাৰা কোনো সমালোচনাই পাঠকৰ মন আকৰ্ষণ কৰিব নোৱাৰে। শঙ্কৰী সাহিত্যৰ মূখ্য তথ্যৰ ভিতৰত মহাপুৰুষ শঙ্কৰদেৱ আৰু মহাপুৰষ মাধৱদেৱকে প্ৰমুখ্য কৰি অন্যান্য বৈষ্ণৱ কবি-সাহিত্যিক সকলৰ ৰচনা সমূহ, তেৰাসকলে অনুবাদ কৰা মূল সংস্কৃত ভাগৱত, গীতা আদি শাস্ত্ৰসমূহ আৰু তেৰাসকলে গ্ৰহণ কৰা তত্ত্ব-দৰ্শন সম্বলিত মূল পুৰাণ, উপনিষদ আদি শাস্ত্ৰসমূহ পৰে। গৌন তথ্যৰ ভিতৰত শঙ্কৰী ধৰ্ম-দৰ্শন-তত্ত্ব বিশ্লেষণ কৰি বিভিন্ন সাহিত্যিক সমালোচকে ৰচনা কৰা গ্ৰন্থ সমূহ আৰু অন্যান্য লিখনি সমূহ ধৰা হয। গৌন তথ্যৰ ভিত্তিত ৰচিত সমালোচনা সম্পূৰ্ণ সত্য নহবও পাৰে অথবা সত্য হলেও তাত কোনো নতুনত্ব নাথাকে। উদাহৰণ স্বৰূপে এযাৰ কথা উল্লেখ কৰিব পাৰি। মহাপুৰুষ মাধৱদেৱ বিৰচিত নাম-ঘোষা শাস্ত্ৰৰ অনুদিত শ্লোক সম্পৰ্কে মন্তব্য কৰি ড° মহেশ্বৰ নেওগ ডাঙৰীয়াই লিখিছে, "নাম ঘোষাৰ এহেজাৰ ঘোষাৰ ভিতৰত চাৰিশমানৰ মূল স্বৰূপে কোনো বৈষ্ণৱ গ্ৰন্থৰ সংস্কৃত শ্লোক পোৱা যাব পাৰে বা পোৱা গৈছে।" (শ্ৰীশ্ৰীমাধৱ দেৱ, পৃ. ১১৭) ড° নেওগ ডাঙৰীয়াৰ এই উক্তিকে নিৰ্ভৰ কৰি বৰ্ত্তমানৰ অনেক



আলোচক সমালোচকে নামঘোষা শাস্ত্ৰৰ অনুদিত শ্লোকৰ সংখ্যা প্ৰায় খাটাংকৈ চাৰিশ বুলি মন্তব্য কৰা দেখা যায়। কিছুমানে আকৌ প্ৰকৃত তথ্যৰ সন্ধান নকৰাকৈ এখোপ ওপৰলৈ গৈ নামঘোষা শাস্ত্ৰৰ অনুদিত শ্লোকৰ সংখ্যা ছয়শ বুলিও মন্তব্য কৰা দেখা যায়। ড° মহেশ্বৰ নেওগ দেৱে সম্পাদনা কৰা কীৰ্ত্তন ঘোষা আৰু নামঘোযা গ্ৰন্থখনিত নামঘোষা শাস্ত্ৰৰ সন্নিবিষ্ট বিভিন্ন শাস্ত্ৰৰ অনুদিত সংস্কৃত শ্লোক সমূহৰ উল্লেখ কৰা হৈছে। তেখেতে উল্লেখ কৰা শ্লোকৰ সংখ্যা ২৪২ টাহে- চাৰিশ নহয়। তদুপৰি নেওগদেৱে নামঘোষাৰ অনুদিত শ্লোকৰ সংখ্যা সম্পৰ্কে খাটাং সিদ্ধান্ত দিয়া নাই- তেখেতৰ ধাৰণাহে প্ৰকাশ কৰিছে আৰু তাৰ দ্বাৰা গবেষক সমালোচক সকলক মূল উদ্ধাৰৰ প্ৰচেষ্টা চলোৱাৰ ইঙ্গিতহে দিছে। কিন্তু বৰ্ত্তমানৰ সৰহসংখ্যক লিখক সমালোচকে ড° নেওগদেৱৰ ধাৰণাটোকে নিজৰ সিদ্ধান্তৰূপে সহজভাৱে প্ৰকাশ কৰা দেখা যায়। ভিত্তিহীন সমালোচনাই কেতিয়াও প্ৰকৃত সত্যৰ সন্ধান নিদিয়ে।

এই প্ৰসংগতে আৰু এযাৰ কথা উল্লেখ কৰিব পাৰি। অঙ্কীয়া নাট সমূহ আৰু বৰগীতত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ সম্পৰ্কে মন্তব্য কৰি ড° সত্যেন্দ্ৰ নাথ শৰ্মা ডাঙৰীয়াই মৈথিলী কবি বিদ্যাপতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ শঙ্কৰদেৱে এই কৃত্ৰিম ভাষা ব্যৱহাৰ কৰা বুলি উল্লেখ কৰিছে। তেখেতে কৈছে "মহাপুৰুষ শংকৰদেৱে তীৰ্থ ভ্ৰমন কৰিবলৈ যাওতে মৈথিলী ভাষাত ৰচিত বিদ্যাপতিৰ গীত আৰু নাট সমূহৰ দ্বাৰা নিশ্চয় আকৃষ্ট হৈ তেনে ভাষাত গীত আৰু নাট ৰচনাৰ প্ৰয়াস কৰে। (অসমীয়া সাহিত্যৰ ইতিবৃত্ত ঃ পৃ. ১১৯) ব্ৰজাৱলী







ভাষা মৈথিলী, উৰিয়া, বঙালী আৰু অসমীয়া ভাষাৰ সংযোগ ঘটাই সৃষ্টি কৰা এটি কৃত্ৰিম ভাষা। এই ভাষা অসম, বঙ্গ, বিহাৰ, উৰিষ্যাৰ কোনো এটা অঞ্চলৰ লোকৰ ব্যৱহৃত কথিত ভাষা নহয়। শাস্ত্ৰ ৰচনাৰ বাবে কবি সাহিত্যিক সকলে উদ্ভাৱন কৰা ই এটি শাস্ত্ৰীয় ভাষা। মৈথিলী কবি বিদ্যাপতিক এই ভাষাৰ জনক হিচাপে ড০ শৰ্মা ডাঙৰীয়াই মন্তব্য কৰিছে আৰু তাকে ভিত্তিকৰি বৰ্ত্তমানৰ অনেক সমালোচকে ব্ৰজাৱলী ভাষা সম্পৰ্কে নানা আলোচনা আগবঢ়াই আছে। আনহাতে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱে মন্তব্য কৰি কৈছিল যে মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত "মন খেতি ৰাম চৰনহি লাগু" বৰগীতটি ব্ৰজাৱলী ভাষাত সৃষ্ট প্ৰথম কবিতা। এই কথাষাৰ সত্য হলে ব্ৰজাৱলী ভাষাৰ স্ৰষ্টা বিদ্যাপতি নহৈ শঙ্কৰদেৱহে হব। গবেষক সমালোচক সকলে তথ্যভিত্তিক গবেষণাৰে সত্যানুসন্ধান কৰিব লাগে। তাকে নকৰি কোনো এজন পণ্ডিতৰ এটা ধাৰণা বা মন্তব্যক সৰোগত কৰি তাকে পুনৰাবৃত্তি কৰি থাকিলে উজুতি খোৱাৰ ভয় থাকে।

বিশ্ববিখ্যাত নাট্যকাৰ উইলিয়াম ছেক্সপীয়েৰে মুঠতে ৩৭ খন নাটক, ১৫৪ টা চনেট আৰু ৫ টা দীঘলীয়া কবিতা ৰচনা কৰিছিল। এইগৰাকী সাহিত্যিকৰ ৰচনা সম্ভাৰৰ ওপৰত আজি ইংৰাজী সাহিত্যত পৰ্বত প্ৰমান সমালোচনা সাহিত্যৰ সৃষ্টি হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ গবেষক সমালোচক পণ্ডিত, সাহিত্যিক সকলে Shakespearean Criticism ৰ ওপৰত নিতৌ নতুন নতুন তথ্য উদঘাটন কৰি আছে। তথাপি এই সমালোচনা সাহিত্যৰ পৰি সমাপ্তি ঘটা নাই। তাৰ তুলনাত শঙ্কৰী সাহিত্যৰ আলোচনা সমালোচনা যে নিচেই নগন্য হৈছে সেই কথা সহজে বুজিব পাৰি। কিয়নো মহাপুৰুষ শঙ্কৰদেৱ, মহাপুৰুষ মাধৱদেৱ বিৰচিত ৰচনাসমুহ বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ হোৱাৰ ব্যৱস্থাটো হোৱাই নাই আনকি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্ততে আজিলৈকে মহাপুৰুষ দুজনাৰ অমূল্য গ্ৰন্থৰাজি পৰিচিত



হোৱা নাই। আচাৰ্য বিনোবা ভাৱেৰ লেখীয়া মুষ্টিমেয় দুই এগৰাকী পণ্ডিতৰ মাজতে শঙ্কৰী সাহিত্যৰ জ্ঞান সীমাবদ্ধ হৈ আছে ভাৰতবৰ্ষৰ ব্যাপক জনসাধাৰণৰ মাজত সঞ্চালনীকৈ শঙ্কৰী সাহিত্যই এতিয়াও প্ৰচাৰ প্ৰসাৰ লাভ কৰা নাই। সেয়ে মূলতঃ কেইগৰাকীমান অসমীয়া সাহিত্যিক সমালোচকৰ মাজতে শঙ্কৰী সাহিত্যৰ মূল্যায়ন আৰু বিশ্লেষণ সীমাবদ্ধ হৈ আছে। মহৎ সাহিত্য সত্য কোনো কালতে কোনো পাঠক, সমালোচক তত্ত্বান্বেষী লোক অথবা পণ্ডিতৰ হাতত ধৰা নিদিয়ে। সাহিত্যৰ সনাতনতা আৰু মহত্ব বিচাৰৰ ইও এক মাপকাঠি। এই মাপকাঠিৰে বিচাৰ কৰি চালেও শঙ্কৰ মাধৱ সৃষ্ট কাব্য, নাট, গীত, পদ, পয়াৰ সমূহ যে অতি উচ্চ পৰ্য্যায়ৰ সনাতন সাহিত্য সেই কথা সহজে উপলব্ধি কৰিব পাৰি। শঙ্কৰী সাহিত্যৰ সৌন্দৰ্য্য, ৰূপ, ৰস, তত্ত্ব, দৰ্শনৰ অনেক - দিশ এতিয়াও সম্পূৰ্ণৰূপে উন্মোচিত হোৱা নাই। তদুপৰি এই সাহিত্যৰ নান্দনিক, ভাষাতাত্বিক আৰু আঙ্গিক আদি বিভিন্ন দিশত বিশ্লেষণ পৰ্য্যালোচনাৰ অনেক থল আছে। সাহিত্য সমালোচক সকলে এইবোৰ দিশ উন্মোচন কৰি শঙ্কৰী সাহিত্যৰ নতুন নতুন সৌন্দৰ্য, ৰূপ, ৰস, পৰ্য্যালোচনা বিশ্লেষণত ব্ৰতী হ'লে শঙ্কৰী সমালোচনা সাহিত্যৰ ভৰাল চহকী হোৱাৰ লগতে শঙ্কৰদেৱৰ ধৰ্ম, দৰ্শন, সাহিত্য, সংস্কৃতি সৰ্বসাধাৰণ পাঠকৰ বোধগম্য আৰু হৃদয়ঙ্গম হোৱাত সহায়ক হব। শঙ্কৰী সাহিত্য চৰ্চা কৰি থকা লেখক-লেখিকা সকল তেনে সৃষ্টিধৰ্মী সাহিত্য সমালোচনাত ব্ৰতী হোৱা বাঞ্চনীয়। □□

প্ৰবন্ধ

# ক্ষয়িষ্ণু প্ৰকৃতিত অভিশপ্ত জীৱাত্ম

শ্ৰী নিতুৰাম কলিতা
উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষ

প্ৰাকৃতিক পৰিবেশ পৰিবৰ্ত্তনশীল। পৰিবৰ্ত্তনে উন্নতিৰ মূল। প্ৰাকৃতিক পৰিবেশৰ পৰিবৰ্ত্তনৰ লগত যুঁজ দি যোগ্যতম জীৱই জীৱাই থাকিবলৈ সক্ষম হৈছে।

প্ৰাকৃতিক পৰিবেশ ৰ'দ, বতাহ, বৰষুণ, ভুমিকম্প, আগ্নেয়গিৰি, বানপানী, তুষাৰপাত আদিৰ লগত সংগ্ৰাম কৰি নিজকে প্ৰাকৃতিক পৰিবেশৰ লগত খাপ খুৱাই জীৱই জীয়াই থাকে। প্ৰাকৃতিক পৰিবেশৰ এনে আমুল পৰিবৰ্ত্তনৰ ফলত কিছুমান জীৱ বিলুপ্ত হৈ যায়। আৰু কিছুমান জীৱই বৰ্ত্তী থাকে। এনে পৰিবৰ্ত্তনৰ ফলত আজিৰ পৰা ৩০০০ নিযুত বছৰ পূৰ্বে ডাইনচৰৰ নিচিনা স্তন্যপায়ী প্ৰাণী বোৰ বিলুপ্ত হৈছে। ডাইনচৰৰ প্ৰাণীবোৰ ৩০০০ নিযুত বছৰ আগতে এই পৃথিৱীত দপ-দপাই ফুৰিছিল। প্ৰাকৃতক পৰিবেশৰ ক্ৰম বিৱৰ্তনৰ ফলত এনে প্ৰণীবোৰ এই পৃথিৱীৰ পৰা বিলুপ্ত হৈ যায়।

এনে ক্ৰম বিৰ্বতনৰ ওপৰত 'ছাৰ্লছ ডাৰউইনে' প্ৰাকৃতিক বৰণ মতবাদ দাঙি ধৰে। ডাৰউইনৰ মতবাদ যুকি সমূহ হ'ল-

(১) অমিত প্ৰনন (২) জীৱন যুদ্ধ
(৩) প্ৰকাৰণ (৪) থোগ্যৰ উৎ পৰিবৰ্ত্তন
(৫) নতুন প্ৰজাতিৰ সৃষ্টি আদি ভাগত তেওঁ ভাগ কৰে। ক্ৰম বিবৰ্ত্তনৰ ফলত আজি জীয়াই থকা প্ৰণীবোৰ আনৰ বিলুপ্ত জীৱাত্মৰ ক্ৰ বিকাশৰ সাক্ষ্য সমুহ ডাৰউইনে প্ৰকাশ কৰিছে। (১) দৈহিক গঠন আৰু শ্ৰেণী বদ্ধ তাৰ সাক্ষ্য (২) জীৱাত্মৰ সাক্ষ্য (৩) তুলনা মূলক অংগ সংস্থান। এনেদৰে ক্ৰমবিৱৰ্ত্তনৰ ফলত আজিৰ জীৱই প্ৰাকৃতিক পৰিবেশৰ লগত সংগ্ৰাম কৰি নিজকে পৰিবেশৰ লগত খাপ খুৱাই জীয়াই আছে।

ক্ৰম বিৱৰ্ত্তনৰ এনে পৰিবৰ্ত্তনৰ ফলত জীৱই এই পৃথিৱীৰ পৰা বিলুপ্ত হৈ আছে। এনেদৰে আদি প্ৰাণীবোৰ বিলুপ্ত হৈ আছে। আজি আমি দেখি থকা প্ৰাণীবোৰ কাইলৈ নিশ্চয় এনেদৰে মহাকাশত বুকুত বিলুপ্ত হৈ যাব। আমিবোৰ বাৰু মন কৰিছোনে এটা সময়ত হয়তো এই পৃথিৱীৰ পৰা 'মানুহ' নামৰ জীৱ শ্ৰেষ্ঠ প্ৰাণীতোয়ো বিলুপ্ত হ'ব। তাৰ ঠাইত অন্য এক প্ৰজাতি সৃষ্টি হ'ব। এনে পৰিবৰ্ত্তনৰ বা ক্ৰম পৰিবৰ্ত্তনৰ বাবে দায়ী কোন? মানুহে আজি বিজ্ঞানৰ যুগত নতুন নতুন উদ্যোগ যন্ত্ৰ পাতি আদি প্ৰতিস্থা কৰি প্ৰকৃতিক পৰিবেশ দুষিত কৰিছে। যাৰ ফলত মানুহৰ নানা ধৰণৰ ৰোগ ব্যাধি আদিৰ সৃষ্টি হৈছে। জীৱাত্মৰ বিলুপ্তিৰ বাবে দায়ী আমি জীৱ শ্ৰেষ্ঠ মানুহবোৰ নহয়নে? নে এই বিলুপ্তি ভগৱানৰ প্ৰজাতিবোৰৰ ওপৰত অভিযাল?

□□□□





প্ৰবন্ধ

# লক্ষ্য আৰু আমিবোৰ

শ্ৰী তপন ৰাজবংশী
স্নাতক ২য় বৰ্ষ (কলা)

বৰ্তমান যুগত আমাক যদি কোনোবাই প্ৰশ্ন কৰে-যে তোমাৰ লক্ষ্য কি? তেন্তে আমি নানা জনৰ পৰা নানান উত্তৰ পাম। কোনোবাই হয়তো কব মই ডাক্তৰ হম। কোনোবাই হয়তো কব মই ইঞ্জিনিয়াৰ হম! আৰু কোনোবাই হয়তো কব মই প্ৰফেচাৰ হম ইত্যাদি। কিন্তু প্ৰকৃততে এইবোৰ আমাৰ লক্ষ্য হব পাৰে জানো? মানুহে কোনো এটা সীমালৈ গতি কৰি সেই সীমা ঢুকি পোৱাকে লক্ষ্য বুলি কব খোজে। কিন্তু প্ৰকৃতাৰ্থত সেয়াজানো লক্ষ্য হব পাৰে? লক্ষ্য আমি খুজি লব পৰা বস্তু নহয়। ই সমাজ ব্যৱস্থাৰ দ্বাৰা পৰিচালিত এক পথ। যিটো পথেৰে আগুৱাই গলে হয়তো আমি আমাৰ জীৱনৰ অৰ্থ বিচাৰি পাম। অসমীয়া সাহিত্যৰ ধ্ৰুৱতৰা স্বৰূপ হোমেন বৰগোহাঞি দেৱৰ লেখাত মোৰ পঢ়া মনত পৰে যে সেইটোহে জীৱনৰ লক্ষ্য হব পাৰে যাৰ দ্বাৰা আনৰ আলপ হলেও উপকাৰ হয়। অৰ্থ্যৎ আনৰ উপকাৰ কৰিব পৰাটোহে আমাৰ জীৱনৰ লক্ষ্য আৰু সাৰ্থকতা খিনি সোমাই থাকে।

বৰ্তমান বিজ্ঞানৰ যুগ। এনে সময়ত আমি পুৰণিকলীয়া বিশ্বাসবোৰ এৰিবৰ হৈছে। বৰ্তমানেও আমাৰ সমাজবোৰত এনে কিছুমান বিশ্বাস আছে যাৰ ফলত আমি কিছুমান উচ্চ স্তৰীয়া চিন্তা চৰ্চাৰ পৰা বঞ্চিত হব লগা হৈছে। কিছুমান উচ্চ স্তৰীয়া মানুহে কলে বুলিয়েই সকলো কথা আমি ধৰি লব নালাগে। "কবি জন্মে ; নগঢ়ে" বোলা কথাষাৰে কিমান দুৰ সত্য আমি বিশ্লেষণ কৰি চাব লগাৰ সময় আহি পৰিছে। বৰ্তমান সমাজত এনে কিছুমান মানুহো আছে যিয়ে নিজৰ ওপৰত আস্থা হেৰুৱাই জ্যোতিষীৰ কথাৰে পৰিচালিত হৈ জীৱনৰ লক্ষ্য ঠিক কৰা দেখা যায়। কিন্তু জ্যোতিষীৰ গণনাও কিমানদুৰ সত্য? জ্যোতিষ শাস্ত্ৰৰ বিধান মতে এজনৰ শিক্ষিত মানুহেও চন্দ্ৰক এটা গ্ৰহ বুলি মানি লৈছে। চন্দ্ৰক গ্ৰহ বুলি মানি লোৱা জ্যোতিষ শাস্ত্ৰৰ বিধান মতে; ডাক্তৰ ইঞ্জিনিয়াৰ হোৱাৰ যি মানসিকতা দেখা যায়; ইয়ো জানো আমাৰ জীৱনৰ লক্ষ্য হব পাৰে?

বহুতে আকৌ কব খোজে যে আমাৰ সকলোবোৰ লক্ষ্য পূৰ্বনিৰ্ধাৰিত। অৰ্থাৎ আমি কি কৰিম বা ইয়াৰ ফল আগতে নিৰ্ধাৰিত হৈ থাকে। ইয়াৰ পৰা এইটো স্পষ্ট যে আমি আমাৰ ইচ্ছা শক্তিৰ দ্বাৰা একো কৰিব নোৱাৰো। সকলো ভগবানৰ হাতত। যদি সেইটোৱে সত্য হয় তেন্তে সাধাৰণতে আমাৰ মনলৈ এটা প্ৰশ্ন আহে যে সকলো নিৰ্ধাৰিত হৈ থকা সত্তেও আমি লক্ষ্যৰ কাৰণে বা জীৱনৰ লক্ষ্যৰ প্ৰতি সচেতন হোৱাৰ প্ৰয়োজন কি?

জীৱনৰ লক্ষ্য সম্পৰ্কে মনোবিজ্ঞানী সকলে কৈছে যে সেইটোহে লক্ষ্য হব পাৰে যি

লক্ষ্যৰে মানুহে আধ্যাত্মিক আৰু নৈতিক গুন মিশ্ৰিত ছবিখন নিজৰ জীৱনত প্ৰতিফলিত কৰি সেই লব্ধ জ্ঞানৰ মৌচৰাৰে আনক উপকৃত কৰিব পাৰে। অৰ্থাৎ মনোবিজ্ঞানীসকলে কব বিচাৰিছে যে আনৰ মংগল; সাধনৰ লক্ষ্যটোহে জীৱনব প্ৰকৃত লক্ষ্য হব পাৰে। গতিকে দেখা যায় যে মানুহে জীৱন ধাৰণ কৰা কৰ্মসূচীৰ চৰম পৰ্য্যায়টোৱে জীৱনৰ লক্ষ্য হব নোৱাৰে। ডাক্তৰ, ইঞ্জিনিয়াৰ হৈ সুখ স্বাচ্ছন্দৰে বিলাসী জীৱন কটোৱাকে আমি জীৱনৰ লক্ষ্য পূৰণ হোৱা বুলি দাবী কৰিব নোৱাৰো। যদিহে সমাজৰ প্ৰতি থকা দায়িত্ববোৰ আধ্যাত্মিক তথা নৈতিক গুনেৰে আপ্লুত হৈ নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰো। ভাগ্য বা ঈশ্বৰে আমাৰ লক্ষ্য নিৰ্ধাৰণ নকৰে। ৃপযুক্ত সময়ত আমিয়েই আমাৰ লক্ষ্য নিৰ্ধাৰক; আমিয়েই আমাৰ ভাগ্য লিখক। ছেক্সপীয়েৰৰ "জুলিয়াচ চিজাৰ" নাটক খনত "কেচিয়াছে" "ব্ৰুটাচক" কৈছিল- "Men at some times are masters of their fate". এই কথাকে সাৰোগত কৰি আমিও আমাৰ ভাগ্য আমাৰ লক্ষ্য অনুকূলে ৰচনা কৰা উচিত।

পৰিবৰ্তন সময় সাপেক্ষে। সময় পৰিবৰ্তনৰ লগে লগে সকলো বস্তুৰে এটা পৰিবৰ্তন আহিব ধৰিছে। লক্ষ্যৰ ক্ষেত্ৰটো আমি একে কথাকে কব পাৰো। আজি এনে এটা দিন যোৱা নাই যিদিনা নেকি বিজ্ঞানে আমাক কিবা নহয় কিবা এটা নতুন বস্তু উপহাৰ দিয়া নাই। বিজ্ঞানে আমাক সভ্যতাৰ চৰম পৰ্য্যায়লৈ লৈ গৈছে। কিন্তু আমি নিজকে সুধি চোৱাৰ সময় আহি পৰিছে- প্ৰকৃততে আমিবোৰ সভ্য হৈছো নে? নে সভ্যতাৰ মুখা পিন্ধা আমিবোৰ একো একোজন নতুন জীৱ? বিজ্ঞানৰ নতুন নতুন আবিস্কাৰ বোৰেই সভ্যতাৰ আহিলা হব নোৱাৰে। যদিহে ইয়াৰ ব্যৱহাৰৰ লক্ষ্য মানৱ সেৱাৰ প্ৰতিকূলে হয়।

অকল ধন সম্পদ আহৰণ কৰি ধণী সমাজত প্ৰতিষ্ঠা হোৱাটোও মানুহৰ লক্ষ্য হব নোৱাৰে। ধন সম্পদে মানুহক বৈষয়িক সুখ শান্তিহে দিব পাৰে। গতিকে ধন সম্পদ আহৰণৰ লক্ষ্যই মানুহক কেতিয়াও মানুহ হিচাপে সমাজত প্ৰতিষ্ঠা কৰাব নোৱাৰে। কিন্তু মানবতাৰ খাতিৰত ঠিৰাং কৰা লক্ষ্যই মানুহক মানুহ হিচাপে সমাজত অধিষ্ঠিত কৰাব পাৰে। উদাহৰণ স্বৰূপে আমি ডাক্তৰ সকলৰ কথাকে কব পাৰো। আজিকালি ডাক্তৰৰ অভাব নাই। কিন্তু সজ চৰিত্ৰবান তথা মানৱ সেৱাৰ মনোভাব লৈ চিকিৎসা কৰা ডাক্তৰৰ সংখ্যা তেনেই নগন্য। সেইজন ডাক্তৰেহে সমাজত ডাক্তৰ হিচাপে পৰিচিত হ'ব যিজনে মানুহৰ অন্তৰ জয় কৰিব পাৰে; মানুহৰ প্ৰতি সহানুভুতিশীল তথা কৰ্তব্যপৰায়ন। গতিকে আমি লক্ষ্য নিৰ্বাচন কৰিব লাগে যি লক্ষ্যই আমাক সমাজৰ তথা দেশৰ এজন দায়িত্বশীল নাগৰিক ৰূপে গঢ়ি তুলি সমাজত মানুহ হিচাপে জীয়াই থাকিবলৈ শিকায়। সৰ্বসাধৰণৰ অন্তৰ জয় কৰি তেওঁলোকৰ হৃদয়ত ৰেখাপাত কৰিব পৰাটোহে আমাৰ জীৱনৰ লক্ষ্য হ'ব লাগে। ইয়াৰ বাবে দৰকাৰ একাগ্ৰতাৰ; দৃঢ় মণৰ সংকল্প আৰু আত্মসমালোচনাত্মক মন তথা আত্মবিশ্লেষানাত্মক দৃষ্টিভংগী। সজ লক্ষ্যৰ প্ৰতি ধাবিত হবলৈ হ'লে জনৰ প্ৰয়োজন নাই, লাগে মাথো সাহস; ধৈৰ্য্য আৰু হৃদয়ত মানৱ প্ৰেম। কোৱাৰ প্ৰয়োজন নাই যে মানৱ প্ৰেমৰ লক্ষ্যই আজি মাদাৰ টেৰেচাক আমাৰ মাজত জীয়াই ৰাখিছে। মাদাৰ টেৰেচাৰ মানৱ প্ৰেমৰ কাহিনী ইতিহাসত সোনোৱালী আখৰেৰে খোদিত হৈ ৰিঙিয়াই ৰিঙিয়াই কৈ থাকিব আমাৰ জীৱনৰ লক্ষ্য।।

□□





# কবিতা

কবিতা

কবিতা

কবিতা

## ৰঙিয়া কলেজ, তুমি আৰু মই !

শ্ৰী বিভা ডেকা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

সপোন সুৰভি
দিঠকৰ পৰিধি
পায়েলৰ ঝংকাৰ তুমি,
ইটো সিটো বহুতু
গাঁথিছো জ্ঞানৰ লয়,
ৰঙিয়া কলেজ,
তুমি আৰু মই !!

অনুভৱৰ শেৱালী সিঁচি
দুখৰ চকুলো মচি
পোহৰৰ মেলা পাতো আজি,
সাহসেৰে আগুৱাই
নিপাত কৰিছো ভয়,
ৰঙিয়া কলেজ,
তুমি আৰু মই !!

প্ৰেমৰ পূজাৰী তুমি
জ্ঞানৰ ৰম্যভূমি
সাধনাৰ প্ৰেৰণা পৱন,
এন্ধাৰৰ ভেটি ভাঙি
সাজো আহা সওতাৰ আলয়
ৰঙিয়া কলেজ,
তুমি আৰু মই !!

## আহ্বান

শ্ৰী চন্দন শৰ্মা
স্নাতক তৃতীয় বৰ্ষ (কলা)

গাই যাৰ পাৰো মই আজি
পতাকা তলৰ গান
নিষ্কলুষ আত্মাৰ শান্তিৰ বাবে
দিব পাৰো কলিজাৰ ৰঙাটোপা দান;
মই প্ৰতিটো পদক্ষেপতে
হানি যাওঁ সত্য বান
সৃষ্টিৰ দৰবাৰত উজুটি খালেও
নাজাই মোৰ আত্ম সন্মান
যুগে যুগে চলি অহা ৰীতিৰে
তুমিও লোৱা মোৰ এটি অঙ্গদান
তেজস্বী প্ৰবাহিনী মন্দাকিনী
তুমিয়ে দিয়া মোৰ সংগদান
কৰিলো অংগীকাৰ আজি
তোমাৰ সত্যতে হব দেহাৱসান
অজয় অমৰ নহয় যুগৰ
নহয় ই ৰণাংগন
নহয় ই ৰম্যভূমি বণ্যভূমি
ভোকাতুৰ স্বতন্ত্ৰতা কামী
আত্মাৰ মুখত দিয়া অন্নদান
চকুৰ পতাৰে চকু ঢাকি
নকৰিবা নিজকে মলিয়ন
ধ্বংস যজ্ঞত ধ্বংস আহুতি
দিবলৈ নহবা বলীয়ান
প্ৰলয় যদিও সৃষ্টিৰ আদিতে
ই এটা আদৰ্শ ৰাৱণ
নিজৰ আভৰণ গুচাই
নেহেৰুৱাবা নিজৰ সন্মান।





## সপোনৰ গীত

চৈয়দ আফজাল হুছেইন
স্নাতক দ্বিতীয় বৰ্ষ

তোমাক দেখিছিলোঁ
সৌ সিদিনাখন
নৱাগত আদৰণি সভাত;
চিনাকী চিনাকী
লাগিছিল তোমাক
চকুৰ চাৱনিতে।।

আবেগ মোৰ
কঁপিছিল ঘনাই
তোমাৰ ৰূপতে,
প্ৰাণত মোৰ
জোৱাৰ উঠিছিল
তোমাৰ মিচিকীয়া হাঁহিতে।।

নয়নত মোৰ
বিজুলী খেলিছিল
তোমাৰ চাৱনিতে,
আলফুলকৈ আকিছিলো তোমাক
মোৰ হৃদয়তে।

## একবিংশ শতাব্দীৰ তেজেঢকা দুৱাৰ ...।

শ্ৰীলোহিত ৰাভা
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

পথিকৃত্ ......
উৰ্দ্ধতন মানৱে আজি
বাৰুদৰ কেঁচা ধোঁৱাৰে
তেজৰ ফুলজাৰি জ্বলাই,
ক্লেদাক্ত আভৰণ নাশি
নীলাকাশত ৰামধেনুৰ
সাতোটি ৰঙৰ সন্ধানত
উন্মোচন কৰিছে
একবিংশ শতাব্দীৰ
তেজে ঢকা দুৱাৰ।
হত্যা কি?
লুণ্ঠন কি?
ধৰ্ষণনো কি?
- সামাজিক ব্যাধি;
নে দিগ্বিজয়ী মানৱৰ
কলা-সংস্কৃতি?
নে শান্তি?
মৈত্ৰী?
প্ৰগতি?
ন-প্ৰজন্মৰ?

## হে শ্বহীদ

শ্রী অৰূপ জ্যোতি মহন্ত
স্নাতক প্ৰথম বৰ্ষ (কলা)

হে শ্বহীদ তোমালৈ
বৈপ্লবিক অভিনন্দন।
তোমাৰ দান
কলিজাৰ কেঁচা তেজক সহস্ৰ প্ৰণাম।

তুমি কলিজাৰ কেঁচা তেজেৰে
ফঙালী হে উদ্ধাৰিলা মাতৃভুমিক
ত্যাগিলা সুখৰ সংসাৰ
পিতা - মাতা সকলোকে

আৰু কত যে ৰঙীন সপোন।
মাথো মাতৃভুমি ৰক্ষাৰ বাবেই
দিলা জীৱন দান।

ধন্য তোমাৰ জীৱন
যুগে যুগে তুমি অমৰ।
শ্বহীদ প্ৰণামো তোমাক
তোমাৰ আত্মাক সশ্ৰদ্ধ
প্ৰণাম ।।

## ঠিকনা বিহীন তেওঁলৈ চিঠি এখন ...

শ্ৰী ৰামচৰণ ডেকা
স্নাতক প্ৰথম বৰ্ষ (কলা)

তেওঁলৈ চিঠি এখন লিখিব লাগিব!
বহুদিন তেওঁলৈ লিখা নাই একো একোটা শাৰী
মাজতে এদিন লগ পাইছিলোঁ তেওঁক
বাটৰ কাষত বৈ বহুকথা পাতিছিলোঁ
তাৰপিছত কাষৰ ৰেষ্টুৰাত সোমাই চাহ খাইছিলোঁ
চিঠি এখন লিখিম বুলি কৈছিলোঁ

এৰা এৰি হোৱাৰ পৰত তেওঁৰ ঠিকনা লোৱা নহ'ল
তেওঁলৈ চিঠি এখন লাগিব।
কিন্তু ঠিকনা?

তেওঁলৈ চিঠি এখন লিখিম।
আৰু ঠিকনা নিদিয়াকৈ পোষ্ট কৰি দিম
তেওঁ পালে পাব নাপালে নাই
আকৌ ক'ৰবাত লগ পালে সুধিম
মোৰ চিঠিখন তেওঁ পালেনে
যিখন মই ঠিকনা নিদিয়াকৈ পোষ্ট কৰিছিলোঁ।





## গোলাপতে কেক্‌টাছ

মামনি কলিতা
স্নাতক তৃতীয় বৰ্ষ (কলা)

পদুলী মুখৰ
তুমি ৰোৱা গোলাপজুপিয়ে,
বহু বিৰতিৰ মূৰত
কুমলীয়া ৰঙচুৰা পাহি মেলিলে।
বহু আশাৰে ৰোৱা
গোলাপজুপিত ........
পাহি মেলিলে ........
টিকটিকীয়া ৰঙা গোলাপে নহয়,
"বিবেকৰ" স্পৰ্শত
নিখুঁত জোঙা কাঁইটবোৰে
"বৰ বিষ" কাঁইটবোৰৰ ..........
তোমাক বাৰু কেতিয়াবা
কেকটাছ হৈ জন্মা
গোলাপজুপিৰ
"মৰমৰ মুখা" পিন্ধা
কাঁইটবোৰে বিন্ধিছেনে ?
ৰুইছিল "উকা নয়নে"
আজি দৃষ্টিত তোমাৰ
এলান্ধু পৰিল ।
সেয়ে, নুচুলেও হাতেৰে
এবাৰ চাই যাবা
কাঁইটবোৰৰ বাহুত মই আবদ্ধ ।
পাৰা যদি পুলিটো
গুৰিতে কাটি দিবা
আৰু নোৱাৰিলে.............. ।।

## দুঃ সময়

মিচ্ মল্লিকা দাস
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

এতিয়া,
দেশে দেশে
আকাশে বতাহে কেৱল
বাৰুদৰ গোন্ধ, পোৰা মঙহৰ গোন্ধ ভাঁহে।
মানুহ অমানুহ হয়
মানৱতা কেনি হেৰাল বাৰু,
পথে পথে ভাঁহে মাথো
মানুহৰ ৰঙা ৰঙা তেজ।
এতিয়া দেখোন
সময় অসময় কিম্বা দুঃ সময়
ঠগ, ঠগবাজিৰ
উন্মত্ত মহামেলা।
মানুহৰ মাজত কেৱল
নৰ হত্যাৰ নৰ নৰ আঁচনি।
চৌদিশে মাথো ভাঁহি যায়
অসহায় মানুহৰ কান্দোনৰ ধ্বনি,
এতিয়া সময় অসময় দুঃসময়
চৌদিশে মানৱতাৰ অৱক্ষয়।
মানুহ অমানুহ হয়।
অমানুহে হত্যা কৰে মানুহক
এতিয়া সময় অসময় কিম্বা দুঃসময়।।

# চকুলো

শ্ৰীবিপুল শৰ্মা
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

আস কি যে বেদনা,
হৃদয়ত প্ৰেমৰ দুৱাৰ খন খুলি
আকোৱালি নোলোৱা জানো মোক,
আজীৱন তোমাৰ হৃদয়ত।
তুমিটো এবাৰ বুজিব পাৰিলাহেতেন
মোৰ প্ৰেমৰ পবিত্ৰতা,
মোৰোতো এখন হৃদয় আছিল
যত আছিল মৰম, স্নেহ ভাল পোৱা।
কিয় তুমি নুবুজিলা মোৰ মনৰ বেদনা?
তুমি জানানে?
অসহনীয় বেদনাত জ্বলে মোৰ হৃদয়।
পথ নেদেখা ধূলি ধূসৰিত জীৱনে
উচুপে হৃদয়ৰ এটি অখ্যাত কোনত।
উদাসিন মোৰ জীৱন।
মোৰ অৱস্থা দেখি তুমি হয়তো উপহাস কৰিবা।
তুমি জানো মোৰ জীৱনলৈ নেযাছা অফুৰন্ত প্ৰেৰণা
জীৱনক সুন্দৰকৈ সজোৱাৰ দুৰন্ত বাসনা।
এবাৰ মাথো মোৰ বুকুত ছটিয়াই দিয়া
তোমাৰ হৃদয়ৰ পবিত্ৰ প্ৰেম।

# কাৰোবাৰ মৰম

চৈয়দ ইনামুল আজম
স্নাতক তৃতীয় বৰ্ষ (কলা)

মৰম মৰম বিছাৰি
খালো হাবাথুৰি
নাপালো আচল মৰম।
দুদিন মান মৰম কৰি
পলকতে থেকেচি দিয়া
এয়া হ'ল মানৱ ধৰম।
মনৰ মানুহ নাপালো বিছাৰি
মাথো পাওঁ দুদিনৰ বাবে
ভাবো পালো বুলি, লওঁ মই আকোৱালি
হুলকেই ফুল বুলি
হুলেই যিদিনা বুকুত বিন্ধে
সিদিনাহে সাৰ পাওঁ মই
মোৰ ভূল হ'ল বুলি।





# বন্যান্তৰালত

দ্বীপজ্যোতি কলিতা
স্নাতক তৃতীয় বৰ্ষ

প্ৰেমৰ অন্তৰালত
ভাঁহি আহে বন্যা
অশ্ৰুবন্যা.........।
সাগৰত এৰি দিয়া
বিশাল জাহাজৰ
প্ৰকাণ্ড ভয়ানক ধ্বনি
ছোঃ......ছোঃ......ছোঃ।
মোৰ জাহাজৰ হাঁহাকাৰ
অৱশেষত...........
ডুবিছিল............পানীত,
ভাগিছিল...........জাহাজ।
সাতুৰিছিলো মই
জীৱন অনুপ'লৈৰে
পাৰলৈ বুলি।

নাই...........!
নীলা তিমিটোৰ প্ৰকাণ্ড মুখখনি
আৰু তাৰ শ্বাসত
সোমাই গৈছিলো মই
তাৰ পেটৰ মাজত
ক্লান্ত শৰীৰেৰে
নিৰৱছিন্ন বধী।
কিন্তু......?
তাৰ আগমুহূৰ্ত্তত
ৰিনিকি ৰিনিকি মাথো
দেখিছিলো
পশ্চিমীয়া ৰহণৰ বোল
তাইৰ সত্তাটোত
পিচত........
শেষ উশাহ লৈছিলো
গভীৰ সাগৰৰ মাজত।

# চিন্তাৰ চাকনৈয়া

শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মা
মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ।

চৌদিশে দাবানল
জ্বলিছে অনল,
অহৰ্নিশে;
ভু-লুণ্ঠিত আজি মানৱতা
এয়া একবিংশ শতিকাৰ প্ৰাৰম্ভণ নে?
চিন্তাৰ চাকনৈয়াত
হেৰাই যাব খোজে জীৱনৰ বাট
এৰা স্মৃতি সুঁতিয়ে
আমনি কৰে অসৰ্তক ক্ষনবোৰত
হত্যা লীলাৰ বাতৰিয়ে জনায়
সুপ্ৰভাত,
প্ৰাত-সন্ধাই, অবিৰত প্ৰতিদিন।
কিয় বাৰু কিয়?
জীৱ বৃত্তিৰ তাড়নাত, বিবেকহীন-জ্ঞানশূন্য
জীৱ সংখ্যাকে চলায় বিভীষিকাৰ পিছত বিভীষিকা;
অত্যাচাৰ, উৎপীড়ন, কাপুৰুষালি কদৰ্য্যতা
তুলাচনীৰে কিমান জুখিবা পাপৰ বোজা?
বিশ্ব শান্তি নে যুদ্ধ,- অৰ্ন্তদ্বন্দ্বেৰে জৰ্জৰিত
আজিৰ মানব;
হিংসা নে অহিংসা? অজস্ৰ প্ৰশ্ন?
উত্তৰ........ নিৰাশাৰ পিছৰ আশা আৰু চক্ৰবৎ।
অন্যথাই আশা নিৰাশাৰ অন্তত গীতাৰ
স্থিত প্ৰজ্ঞতা।

"সুন্দৰে যে ফুলাৰ মন্ত্ৰৰে" দীক্ষিত অগনন শিশু যুৱক
আজি দিশহাৰা,
ঘাটে ঘাটে বিজুতি, থৰ-কাচুতি
আকৌ শামুকীয়া গতি..........
জন্ম চৰ্ত্ত কবৰস্থ
গনতান্ত্ৰিক দেশত গনতন্ত্ৰৰ বাবেই
আকৌ আন্দোলন।
স্বাৰ্থপৰ মানুহৰ নিলাজ স্বাৰ্থপৰতা
বুজিব নোৱাৰা, নোখোজা সাঁথৰ।
চতুৰ ফোঁপোলা ৰাজনৈতিক নেতাৰ
দেশ ৰক্ষাৰ পাঠৰ অনুশীলন,
হিতোপদেশ ভুৱা দেশ প্ৰেমিকৰ।
হাস্যাস্পদ।
বন্ধু সাৰে থাকা......
মাতৃ হত্যা হব পাৰে, হত্যা হব প্ৰমূল্যবোধ,
বৃত্তিৰ ভিতৰৰ বৃত্ত
অভিমান্যুবোৰ নিহত হব চক্ৰবেহ্যত।
এন্ধাৰ, এন্ধাৰ এন্ধাৰ ফালি এচেৰেঙা পোহৰ
জোনাকী পৰুৱাৰ বিন্দু পোহৰ
হয়তোবা সিন্ধুত প্ৰকাশ,
প্ৰচেষ্টা মহা মানবৰ
অনুচ্চৰ জীৱন প্ৰক্ৰিয়া কলঢোপ কলঢোপ;
জীয়াই থকাৰ তীব্ৰ বাসনাৰে.......
জীৱন যুদ্ধ চলে আহ্নিক গতিটোৰ দৰে।





# মই কোন

শ্ৰী আশীষ চক্ৰৱৰ্ত্তী
স্নাতক প্ৰথম বৰ্ষ (কলা)

মই কোন ?
কোন মই ?
চিনি পাওঁনে মই নিজে নিজক?
দিব পাৰিম জানো মই নিজৰ পৰিচয় ?

এই ঘৰখন,
যিখনত মই ভূমিষ্ট হৈছিলো
মোৰ অতিকৈ আপোন অতি চেনেহৰ
পিতৃৰ ঔৰষত মাতৃৰ গৰ্ভত

হয়নে এইখনে মোৰ
প্ৰকৃত ঘৰ?
তেন্তে কিয়?
কিয় মই যাব লাগিব এদিন
অইন এখন জগতলৈ,
অইন এখন ঘৰলৈ,
চিৰদিনলৈ।

ক'ত সেই জগত?
ক'ত সেই ঘৰ।
দিব পাৰিবনে কোনোবাই
এই প্ৰশ্নৰ উত্তৰ?
আছে জানো কাৰো সাধ্য?
যিটো প্ৰশ্নৰ উত্তৰ বিচাৰি মই
হাবাথুৰি খাই ফুৰিছো।।

# প্ৰাণ প্ৰেয়সী

ওচমান গনী
অধ্যাপক

দিল দৰিয়াৰ নিভৃত কোণত
তুমি মোৰ সুভাগিনী,
জোনালীৰ সুষমা কান্তিত
তুমি মোৰ পৰাণ-মণি।
মঙ্গল দায়িনী, মন-মোহিনী মোৰ
নিৰিবিলিৰ মানসী প্ৰিয়া,
দুখ-হৰিণী, শান্তি-দায়িনী
তুমি মোৰ চিৰ লগৰী।
জীৱন যুঁজৰ অজেয় অস্ত্ৰ
তোমাক সুঁৱৰি পাওঁ ;
তোমাৰ নামত বিঘিনি আঁতৰাই
জিনি জিনি আগুৱাই যাওঁ।
তৰালিৰ তিৰবিৰণিত মই
নিজকে লুকাওঁ,
এন্ধাৰতো তোমাৰ ছাঁত
নিতে আশ্ৰয় লওঁ।
কোন কুঁৱৰী কোন মৰমী
তুমি মোৰ,
আৰছ নিবাসী নে তুমি মৰ্ত্যবাসী
তাকেহে ভাবি মই বিভোৰ।

# শূন্যতা

মানসী কলিতা
স্নাতক দ্বিতীয় বৰ্ষ।

জীৱন গছজোপাই পুণৰ প্ৰান পাইছিল।
শুকাই যোৱা পাতবোৰ
মৰহি যোৱা কলিবোৰ
পুণৰ প্ৰান পাই মিচিকি হাঁহিছিল
তুমি অহা বাবে....
তুমি অহাৰ পৰাত......
তুমি অহাৰ পথত........।।
কিন্তু এতিয়া
সেয়া মাঁথো সোৱৰণি।
সেই একে গছজোপা
শীতৰ নিসংগ ৰাতি
ঠেৰেঙা লাগি থিয় দি আছে।
তলত শুকান পাতবোৰ.........
যেন চকুলো টুকিছে।
লঠঙা ডালবোৰে আকাশৰ ফালে চাই আছে,
হয়তো
তৰাৰ মাজত তোমাকেই বিচাৰিছে।।

# মই কি খাও?

ৰাজীৱ মহন্ত

চব খাব পাৰো মই, একো যে বেমাৰ নাই,
যি দিয়া তাকেই খাম, একোৰে বিচাৰ নাই
কেৱল নিদিবা চেনী, ডায়েবেটিচ আছে মোৰ
আৰু যে নোৱাৰো খাব চেনীৰ মিঠাইবোৰ
তেঙাৰ জোল যদি খাবলৈ নোৱাৰো মই,
গেষ্টিক বেমাৰলৈ কৰো যে বৰকৈ ভয়।
ঠাণ্ডাও নোৱাৰো খাব, দিঙিত টনছিল আছে,
জলকীয়া খালে মোৰ বাৰুকৈয়ে পেট পোৰে।
ডাক্তৰৰ পৰা মোৰ চবজি খোৱাত মানা আছে,
উৰহিও নোৱাৰো খাব, কুকুৰে কামুৰি থৈছে।
জণ্ডিচ আছে বাবে ভজা পোৰা এৰি দিলো
মাছ মাংস এৰি মই নিৰামিষ ভোজী হলো।
ফল মুল খালে মোৰ পেটৰ অসুখ হয়,
ফল মুল খাবলৈ সেয়ে মোৰ লাগে ভয়।
ঘি, দৈ, ক্ৰীম খালে এলাৰ্জি উঠে মোৰ,
সেয়েহে বাদেই দিছো আজিকালি সেইবোৰ।
কি খাব পৰা যায়, ডাক্তৰক সুধিলো মই
সেউজীয়া শাকত বোলে নাইযে একোৰে ভয়।
ঘৰত যে সেউজীয়া শাকৰ গোন্ধেই নাই,
সেয়ে মই হিয়া জুৰাও মিঠা পত্তি পান খাই।



বঙিয়া মহাবিদ্যালয় আলোচনী

# গল্প

# শৰতৰ শেৱালী

বিজয় শংকৰ দাস
স্নাতক প্ৰথম বৰ্ষ

ৰাতি পুৱাই পলাশে ব্ৰাচডালত টুথপেষ্ট অকণমান লগাই নদীৰ ফালে ওলাই গ'ল। তাৰ আজি মনটো সিমান ভাল নহয়। কাৰণ তাৰদেউতাকে তাৰ ইচ্ছাৰ বিৰুদ্ধে গৈছে। দেউতাকৰ ইচ্ছা সি যিহেতু মেট্ৰিকত তিনিটা বিষয়ত লেটাৰ সহ ষ্টাৰ মাৰ্ক পাইছে গতিকে সি গুৱাহাটীৰ এখন ভাল কলেজত পঢ়ক। এজন ডাক্তৰ হৈ আহি গাওঁৰ দুখীয়া মানুহ খিনিক সহায়ৰ হাত আগ বঢ়াওক। কিন্তু তাৰ মনে বিচাৰিছিল ক'লা বিষয়ত পঢ়ি অসমীয়া বিশ্বৰ দৰবাৰত থিয় কৰাবলৈ। সি বিচাৰিছিল গাওঁৰ সৰু সৰু মানুহৰ অভিব্যক্তিবোৰ সমাজত দাঙি ধৰিবলৈ। গাওঁৰ নিচলা মানুহৰ সুখ - দুখৰ মনৰ কথাবোৰ সভ্য সমাজৰ দৃষ্টি গোচৰ কৰিবলৈ। কিন্তু আজি সি সপোন দেখিবলৈ এৰিলে। কাৰণ সি দেউতাকৰ বিৰুদ্ধেও যাব নোৱাৰে। এটা বিষাক্ত অক্তোপাছৰ দৰে তাক নিঃশেষ কৰি দিব খোজে দেউতাকে।

সি কেতিয়া নদীৰ পাৰ পালে কবই নোৱাৰিলে। ঝাওবনৰ মুৰা এটাত উজুতি খোৱাতহে সি বাস্তৱলৈ ঘুৰি আহিল। শিলটোৰ ওপৰত ব্ৰাচডাল থৈ দুয়োখন হাতেৰে চকু দুটাত পানী চটিয়াই পাৰলৈ উঠি আহিল। এবাৰ সিপাৰলৈ চাই পঠিয়ালে। মনটো আজি তাৰ বৰ উদাস। এই চিনাকী নৈ খন এৰি যাবলৈ সি আজি অপৰাগ। এই নৈখনৰ পাৰত বহি এদিন সি সাহিত্য, কবিতা সৃষ্টিৰ সপোন দেখিছিল। কথা বিলাক মনতে পাগুলিয়াই পাগুলিয়াই ঘৰলৈ উভতিছিল।

মাকে দুটা ডাঙৰ বেগত তাৰ যাবতীয় বস্তু বিলাক ভৰাই আৰু কিবা ভৰাবলৈ বৈ গ'ল নে ইফালে সিফালে দৌৰা-দৌৰিকৈ চাইছে। ঠিক আঠ বজাৰ লগে লগে বাছখন সিহঁতৰ পদুলিৰ মুখ পাবহি। সি ল'ৰা-লৰিকৈ ভাত দুটামান নাকে মুখে গুজি গাওঁৰ ফালে ওলাই গ'ল।

শেৱালীহতঁৰ পদুলি মুখত বৈ গ'ল সি। শেৱালী তাৰ লগতে একেলগে পঢ়া। এখোজ-দুখোজকৈ সি চোতাল পালেগৈ। শেৱালীয়ে ওচৰৰ পুখুৰীৰ পাৰতে বাচনবোৰ এৰি দৌৰি আহিল। ওচৰতে থকা চকীখন গামোচা এখনৰে মচি তাক বহিব দিলে।

সি বহো নবহোকৈ চকীখনত বহিল। হাতত থকা গামোচা খনেৰে হাত দুখন মচি মচি তাই সুধিলে -

ঃ পলাশদা তুমি বোলে আজি যাবগৈ?

ঃ অ, .... যাম।

ঃ কিয় যোৱা? তুমিয়েটো কৈছিলা ......।

ঃ অ পলাশ বোপা দেখোন। কেতিয়া আহিলা? শেৱালীয়ে মাকৰ মাত শুনি কব লগাখিনি আধাতে এৰিলে।

ঃ অকণমান পলম হ'ল খুড়ীদেউ, আজি গুৱাহাটীলৈ যাম গৈ। বহুদিন আহিব নোৱাৰিম, ভাবিলো মাত এবাৰ লগাই যাওঁ।

ঃ ভালেই কৰিলা বোপা। ঈশ্বৰে তোমাক মঙ্গল কৰক।

ঃ বোপা তুমি অকণমান বহা মই চাহ কৰোগৈ। শেৱালীৰ মাক ৰান্ধনী ঘৰত চাহ বনাবলৈ গ'ল। শেৱালী তেতিয়াও নিমাত হৈ তাৰ কাষতে থিয়হৈ থাকিল। কঁপা কপাঁ মাতেৰে কোনো মতে তাই ক'লে-

ঃ পলাশদা গুৱাহাটীলৈ গৈ আমালৈ পাহৰি নোযোৱাতো?

ঃ ধেৎ আকৰী, এইবোৰ কি বলকিছ। এই গাৱঁখন, এই নৈখন আৰু এই শেৱালী জুপীক জানোঁ কেতিয়াবা পাহৰিব পাৰিম।

অজানিতে তাইৰ দুচকুৰে দুধাৰি তপত চকুলো বাগৰি আহি তাইৰ কোমল ওঠ জুৰি স্পৰ্শ কৰিলে। এই চকুলোৰে তাই তাক বুজাব খুজিছিল তালৈ তাইৰ কিমান মৰম কিমান স্নেহ। চকুলোৰেই অংকুৰিত হৈছিল তাইৰ অকৃত্ৰিম ভাল পোৱাৰ উদ্ধম। কিন্তু মনৰ কথাবোৰ তাই খুলি কব পৰা নাছিল। সিয়ো মাথো বুজিছিল- এই পৃথিৱীত তাক বুকুভৰাই মৰম কৰিবলৈ আৰু এজনী আছে।

চাহ খাই সি যাবলৈ ওলাল। শেৱালীৰ মাকক মাত লগায় সি পদুলি মুখলৈ ওলাই আহিল। পিছে পিছে শেৱালীও আহি পদুলী মুৰৰ শিলিখা ডালত ধৰি থিয় হৈ ৰ'ল।

ঃ শেৱালী ..... যাওঁগৈ।

ঃ যোৱাগৈ আমালৈ পাহৰি নাযাবা চিঠি পত্ৰ দি থাকিবা। মই নাপাহৰো শেৱালী। মাথো তুমিহে মনত ৰাখিবা কথাখিনি কৈ পলাশ লাহে লাহে আঁতৰি গ'ল। শলখা ডালত ধৰি শেৱালীয়ে চকুৰ আতঁৰ নোহোৱালৈ পলাশলৈ চাই ৰ'ল।

ঠিক আঠ বজাৰ লগে লগে বাছখন আহি পলাশহঁতৰ পদুলি মুখ পালেহি। পলাশহঁত আগৰে পৰা বাছলৈ অপেক্ষা কৰি তাত থিয় হৈ আছিল। মাজৰ দুটা খালি চিটত পলাশ আৰু তাৰ দেউতাক বহিল। খিৰিকিৰে মুৰটো উলিয়াই সি এবাৰ তাৰ মৰমৰ ঘৰখন চাই ললে। ঘৰৰ সকলোৱে হাত জোকাৰি জোকাৰি তাক বিদায় দিলে, সি কেৱল অপলক দৃষ্টিৰে চাই ৰ'ল আটাইলৈ।

বাছখনে সিহঁতৰ গাওঁখন এৰি বহু দূৰ আগবাঢ়ি গ'ল। পলাশে খিৰিকিৰ পৰা মুৰটো ভিতৰলৈ সোমাই নিলে। তেতিয়া তাৰ দৃষ্টিয়ে ঢুকি পোৱা নাছিল মৰমৰ গাওঁখন। নৈৰ পাৰৰ বিৰিণাপাতৰ জিৰ জিৰ শব্দটি। ঢুকি পোৱা নাছিল। তাৰ বুকুৰ আপোন শেৱালীৰ ছবিখন।

বাছত সি শেৱালীৰ কথাকে ভাবি গৈ থাকিল। তালৈ তাইৰ ইমান মৰমনে? অথচ মুখখুলি এবাৰ কথাও নকয় ভালকৈ। আন দহজনী ছোৱালীতকৈ দেখাত ধুনীয়া নহলেও তাইৰ এটা ব্যক্তিগতগুণ আছে আৰু সেইবাবেই সি তাইক ভাল পায়। ছোৱালীজনীৰ শান্ত, অমায়িক স্বভাৱে তাক পাগল কৰি তুলিছিল। কথাবোৰ মনতে পাগুলিয়াই আছিল সি। কণ্ডাক্তৰে ভাড়াতো দিব দাদা বুলি কোৱাতহে কল্পনাৰ ৰাজ্যৰ পৰা উভতি আহিল। দেউতাকে এশটকীয়া নোট এখন ওপৰৰ পকেতৰ পৰা উলিয়াই দিলে। নিৰ্দ্ধাৰিত ভাড়াখিনি ৰাখি কণ্ডাক্তৰজনে বাকীখিনি ঘুৰাই দিলে।

দেউতাকে দুই এটা সাধাৰণ কথাৰ বাহিৰে

তাক সিমান আমনি কৰা নাছিল। দেউতাকেও বুজিছিল তাৰ মনৰ ভিতৰত খুদুৱনিৰ কথা।

পুনৰ শেৱালীৰ কথাকে ভাৱি আছিল সি। তালৈ তাইৰ কিমান মৰম কিমান অভিমান তাইৰ চকুৰ পৰা ওলোৱা চকুপানীত স্পষ্টভাবে দেখা পাইছিল। হয়তো তাইৰ মনৰ কথাবোৰ চকুপানী হৈ ওলাই আহিছিল। সি কিন্তু তাইক বুজাত ভুল কৰা নাছিল। তাইৰ মনৰ কথাবোৰ সি গভীৰভাবে অধ্যায়ন কৰিব পাৰিছিল। মনতে সি স্থিৰ কৰিছিল - কলেজৰ দীঘলীয়া বন্ধ পালে এইবাৰ কেইদিনমান থকাকৈ আহিব আৰু তাৰ মনৰ কথা তাইক হিয়া উজাৰি কব। সেই মধুৰ দিনটোলৈ সি অধিক আগ্ৰহেৰে বাট চাব।

অপেক্ষাৰ দিনবোৰ সদায় কষ্টকৰ। তথাপিও সি অপেক্ষা কৰিব। কিবা এটা পাবলৈ কিবা এটা ত্যাগ কৰিবই লাগিব। সিয়ো শেৱালীক পাবলৈ অপেক্ষা কৰিব। তাৰ বাবেও হয়তো অপেক্ষাৰ এটা দিনেই এবছৰৰ সমান হ'ব। হলেও হওঁক। সি মাথো বিচাৰে শেৱালীক।

জালুকবাৰীত বাছখনে ব্ৰেগ মৰাত আকৌ সি বাস্তৱলৈ ঘুৰি আহিল। আদাবাৰী বাচষ্টেণ্ড পাবলৈ আৰু অলপ বাকী। তাৰ পৰা সিহঁতে বাছ সলনি কৰি চিটি বাছত যাব লাগিব সিহঁতৰ গন্তব্য স্থানলৈ।

বাছখনে নিৰ্দ্দিষ্ট স্থান পাবলৈ পাঁচ চেকেণ্ড মান সময় আছিল। এনেতে বাছখনে আকাশ কপোৱা এটা বিৰাট শব্দ কৰি চাৰি-পাঁচ মিটাৰমান দূৰত চিটিকি পৰিল। কোনোবা সংগঠনে চৰকাৰৰ ওচৰত প্ৰতিশোধ লোৱাৰ বাবে এৰি থৈ যোৱা বোমাটো বিস্ফোৰিত হৈ গাড়ীৰ মানু হবোৰৰ হাত ভৰিবোৰ বহু দুৰত চিটিকি পৰিল। মানুহৰ কেচা তেজৰ গোন্ধ আৰু মৰণ কাতৰ আৰ্ত্তনাদে ঠাইখন ক্ৰমান্বয়ে কৰুণ হৈ উঠিল। বহুজনৰ মনৰ কল্পনা নিমিসতে ধুলিস্যাৎ হৈ গ'ল। সেই অভিশপ্ত বাছখনৰ সতে সেই বহুজনৰ মাজত পলাশ আৰু তাৰ দেউতাকো হেৰায় গ'ল চিৰদিনৰ বাবে।

খবৰটো শুনি ফেকুৰি উঠিল শেৱালী। তাইৰ দুচকুৰে নিগৰি অহা চকুলোখিনি তাই বাধা নেদিলে। তাই বিচাৰে ই বৈ থাকক আজীৱন যেন এখন শাওঁনৰ দোকোলটোকা নৈ।

□□□





চুটিগল্প

# "অশান্ত আত্মাৰ হাঁহি"

চাৰ্জিনা বেগম
স্নাতক তৃতীয় বৰ্ষ

"আইলৈ যেতিয়া মনত পৰে, দুগালে দুধাৰি তপত চকুলো নিগৰি পৰে" এই গানটো গুণগুনাই অশান্ত মনেৰে অকলশৰীয়া কোথাটোত বহি থকা ৰ'জলীনাই নিগৰি অহা তপত চকুলো দুধাৰী লাহে লাহে মচি পেলালে। ঘৰলৈ বহুদিন যোৱা নাই, মনটো সুদুৰ গাওঁখনিলৈ উৰা মাৰি থাকে, মাজে সময়ে নিজেওঁ এক অপৰাধবোধও ভুগো, কিয় মই ঘৰখনক এৰি আজি ইমান দুৰত আছো। এনেদৰে ভাবে ৰ'জলীনাই। চাকৰিসূত্ৰে অসমৰ ছোৱালী ৰ'জলীনা চৌধুৰী আজি দিল্লীত থাকিব লগা হৈছে। ঘৰৰ সকলোৰে মৰমৰ আলসুৱা লীনাক সকলোৱে সৰুতে জোকাই জোকাই ব্যতিব্যস্ত কৰি তুলিছিল, ঘৰৰ সকলোৰে পৰা এনেদৰে যে আতৰত থাকিব পাৰিব লীনাই নিজেওঁ ভাবিব পৰা নাছিল। কিন্তু সময়ে সকলো পৰিস্থিতি সলনি কৰিবলৈ বাধ্য হ'ল। গুৱাহাটীৰ বি. বৰুৱা কলেজৰ পৰা বি.এ. পাছ কৰি লীনাই পুণালৈ গৈ তাতেই স্নাতকোত্তৰ ডিগ্ৰী লয়। তাৰপিছতেই চাকৰি এটা পাই লীনা দিল্লীত থাকি গ'ল। তাই সদায় মনতে ভাবি আছিল তাইৰ মানসিক অন্তৰ্দ্বন্দ্বৰ তীব্ৰ ধুমুহাজাকৰ গতি আনে নাজানোতেই যাতে ঘৰৰ পৰা আতৰি যাব পাৰে তাৰ কাৰণে লীনাই সদায় চেষ্টা কৰিছিল। নিজৰ অন্তৰত জ্বলি থকা জুইকুৰাৰ উমান দি ঘৰখনৰ প্ৰত্যকৰে অন্তৰত যন্ত্ৰনা দিয়াৰ ইচ্ছা বা আগ্ৰহ দুয়োটাই লীনাৰ নাছিল। যাক দেউতাকলৈ প্ৰতিদিনে টেলিফোন কৰি যান্ত্ৰিক সম্পৰ্ক ৰখা লীনাই আজি মানসিক ভাবে ভাগি পৰিছে। আবেগে হেচা মাৰি ধৰাত লীনাই আজি উপাইহীন হৈ তাইক সুদৃশ্য ফ্লেটৰ অকলশৰীয়া বিচনাখনত বাগৰি পৰি গাৰুটো বুকুত সাৱতি ধৰি হুক হুকাই কান্দিব ধৰিলে। কাহানিও দুৰ্বল নোহোৱা লীনাই আজি ধাৰা সাৰে চকুলো বোৱাব ধৰিলে। নিজৰ ওপৰতে খং উঠিল, কিয় এনেদৰে তাই নিজক কষ্ট দিব ধৰিছে। এলবামৰ পাত লুটিয়াই পুৰণা স্মৃতিৰ পৰ্দাৰ ফালে ভুমুকি মাৰোতেই হঠাৎ সিহতে কলেজত পঢ়োতে তোলা গ্ৰুপ ফটো এটাত চকু পৰাত লগে লগে লীনাই এলবামটো সজোৰে জপাই ফেকুৰি উঠিল।

এনে সময়তে কলিং বেলটো সজোৰে বাজি উঠিল। একেৰাহে বেলটো তিনিবাৰ বজাত চকুলোখিনি মচি উঠি এলাহ স্বত্তেও লীনা উঠি গৈ দুৱাৰ খন খুলি দিয়েই চিঞৰি উঠিল - আৰে বিকাশ! ক'ত আছিলা ইমান দিন? খবৰ এটাকে

লোৱা নাই। এইবোৰৰ একো উত্তৰ নিদি বিকাশে লীনাৰ চকুৰফালে চাই কলে - ৰ'জি বহিবলৈ নোকোৱা? লীনাই লগে লগে কলে, অ'হ চৰি বিকাশ ভিতৰলৈ আহা, মই আচলতে পাহৰিয়েই আছিলো, ইস্ ময়ো যে আৰু ......., হব হব, লীনাৰ কথাষাৰ শেষ কৰিব নিদি বিকাশে কলে - কি হ'ল লীনা, অফিচলৈও যোৱা নাই, ঘৰতে কি কৰি আছা। দেখাততো অসুখ যেন নেলাগে। ফোন কৰিলেওঁ নাপাওঁ, মইলো ভয়েই খাই গৈছিলো অসুখ হোৱা বুলি, ভালে আছাতো? একেলগে ইমানখিনি কথা কোৱা বিকাশৰ ফালে চাই লীনাই হাঁহি হাঁহি কলে, হব দৰদী বন্ধু, আগতে ৰুমালখন উলিয়াই কপালৰ ঘাম খিনি মচি লোৱা। ইমানদিনে খবৰ নাই আজি আহি কথা যেন শেষ নহবই, তুমি বহা মই চাহ কৰো। বিকাশৰ ফালে চাই লীনাই মিচিকিয়া হাঁহি এটা মাৰি কিচ্চনলৈ গ'ল। বিকাশক দেখিয়েই মনৰ জড়তা আতৰাই এটা নতুন আৱৰণৰ সৃষ্টি কৰিব লগা হোৱাত লীনাই নিজে আচৰিত হ'ল আৰু বিষাদৰ হাঁহি এটা মাৰি নিজকে নিজে ক'লে পৰিস্থিতিয়ে যে মানুহক কি কৰিব বাধ্য নকৰাই। এতিয়াই হিয়াৰ দুখ উজাৰি কান্দি থাকোতেই অহা বিকাশক দেখুৱাবলৈ আনন্দিত হোৱাত লীনাই নিজকে বুজি নাপালে। তাই ভাবিলে, বিকাশৰ দৰে প্ৰকৃত বন্ধু এজন নহলে আৰু মৰম যত্ন নহলে ইয়াত এনেদৰে অকলশৰে থকাতো সম্ভৱপৰ হ'লহেতেননে? লীনাই চক খাই উঠিল, কিযে কথাবোৰ তাই ভাবি আছে, ইফালে বিকাশে চিঞৰি আছে, লীনা চাহ লৈ আহা। লৰালৰিকৈ চাহখিনি খাই বিকাশৰ অনুৰোধত লীনাই ফুৰিবলৈ যাবৰ কাৰণে সাজি-কাচি ওলাল। মুখত সুন্দৰ স্নিগ্ধ হাঁহি এটা লৈ ঢকঢকীয়া বগা চুৰিদাৰ এযোৰ পিন্ধি অহা লীনাৰ ফালে বিকাশে হুমুনিয়াহ এটা কাঢ়িলে, অনবৰতে হাঁহি চটফটাই ফুৰা এইজনী ছোৱালীয়েই যে অন্তৰত দুখৰ কঠিন বোজা এটা কঢ়িয়াই লৈ ফুৰিছে কোনোৱাই হৃদয়ঙ্গম কৰিব পাৰিব! বিকাশ থিয়হৈ থকা দেখি লীনাই তেওঁৰ গাটো জোকাৰি দিলে, হেই বিকাশ, কি হ'ল নোযোৱা নেকি? বলা লীনা, বুলি কৈ বিকাশে কাৰখন ষ্টাৰ্ট কৰিলে। সিহঁতৰ কাৰখন নতুন দিল্লীত মসৃন ৰাজপথেদি আগ বাঢ়িল। এনে সময়তে ৰ'জীনাই অদ্ভুদ এটা মাদকতা অনুভৱ কৰিলে। সিহঁত গৈ সুন্দৰ পাৰ্ক এখনৰ কাষত কাৰখন ৰখালে। সন্ধিয়াৰ জাকজমকতা পূৰ্ণ পাৰ্ক মাজৰ খালি নিৰল বেঞ্চ এখনত দুয়ো বহি পৰিল। বহিয়েই বিকাশে চিগাৰেট এটা জ্বলাই গম্ভীৰ হৈ পৰিল। লীনাই কলে, হুঠাৎ নো কি হ'ল বিকাশ, ইমান গহীন হৈ পৰিলা যে? ইমানতো বিকাশে একো উত্তৰ নিদিয়াত লীনাই অভিমানেৰ কলে, বেয়া পালা নেকি বিকাশ, অৱশ্য মোৰেই ভুল হৈছে, তোমাৰ ইচ্ছামতে তুমি বহিছা, কি অধিকাৰতনো মই এনেদৰে কলো। সেমেকা দুচকুৰ ফালে চাই বিকাশে কলে ৰ'জলীনা, হাতখন দিবা নেকি কথা এটা কওঁ। নিশব্দ হৈ লীনাৰ হাতখন নিজৰ দুয়োখন হাতৰ মাজত লৈ বিকাশে কলে - অধিকাৰৰ প্ৰশ্ন তুলিব নালাগে লীনা, তুমি নিজেই মোক সেই অধিকাৰৰ পৰা বঞ্চিত কৰিছা। বাৰু বাদ দিলো এইবোৰ কথা। লীনা, তোমাৰ দৰে ময়ো ঘৰৰ পৰা চাকৰি সুত্ৰে আতৰি আহিছোঁ। তুমি জানা মই মাঁ দেউতাৰ একমাত্ৰ সন্তান। কিন্তু ইয়াত মোৰ জন্মস্থানৰে সহকৰ্মী বান্ধৱী এগৰাকী লগ পাই মই খুবেই সুখি হলো। তুমিয়েতো এতিয়া মোৰ Friend, Philosopher and Guide. মই এটা কথা সোধো, আজি কিহৰ দুখত কান্দি আছিলা তুমি। লীনাই মিছা মাতিলে- ইস ক'ত





কান্দিলো, হাঁহিয়েই আছোঁ দেখোন মই। বিকাশে একে গহীন কণ্ঠেৰে কলে- No লীনা, মোক তুমি ঠগাব নোৱাৰা, বাৰাণ্ডাত বহু সময় থিয় হৈ থাকি মই তুমি উচুপি থকাৰ উমান পাইছিলোঁ। মোৰ ওচৰত আনন্দিত যেন দেখুৱাই হাঁহি থাকিলেওঁ তোমাৰ সেমেকা চকু যুৰিয়ে জানো তোমাৰ অন্তৰৰ ব্যথাভৰা হাঁহাকাৰৰ কথা প্ৰমান নকৰে লীনা? Please লীনা কোৱা, বিকাশৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি চলচলীয়া চকুৰে লীনাই ক'বলৈ আৰম্ভ কৰিলে-

মোৰ অতীতৰ কথা তুমিতো জানাই বিকাশ। আনৰ কাৰণে ৰোমাঞ্চকৰ হোৱা কলেজীয়া জীৱনৰ স্মৃতি মোৰ কাৰণে খুবেই কষ্টকৰ। আজি ঘৰলৈ বিশেষকৈ মাঁলৈ মনত পৰিল। তাৰপিচত এলবামটো চাওঁতে তৌফিকৰ ফটোখনত চকু পৰাত মই পূনৰ ভাগি পৰিলোঁ। কান্দি কান্দি ভাগৰি পৰিলোঁ মই। বিকাশে মাত লগালে- তুমি তোমাৰ অতীতটো পাহঁৰি যোৱা লীনা। ভাবা অতীত তোমাৰ বাবে এখন বন্ধ কিতাপ, তাক তুমি কোনোদিনে খুলিবলৈ চেষ্টা নকৰিবা। লীনাই পুনৰ কলে- পাহৰিবলৈ বহুত চেষ্টা কৰিলোঁ মই, তথাপিও কোনো প্ৰকাৰে তৌফিকক মই পাহৰিব পৰা নাই। নানান কথা কৈ নিজস্ব অসুবিধা, অসহায় দেখুৱাই মোৰ হৃদয়ৰ সচা মৰমক নেওঁচি তৌফিক মোৰ জীৱনৰ পৰা চিৰদিনৰ কাৰণে আতৰি গ'ল। যথেষ্ট অমায়িক অধ্যায়নশীল তৌফিকক সমাজৰ আন এচাম যুবকৰ পৰা পৃথক বুলি মই দৃঢ়ভাবে ধৰি লৈছিলো। তথাপিওঁ মোৰ অন্তৰৰ মৰমৰ কথা তেওঁক লৈ কৰা কল্পনাবোৰৰ কথা এবাৰো উপলব্ধি নকৰি মোৰ সচা প্ৰেমক নাচকৰ অভিনয়আখ্যা দি তেওঁ মোৰ পৰা আতৰি গ'ল। তৌফিকক এই জীৱনত মই কেতিয়াওঁ ক্ষমা কৰিব নোৱাৰিম। তেওঁৰ ব্যক্তিত্বক মই বৰ্তমান ঘৃণা কৰো। তথাপিওঁ তৌফিকৰ পৰা আতৰি থাকিব লগা হোৱাত ঘৰৰ সকলোকে এৰি মই ইয়ালৈ গুচি আহিলোঁ। তৌফিকৰ কৰুণ চকুযুৰি মনত পৰিলে মই আনৰ কথা ভাবিব নোৱাৰো বিকাশ। ৰ'জলীনাৰ দীঘলীয়া স্বীকাৰোক্তি শুনি বিকাশে কলে, তেওঁ কাপুৰুষ, যিয়ে নিজৰ প্ৰেমিকাক নিজৰ কৰি লোৱাৰ সাহস নাথাকে। কিন্তু এইবোৰ ভাবি নিজকে দুৰ্বল কৰাৰ কোনো প্ৰয়োজন নাই। পাহৰি যোৱা সকলোবোৰ। লীনা, তোমাক মই ডাঙৰ খবৰ এটা দিয়াই নাই নহয়। মোৰ বিয়া পাতিছোঁ। মাহতেই ছোৱালী ঠিক কৰিছে। তুমি মোৰ লগত গৈ বিয়াত সহায় কৰিব লাগিব কিন্তু। বাৰু এতিয়া বহুত দেৰি হৈ গ'ল, ব'লা ঘৰলৈ।

গোটেই বাটটোতে মৌন হৈ অহা ৰ'জলীনাক ফ্লেটৰ সন্মুখত নমাই থৈ গুড নাইট বুলিকৈ বিকাশ গুচি গ'ল। বিকাশৰ বিয়াৰ খবৰ শুনি বহুদিনীয়া বেমাৰীৰ নিচিনা খোজ দি ৰ'জলীনা আহি বিচনাত পৰিলহি। তাৰ মানে তায়ো বিকাশক মনে প্ৰানে বিচাৰিছিল নেকি, তেনেহলে এনেদৰে হতাশ হ'বলগীয়া কি আছে। কৰ্মজীৱনৰ পাতনিৰে পৰা একেটা অফিচতে প্ৰতিটো সময়তে ওচৰতে পোৱা অভিন্ন হৃদয়ৰ বন্ধু বিকাশে তাইক এৰি আতৰি যাব ওলাল। কিন্তু এইজন বিকাশে এদিন তাইক নিজৰ কৰি লব বিচাৰি বাৰে বাৰে অনুৰোধ কৰা প্ৰস্তাৱক লীনাই প্ৰত্যাখ্যান কৰিছিল। আজি বিকাশৰ বিয়াৰ খবৰ শুনি অসহ্য যন্ত্ৰনাত ছটফটাই কান্দি কান্দি চকু উখহাই পেলোৱা লীনাই কেতিয়ানো ৰাতি পুৱাল গমেই নাপালে। ৰাতিপুৱাই কলিং বেলটো সজোৰে বাজি উঠাত

দুৱাৰখন খুলি দি বিকাশক দেখিয়েই লীনাই চিঞৰি উঠিল- তু......মি,.....। বিকাশে লীনাৰ হাতত ধৰি ভিতৰলৈ সোমাই আহি বিচনাখনতে বহি তাইৰ চকুপানীখিনি মচি দি ক'লে- I need you leena, because I love you. মই তোমাক এৰি আতৰি যাব নোৱাৰো, অতীতৰ সকলো কথা পাঁহৰি আমি বিয়া হৈ যাওঁ আহা লীনা, আজিৰ অশান্ত সমাজখনত আমাৰ দৰে মহৎ প্ৰেমৰ খুবেই প্ৰয়োজন আছে। আমাৰ মিলনে আনৰো অন্তৰ পৰিস্কাৰ কৰি তুলিব। আৰু সেয়েহে মই তোমাক মোৰ বিয়াৰ খবৰ মিছাকৈ দি তুমি প্ৰয়োজন অনুভৱ কৰা নে নকৰা প্ৰমান কৰি চাইছিলোঁ। লীনাই বিকাশক ক'লে- মই তোমাক এৰি আতৰি থাকিব নোৱাৰিম, তোমাক মোৰ খুব প্ৰয়োজন বিকাশ।

এনেদৰে কৈ সদায় অশান্ত অন্তৰেৰে দিন কটোৱা ৰ'জলীনাই বহুদিনৰ চিনাকি বিকাশৰ ফালে চাই আজি শান্তিৰ এক মধুৰ হাঁহি মাৰিলে যেন এই মোহনীয় হাঁহিয়ে চিৰদিন সিহঁতৰ যুগ্ম জীৱন আনন্দৰে পৰিপূৰ্ণ কৰি ৰাখিব।

□□□□

## □ স্মৰণীয় কথা □

(১) নিজকে কেতিয়াওঁ ভয় নকৰিবা, জীৱন যাপনৰ প্ৰক্ৰিয়াত নিজৰ ব্যক্তিত্বক সম্পূৰ্ণৰূপে বিকশিত কৰি তুলিবা- কিন্তু তাকে কৰিবা আনৰ মহলৰ কাৰণে।

-হোমাৰশ্বিল্ড।

(2) Liuing means fighting within you the ghosts of dark poulers; writing means putting on trial your inmost self.

-Henric Ibsen.

Collected by-

Sarjina Begum.

T.D.C. Third year.





# বিগত দিনৰ স্মৃতিত

শ্ৰী নৃপেন চন্দ্ৰ নাথ
স্নাতক ২য় বৰ্ষ (কলা)

জীৱনৰ প্ৰথম স্বপ্নভংগ বেদনা সহিব নোৱাৰি গুছি গ'ল সি এখন অজান দেশলৈ। প্ৰণৱে আৰু তাত এপলক সময়ো থাকিব নোৱাৰিলে। কিয়নো যাৰ মনৰ মাজত আছিল এক নিটোল সমাহাৰ ৰঙীন চিত্ৰ। সি আজি এইবাবেই মৰ্মাহত হৈছে যাক ইমান দিনে নিজৰ সপোন কুঁৱৰীজনী সপোনতেহে আছিল কিন্তু বাস্তৱত পৰিণত নহ'ল, তাৰ বাবে সি আজি সংগীবিহীন। অকালতে মৰহি গ'ল তাৰ আশাৰ ফুলৰ কলি। আজিনো লীমাই কিয় তাক এৰি গুছি গ'ল সি একোকে কব নোৱাৰিলে। লীমাই মাথো ক'লে প্ৰণৱ দা তোমাক মই প্ৰকৃত বন্ধু হিচাপে ল'ব পাৰিম; কিন্তু নিজৰ ... হিচাপে ল'ব নোৱাৰিম। কিয় জানা মোৰ ইতিমধ্যে বিয়াৰ যো-জা কৰিছে এজন ইঞ্জিনিয়াৰৰ লগত। তুমি মোক ক্ষমা কৰিবা।

এই অবাস্তৱ কথা শুনি প্ৰণৱৰ যেন মূৰৰত সৰগ ভাঙি পৰিল। সি অনাহক বেদনাবোৰৰ মাজত চকুলো টুকিলে। এটা সময়ত সি আকৌ স্মৃতি ঘূৰাই আনিলে। ঠিক সেই সময়তে তাৰ প্ৰিয় বন্ধু নয়নক স্মৃতিৰ কথাবোৰ খুলি কলে - নয়ন, শৈশৱ কালত প্ৰেম মানে এটা ভুল ধাৰণা আছিল কিন্তু বয়স হৈ অহাৰ লগে লগে প্ৰেমৰ ওপৰত থকা সেই ধাৰণাও সলনি হৈ আহিব ধৰিলে। জীৱনৰ অভিজ্ঞতাবোৰৰ পৰাই আমি আচলতে কিবা এটা ধাৰণা কৰি লওঁ, প্ৰেমৰ ওপৰত লোৱা ধাৰণাবোৰো একো একোটা অভিজ্ঞতা বুলি কব পাৰি। মই তেতিয়া বহু সৰু। ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ মোৰ লগতে একে ক্লাছতে পঢ়া ছোৱালী এজনীক মোৰ কিবা এটা ভাল লাগে তেতিয়া। আমি এল,পি স্কুলৰ পৰা অৰণ্যে একলগে পঢ়া তেতিয়া ছোৱালীজনী গাঁৱতে আছিল। ছোৱালীজনীৰ কথা আনে ভালকৈ ক'লে মোৰ এটা ভাল লাগি উঠে। কোনোৰে যদি তাইৰ বিষয়ে কিবা বেয়াকৈ কয় মই যেন তাক মাৰি পেলাম তেনে লাগে। কোনোবা ল'ৰায়ে যদি তাইৰ হাতত ধৰি ভালকৈ কথা পাতে তেতিয়া মোৰ খং উঠে। স্কুললৈ তাই কেতিয়াবা নাহিলে মোৰ ক্লাছত অলপো মন নবহে। পৰীক্ষাত যদি তাই কেনেবাকৈ কম নম্বৰ পাই মই যেন কান্দি দিম তেনে লাগে। বহু ছোৱালীৰ মাজত কেৱল তাইৰ প্ৰতি এনে ভাৱ কিয় আহিছিল মই অলপো বুজা নাছিলো, নয়ন।

এনেকৈ বহুদিন পাৰ হৈ গ'ল মই তেতিয়া নৱম শ্ৰেণীত। সেই অৱস্থাত সাধাৰণতে ল'ৰা ছোৱালীৰ জোকোৱা - জোকোৱি হয়। তাইৰ প্ৰতি যেন মোৰ বিশেষ দুৰ্বলতা আছে সেই কথা বন্ধু-বান্ধৱীয়ে গ'ম পাইছিল। সেয়ে হয়তো আমাৰ দুয়োকে সকলোৱে জোকাবলৈ ধৰিলে। তাইকো লগৰ ছোৱালীবোৰে জোকাই মোৰ লগত। এনেকৈ জোকোৱাৰ ফলতে মই অজ্ঞান শিহৰণত জাঁগি উঠো কেতিয়াবা। সঁচাকৈ তাই মোৰ মনৰ কোনোবাটো কোণ কব নোৱাৰাকৈ অকণমান ঠাই আলফুলেৰে অধিকাৰ কৰি লৈছে। এইবোৰ শিহৰণ যেন ষষ্ঠ মানৰ ভালপোৱাৰ দৰে নহয়। বহু বেলেগ যেন আজিৰ শিহৰণ। এই শিহৰণে প্ৰেম নেকি বাৰু? কিয় মই ইমান ছোৱালীৰ মাজত তাইৰ প্ৰতি ইমান দুৰ্বল হৈ পৰিছো।

সময় গতিশীল। ই কালৈকো বাট নাচায়। দুয়োজনে একে স্কুলৰ পৰা মেট্ৰিক পৰীক্ষা দি পাছ কৰিলো দ্বিতীয় বিভাগত। মেট্ৰিক পাছ কৰিয়েই তাই গুৱাহাটীৰ এখন কলেজত নাম ভৰ্ত্তি কৰিলে। তাই আৰু গাঁৱত নাথাকিল। মোমায়েকৰ ঘৰ গুৱাহাটীৰ কোনোবা ঠাইত তাত থাকি পঢ়া-শুনা কৰিলে। মই উপায় বিহীন হৈ ওচৰৰে এখন কলেজত নাম ভৰ্ত্তি কৰিলো। কাৰণ তেতিয়া মোৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া। তাতেই আকৌ গৰীবৰ ল'ৰা। মাজে মাজে তাই গাঁৱলৈ আহে তেতিয়া মই তাইৰ ঘৰথ গৈ দুয়ো-দুয়োৰে প্ৰেমৰ আদান-প্ৰদানৰ কথাবোৰ আলাপ কৰো। তাই কিন্তু মোক সঁচাকৈ কথা দিছিল- প্ৰণৱদা, মই তোমাক কেতিয়াও নাপাহৰো যাৰ পৰা মই যৌৱনৰ সকলো খিনি সোৱাদ পাইছো। নয়ন এনেকৈয়ে চলি থাকিল আমাৰ প্ৰেমৰ আদান-প্ৰদান।

নয়ন, সময় স্ৰোতত পৰি ভুল বুজা-বুজিৰ বাবে আমাৰ মিলনৰ বিচ্যুতি ঘটিল। তাই মোৰ কথা সমুলি পাহৰি গ'ল। সময়ত ঘৰৰ বান্ধোনত পৰি তাই এজন ইঞ্জিনিয়াৰৰ লগত বিয়া হৈ গ'ল। লগে লগে মোৰ এখন ডেউকা ভাঙি পৰিল। নিষ্ঠুৰ নিয়তিয়ে মোৰ সকলোবোৰ শেষ কৰি পেলালে। বহুতো দুখ বেদনা দিলে তাই মোৰ নিৰ্মল হৃদয়খনক। এই সকলোবোৰ দুখ বেদনা ভগৱানৰ আশীষ নিৰ্মালি বুলি গ্ৰহণ কৰিলো। অৱশেষত মই মোৰ জীৱনৰ আধৰুৱা কামবোৰৰ ফালে আগবাঢ়িলো। যা, নহওঁক মাজে মাজে মোৰ মনত পৰে জীৱনৰ সেই বিগত দিনৰ স্মৃতি বোৰলৈ .........।

নয়ন চোৱা, আজিৰ সমাজত চলিছে নগ্ন বস্তুবাদী চিন্তা। ভোগবাদী ভাৱনা। উৎকট ভোগান্বেষী জীৱন পদ্ধতি। ব্যক্তিকেন্দ্ৰীক ধাৰণা ক্ষুদ্ৰ স্বাৰ্থবন্দী উস্‌না বিসৰ্জে লোকহিতৈষণা। আলিঙ্গে বিতৈষণা ভোগবাদৰ উত্তাল জোৱাৰ বৈ যায় অশান্তি নিজৰা।

অন্যায় - অনীতি
ভ্ৰষ্টচাৰ - দূৰ্নীতি
হিংসা অসুয়া - অপ্ৰীতি
মদ - ভাং - ড্ৰাগছ্





তাৰেই চিন্তা
মাথো দিনে ৰাতি।

বিপথে গতি। যুৱক-যুৱতী। অমূল্য মানৱ সম্পত্তি। অৱক্ষয়ৰ পথে পথে যায় অধোগতি। হবনে পিতৃ - মাতৃ, সুহৃদজনৰ হবনে ৰাজনীতি সমাজবিদৰ হবনে বুদ্ধিজীৱি শিক্ষাবিদৰ - বিবেক জাগৃতি বিপথগামী কিয় আজি যুৱক - যুৱতী? সকলো নীতিৰ আধাৰ কৃষ্ণ জগত ঈশ্বৰ। আনন্দময় সত্য সুন্দৰ সেই ঈশ্বৰকে কৰি পৰিহাৰ সমাজ চলে দুৰ্নিবাৰ। উৰিছে অশান্তিৰ কলীয়া ডাঁৱৰ। উদভ্ৰান্ত যুৱশক্তি নাই ক'তো অকনো পোহৰ। বৰ্তমান সময়ত সকলোৱে কৰিব লাগিব সুচিন্তা তেহে আহিব পৃথিৱীত শান্তি। পৰিহাৰ কৰিব লাগিব অন্যায় অনীতি। সফল হওঁক বিগত দিনৰ স্মৃতি তাৰেই জ্যোতিষ্মান। সেই কামনাৰে কৰিলো প্ৰত্যাশা ৰঙিয়া কলেজৰ সকলো সতীৰ্থলৈ জনালো মোৰ আন্তৰিক শুভেচ্ছা .....।

□□□□

---

## Intellegent Questions

(a) What comes twice in a week but once in a year ..... ?
(b) What is that goes up hill and down the hill and yet never moves ... ?
(c) Which will spin faster - a boiled egg or an unboiled egg ... ?
(d) Insert the word which means the same as the two words outside the bracket :- Mother ( .............) Father.
(e) A man and woman can not be close friends in the true sense of the word, say ture or false.
(f) What time is it when the clock strikes thirteen ... ?

**Ans of Intellegent Questions**

(a) The letter 'E'. There is one in year but two 'e' in a week.
(b) Road
(c) A boiled egg.
(d) Parents.
(e) False. Deep friendship can be the strongest bond between man & woman.
(f) Time to have the clock repaired.

# শিহৰণ

বিপুল চন্দ্ৰ ডেকা

আৰতিয়ে বাছ ষ্টপেজত ৰৈ থাকিব। তাৰ পৰা বাছেৰে সিহঁত কলেজ বুলি গাড়ীত উঠিব। আজি আৰতিয়ে কলেজত প্ৰথম ক্লাছ কৰিব। কলেজলৈ গাড়ীৰ পৰা নামি কিছু দূৰ খোজ কাঢ়ি যাব লাগে। সিহঁতে কিন্তু খোজ কাঢ়ি নাযায়, এখন ৰিক্সা লব। ৰিক্সাখন একা বেকা শিল দিয়া ৰাস্তাটোৰে আগবাঢ়িব। শিল দিয়া ৰাস্তা বাবে ৰিক্সাখন জোকৰণি তুলি তুলি আগবাঢ়িব। কথাখিনি ভবাৰ লগে লগে এক মিঠা শিহৰণ বিপুলৰ সৰ্ব শৰীৰৰ মাজেৰে পাৰ হৈ গ'ল।

ঘড়ীটোৱে যে আজি বিপুলক বিশ্বাসঘাটকতা কৰিছে। প্ৰয়োজনতকৈ আজি ই যেন বেছি জোৰেৰে ঘুৰিছে। বিপুলে দাড়ী খুৰায়ে গা ধুবলৈ দমকললৈ দৌৰ মাৰিলে। বিপুলৰ বাইদেওঁকৰ জীয়েক অলিয়ে আলঙে, আলঙে কথাবোৰ লক্ষ্য কৰি আছিল।

মামা, তইচোন আজি বৰ খৰ খেদা কৰিছ?

এতিয়া মাত্ৰ চাবে সাতহে বাজিছে।

আজিৰ পৰা টি ডি চি ফাষ্ট ইয়েৰৰ ক্লাচ আৰম্ভ হ'ব।

তই চোন টি ডি চি থাৰ্ড ইয়েৰৰ ...

অই যা যা! ভাত দেগৈ। আদা বেপাৰীয়ে জাহাজৰ খবৰ লৈ লাভ নাই।

বিপুলৰ ধমক খাই অলিয়ে ৰান্ধনী ঘৰত সোমাল। মজা কল আৰু আছু চাউলৰ ভাতখিনি বিপুলে বেছি পৰিমাণে পানী ঢালি ললে আৰু খৰখেদাকৈ খাই উঠিল। ভাত খাই উঠি, যেতিয়া ওৱেৰ ড্ৰপটোৰ ওচৰ চাপিলে তেতিয়া দেখিলে যে কালি ধুবীৰ পৰা কাঢ়া ইষ্ট্ৰি কৰি অনা তাৰ ঘিউ ৰঙৰ চাৰ্টটো ইতিমধ্যে ককায়েকে পিন্ধি গৈছে। বিপুলৰ মুখ গৰম হৈ গ'ল। উপাই নাই। এতিয়া ইয়াত ভোৰ ভোৰাই সময় নষ্ট কৰিব নোৱাৰি সমীৰৰ পৰা এটা চাৰ্ট পিন্ধি যাব লাগিব। সিও কালি ঢুবীৰ পৰা কেইবাটাও ভাল চাৰ্ট ইষ্ট্ৰি কৰি আনিছে। বিপুলৰ মোনেট পাৰফিউমটো শেষ হৈছে। সি বটলটোৰ ভিতৰত অলপ পানী ভৰাই সেই পানীখিনিকে গাত ছতিয়াই দিলে।

আৰতিয়ে বাছ ষ্টপেজত বৰ উৎকণ্ঠিত হৈ ৰৈ আছিল। বিপুলক দেখি তাই এটা মিঠা হাঁহিৰে সম্ভাষণ জনালে। ঠিক সেই সময়তে বাছ এখন আহি ওচৰত ৰোৱাত দুয়ো সেইখনতে উঠি ৰাওনা হ'ল। বাছৰ পৰা নামি ৰিক্সা এখন ললে। একা বেকা শিল দিয়া ৰাস্তাটোৰে ৰিক্সা আগবাঢ়িল কলেজ অভিমুখে। ৰিক্সা আলাই অলপ বেগত ৰিক্সা চলোৱাত বিপুলে ধমক দি কলে, লাহে লাহে চলা, ৰাস্তা ভাল নহয়।

এনেদৰে আৰম্ভ হৈছিল আৰতি আৰু বিপুলৰ প্ৰেম কাহিনী। ইয়াৰ পিছতে যে প্ৰতিটো বসন্ত অথবা শৰৎ কাল কেৱল সিহঁতৰ বাবে আহিছিল। বিপুলে তাইকলৈ সদাই নতুন নতুন সপোন আকিছিল। তাইক নোট বহীৰ পৰা কিতাপ কানি দিয়ালৈকে সি পৰ্য্যামানে সহায় কৰিছিল। আৰতিয়ে মুৰত মৰা ৰঙা ফিটা আৰু ভৰিৰ পায়েলৰ প্ৰতি তাৰ এটা অহৈতুক দুৰ্ব্বলতা আছিল। সেইবাবে সি প্ৰায়ে পূজাত অথবা আন উৎসৱত তাইক ৰঙা ফিটা আৰু পায়েল উপহাৰ দিছিল। বজাৰখন পাৰ হৈয়ে পোৱা দলংঘাট তাৰ বাবে অতি প্ৰিয় আছিল। তাত তাইক সি সদাই লগ পাইছিল।

কথাখিনি কৈ বিপুলে ৰৈ গল। সি হয়তো কিছু ভাগৰি পৰিছিল অথবা কথাবোৰ পুনৰ উপলব্ধি কৰিব বিছাৰিছিল। নৈ খনৰ ফালৰ পৰা অহা এছাতি





মলয়া বা বিপুল আৰু পল্লৱক স্পৰ্শ কৰি গ'ল। পল্লৱে বিপুলৰ কাষতে মাথাউৰিটোত বহি বিপুলৰ কথাবোৰ শুনি আছে।

নৈৰ সিপাৰে ইতিমধ্যে ধুম ধামেৰে আৰতিৰ বিয়া চলি আছিও। বিয়াঘৰৰ পৰা অহা ফটকাৰ শব্দ আহি দুয়োৰে কানত পৰিল। সেয়া যেন ফটকাৰ শব্দ নহয়, অভিশপ্ত প্ৰেমৰ আস্ফালন।

কিয় এনেকুৱা হ'ল পল্লৱ? মই তাইক ইমান বিশ্বাস কৰিছিলো অথচ তাই মোক.... । বহুতে মোক তাইৰ কথা কৈছিল। সেই পানী গাঁৱৰ ল'ৰাজনৰ লগত তাই হেনো প্ৰায়ে কথা কৈ থাকে। তাৰ লগত ঘুৰি ফুৰে। তথাপিও মই তাইক বিশ্বাস কৰিছিলো।

পল্লৱে হাতৰ কাগজখনত থকা মুগখিনি খাই কাগজখন মোহাৰি দূৰলৈ দলিয়াই দিলে। কিছুসময় দুয়োৰে মাজত নিৰবতা বিৰাজ কৰিলে। অৱশ্যে কাষৰ বজাৰ খনত চলি থকা জেনেৰেটৰ শব্দ আৰু ওচৰৰ ৰাষ্ট্ৰীয় ঘাই পথেৰে যোৱা মটৰ গাড়ীৰ শব্দই সিহঁতৰ মাজৰ নিৰবতাখিনিক উপহাস কৰিলে পল্লৱে বহি তাৰা চেঙেলযোৰ ঠিক মতে পাৰি লৈ কলে।

আনক অবিশ্বাস কৰি নিজে সৰু হোৱাতকৈ বিশ্বাস কৰি নিজে প্ৰতাৰিত হোৱাটো মহান হৃদয়ৰ প্ৰমাণ। তই আৰতিক নেপালেও তাইৰ লগত পাৰ কৰা মধুৰ সময় বোৰ তোৰ জীৱনৰ বাবে এক সাৰ্থকতা নহয়নে? প্ৰেমত কোনো চৰ্ত থাকিব নেলাগে, থাকিব নেলাগে কোনো প্ৰতিশ্ৰুতি। এই চৰ্ত অথবা প্ৰতিশ্ৰুতিয়ে প্ৰেমক যান্ত্ৰিক ৰূপ দিয়ে। প্ৰেম সদাই চৰ্ত আৰু প্ৰতিশ্ৰুতিৰ উৰ্দ্ধত হ'ব লাগে। আৰতিয়ে তোক তাইৰ প্ৰয়োজনীয় সময়খিনিত ব্যৱহাৰ কৰিছিল। তাই তোৰ সৈতে প্ৰেম কৰা নাছিল। তেনেকুৱা দুৰ্বল ছোৱালী এজনীৰ কথা ভাবি তই দুৰ্বল নহবি।

এজাক জুৰ মলয়াই দুয়োকে আকোৱালী ললে। দুৰৰ গছ গছনিবোৰ লাহে লাহে এন্ধাৰৰ মাজতে হেৰাই যাব ধৰিলে। নিয়ন লাইটবোৰৰ পোহৰে নিশাৰ আগ জাননী দিলে। বিপুল পল্লৱৰ কথাখিনি মনোযোগেৰে শুনি আছিল। সি পল্লৱৰ কথাখিনিতে তাৰ মনৰ প্ৰশ্নৰ উত্তৰ যেন বিচাৰি পালে। এৰা, এজনী দুৰ্ব্বল ছোৱালীৰ কাৰণে সি কিয় দুবৰ্বল হ'ব? সি কিয় তাৰ প্ৰেমক ব্যাৰ্থ্য প্ৰেম আখ্যা দি নিৰাশ হ'ব। তাৰ প্ৰেম যে চৰ্ত্ত আৰু প্ৰতিশ্ৰুতিৰ বহু উৰ্দ্ধত। এই যে পল্লৱ! সি ছোৱালীৰ লগত কথা কবৰ বাবেও লাজ কৰে। বহুত ছোৱালীয়ে তাক চিৰিয়াচ আখ্যা দিয়ে। কিন্তু তাৰ প্ৰেমৰ ওপৰত কি পৰিস্কাৰ ধাৰণা। সি যেন পল্লৱক আজি নতুনকৈ আৱিস্কাৰ কৰিলে। লাহে লাহে বিপুল আৰু পল্লৱ তাৰ পৰা উঠিল। দুয়ো মাথাউৰিটোৰ পৰা নামি আহিল। বিপুলৰ ভাব হ'ল সি যেন কিছুমান খেলি মেলি চিন্তা ধাৰাৰ পৰা নামি আহি এক পৰিস্কাৰ চিন্তাৰ সমতল ভূমিলৈ গতি কৰিছে। খোকোজা প্ৰেমৰ বন্ধ জল ৰাশিৰ পৰা একা সঁচা প্ৰেমৰ মহাসাগৰলৈ গতি কৰিছে। যি মহাসাগৰত আৰতি হতৰ দৰে প্ৰেমৰ নৌকা বোৰ থিতাপি লোৱাৰ আগতে সাগৰৰ জোৱাৰ ভাতীত বিলীন হৈ যায়।

"Love is the only Subject that you can not read, but More has been wtitten about if than anything Else."

Musafic

চুটিগল্প

# বিপ্লৱী

অনিতা ৰাজবংশী
স্নাতক প্ৰথম বৰ্ষ (কলা)

(এক)

বাহিৰৰ ফৰিংফুটা জোনাকত বহি পুলকেশ আৰু নন্দিতাই মনৰ এক বিমল আনন্দ উপভোগ কৰিছে। বাহিৰত জিৰ্-জিৰ্কৈ এজাক বতাহ বলিবলৈ আৰম্ভ কৰিছে। সেইখিনি সময়ত তেওঁলোকৰ এনেকুৱা লাগিছিল যেন এক বিভোৰ আনন্দই তেওঁলোকক আপোন পাহৰা কৰি তুলিছে। নিজৰ ল'ৰা-ছোৱালীহালক লৈ তেওঁলোকে ভৱিষ্যতৰ এক ৰঙীন স্বপ্ন দেখিছে। একমাত্ৰ ল'ৰা জিন্টু এইবাৰ ক্লাছ x পাইছে আনহাতে একমাত্ৰ মৰমৰ ছোৱালী ৰঞ্জনা এইবাৰ ix পাইছে। তেওঁলোকে ল'ৰা-ছোৱালী হালক লৈ এটি অভাৱহীন জীৱন কটাইছে। কিন্তু একমাত্ৰ ল'ৰা জিন্টু এদিন নামি পৰিল সহস্ৰ বিপ্লৱত। স্বাধীনতাৰ আশাত দেহমাতৃক উদ্ধাৰৰ আশাত। মাক, দেউতাক, ভনিয়েকৰ কথা চিন্তা নকৰি দেশৰ কাৰণে ওলাই গ'ল। এনেকৈ দিন বাগৰি গ'ল। একমাত্ৰ ছোৱালী ৰঞ্জনা গাভৰু হৈ আহিল। মেট্ৰিক পাছ কৰি হায়াৰ ছেকেণ্ডাৰিও পাছ কৰিছে। উপযুক্ত ল'ৰাৰ সৈতে তাইৰ বিয়াৰ ঠিক হ'ল।

(দুই)

অঞ্জন বৰুৱা আছিল এজন চৰিত্ৰবান, সচেতন আৰু প্ৰবল প্ৰতাপী ব্যক্তি। দেখাত বেছ ধুনীয়া। কলেজৰ অধ্যাপক হিচাপে কাম কৰি আছে। কথা বতৰাও গহীন-গম্ভীৰ। সেয়ে সকলো চাই চিতি তাইৰ বিয়াৰ ঠিক হ'ল। বিয়াৰ দিনা তাইৰ একমাত্ৰ ককায়েক জিন্টু ঘৰত নথকা বাবে তাই বৰ দুখ অনুভৱ কৰিছিল। মাক-দেউতাকেও তাৰ বাবে শোকাতুৰ হৈ পৰিছিল। যদি সি আজি ঘৰত থাকিলেহেতেন তেন্তে একমাত্ৰ ভনীয়েকৰ বিয়াত কিমান আনন্দ কৰিলেহেঁতেন? বিয়াৰ দিনাখন ৰঞ্জনাই ককায়েকৰ বাবে হিয়া ধাকুৰি কান্দিছিল। বিয়া শেষ হোৱাত ৰঞ্জনাক অঞ্জনাইঁতৰ ঘৰলৈ লৈ গ'ল। সেই সময়ত ৰঞ্জনাৰ বেছিকৈ মনত পৰিছিল একমাত্ৰ ককায়েকৰ কথা।

নিশা আঠ বাজিছে পুলকেশ আহি ঘৰ সোমাইছে। নন্দিতাই পানী এগিলাছ আনি পুলকেশৰ হাতত তুলি দিছে। ফোনৰ শব্দ ক্ৰিং ক্ৰিং। বেগা-বেগিকৈ নন্দিতাই ৰিচিভাৰটো হাতত তুলি ললে। গম পালে যে পুলিছ ইন্সপেক্টৰ পুলকেশ বৰুৱাক বিচাৰিছে কৰবাত হেনো সংগঠনৰ গেং এটাৰ সন্ধান পাইছে। খবৰটো পাই পুলকেশ খুব আনন্দিত হ'ল। হয়টো সেই গেং টো কৰায়ত্ত কৰিব পাৰিলে তেওঁৰ সাহসৰ পৰিচয় দেখুৱাব পাৰিব। সেইভাবি তেওঁ যাবলৈ ওলাল। নন্দিতাই চাহ কাপ লৈ আহি টেবুলত থোৱালৈ অপেক্ষা নকৰি তেওঁ পুনৰ থানালৈ ওলাই গ'ল। নন্দিতাৰ অনুৰোধক ভ্ৰূক্ষেপ নকৰিলে। আনন্দমনে গৈ থানা পালে। বাকীবোৰ থানাৰ কৰ্মচাৰী ৰেডি। মাথো পুলিচ ইন্সপেক্টৰৰ অপেক্ষাত। গৈয়ে ৰাওনা হ'ল সহস্ৰ বিপ্লৱীৰ গেং বিচাৰি। গৈ থকা অৱস্থাত ইন্সপেক্টৰৰ জিপচিত পিছফালৰ পৰা কোনোবাই বোমা নিক্ষেপ কৰি গাড়ীখন থিতাতে-পুৰি ছাই কৰি পেলালে। এই ঘটনাটো নিশ্চয় কোনোবা সংগঠনৰ দ্বাৰা সংঘটিত বুলি প্ৰমাণ হ'ল।

(চাৰি)

সেইদিনা নিশা কামকৰা ছোৱালী ৰেণুজনী সৈতে নন্দিতাই উজাগৰে কটালে। ৰাতিপুৱা পাঁচ বজালৈ বৰুৱা উভতি নহা দেখি নন্দিতাৰ মনত শান্তি নাই। আগছোতালৰ শেৱালী জুপিত বহি কাউৰীয়ে কা-কা কৰা দেখি তাই খং মনে ছো-ছো কৰি খেদি দিলে। তাইক যেন এক দুখৰ বতৰা দিবলৈ কাউৰীটোৱে শেৱালীজুপিত আহি পৰিছিল। তাই নিজকে বিষাদময় যেন অনুভৱ কৰিছিল। অলপ সময়ৰ পাছত ফোনৰ শব্দ। নন্দিতাই উধাতু খাই দৌৰ মাৰি ফোনৰ ওচৰ পালে। তাই যেন কিবা এটা পোৱাৰ আশাত উগ্ৰীৱ হৈ পৰিছে। তাই মনতে ভাবিলে মিঃ বৰুৱা নিশা ঘৰলৈ নহা খবৰটোকে চাগে ফোনৰ জনাব। কিন্তু বিধিৰ লিখন নেযায় খণ্ডন। সম্পূৰ্ণ বিপৰীত। ফোনৰ ৰিচিভাৰটো তুলিয়ে গম পালে এক্সিডেন্ট, যোৱা নিশা চাৰে আট বজাত পুলিচ ইন্সপেক্টৰ পুলকেশ বৰুৱাৰ জিপচিত কোনোবা দুৰ্ধৰ্ষ উগ্ৰপন্থীয়ে বোমা নিক্ষেপ কৰি ........। বাকীখিনি শুনিবলৈ আৰু নন্দিতাৰ ধৈৰ্য্য নহ'ল। ওচৰতে কাম কৰি থকা ছোৱালীজনীয়ে দৌৰি আহি খৰধৰকৈ বিছনাত শুৱাই দিলে আৰু অসহায়া হৈ কান্দিবলৈ ধৰিলে কি হ'ল খুৰীদেউ আপোনাৰ?

(পাঁচ)

পদুলিৰ সমুখত গাড়ীৰ হৰ্ণ বাজি উঠিল। সেই সময়লৈ নন্দিতাৰ জ্ঞান ঘুৰি অহা নাই। মিঃ বৰুৱাৰ মৃতদেহ নি চোতালত থলে। গাৱঁৰ মানুহৰ হাই উৰুমিত নন্দিতাই বেছি শোকবিহ্বল হৈ পৰে। মৃতদেহ বেছি সময় নাৰাখি সম্পূৰ্ণ সামৰিক মৰ্য্যদাৰে সৎকাৰ কৰিলে। এইফালে নন্দিতা নাচিংহোমত। একমাত্ৰ ছোৱালী ৰঞ্জনাই গৈ মাকক চোৱাচিতা কৰিছে। এতিয়া ৰঞ্জনাৰ বাহিৰে নন্দিতাৰ আশ্ৰয়ৰ থল কোনো নাই। একমাত্ৰ ল'ৰা আজিও ঘৰলৈ উভতি নাহিল। ডাক্তৰে বৰ্তমান মাকক জিৰণী লবলৈ কৈছে। মানসিকভাবে সম্পূৰ্ণ সুস্থ হৈ উঠা নাই। মানসিক আঘাত পালে পুনৰ বিপদ হব পাৰে।

(ছয়)

নিশা প্ৰায় দুই বাজি দহ মিনিটমান গৈছে। বাহিৰৰ পৰা দুৱাৰত টক্ টক্ শব্দ। সেই সময়ত নিঃসহায় নন্দিতা আৰু কাম কৰা ছোৱালীজনী বিছনাত কপিঁবলৈ ধৰিলে। আজি দেউতাক মৰাৰ এবছৰ নহওঁতে পুনৰ বিপদ হ'ব বুলি ভয় খালে। মাজনিশা কোনে বাৰু দুৱাৰত টুকুৰিয়াইছে। দুৱাৰখন খুলি নিদিয়া দেখি বেছি জোৰেৰে টুকুৰিয়াবলৈ ধৰিলে। মৰণক ভয় নকৰি ৰেণুৰ বাধা ভ্ৰূক্ষেপ নকৰি দুৱাৰ খুলিবলৈ আগবাঢ়িল গ'ল। দুৱাৰখন খুলিয়ে দেখিলে একমাত্ৰ মৰমৰ ল'ৰা জিন্তু উভতি আহিছে। দেখিয়ে মাকে জিন্তুক সাৱটি ধৰি কান্দিবলৈ ধৰিলে। মাকৰ উকা কপালখন দেখি জিন্তুৰ আৰু বুজিবলৈ বাকী নাথাকিল। দেউতাকৰ ফটোখন ফুলৰ মালাৰে আঁৰি থোৱা দেখি জিন্তুৰ অন্তৰাত্মাই হাঁহাকাৰ কৰি উঠিল। মাকক সকলোবোৰ শুধিলে। মা-দেউতাক কোনে কি কৰিলে? মাকে সুস্থ অৱস্থাত সকলোবোৰ বিৰৰি কলে। মাকে ক'লে - যে ১০ জানুৱাৰীৰ নিশা চাৰে আঠ বজাত জিপচিত বোমা নিক্ষেপ কৰি তোৰ দেউতাকক ....। বাকীখিনি কবলৈ আৰু নন্দিতাৰ ধৈৰ্য্য নহ'ল।

(সাত)

জিন্টুয়ে দীঘল হুমুনিয়াহ এটি কাঢ়ি একো কব নোৱাৰাকে বহি থাকিল। তাৰ অন্তৰাত্মাই কৈ উঠিল হায়! কি ভুল কৰিলি? নিজৰ জন্মদাতা পিতৃক চকুৰ পচাৰতে তিল তিলকৈ হত্যা কৰিলি। সি নিজকে প্ৰশ্ন কৰিলে মোৰ দেউতাৰ মৃত্যুৰ বাবে দায়ী কোন?

□□□

# উপন্যাস





## কেনভাছৰ নীলা ৰং

কুমুদ দাস

বতৰটো সেমেকা। আকাশত মেঘ আছে। ক'লা মেঘ। সি খিৰিকীখনেৰে বাহিৰলৈ চাই পঠিয়ালে। এজাক বগলী উৰিছে, ক'লা আকাশত বগা বগলী। দৃশ্যটোত অন্য এক সৌন্দৰ্য্য আছে। সি ভাবিলে। নিঃসঙ্গ হৈ থাকি ভাল লাগে তাৰ। নিঃসঙ্গতাৰো ৰোমান্টিকতা আছে, কল্পনা আছে। সকলোৱে নুবুজে নিঃসঙ্গতাৰ ভাষা। বয়স তাৰ বেছি হোৱা নাই। বিশ্ববিদ্যালয় স্নাতকোত্তৰ পৰ্য্যায়ৰ কোৰ্চ পঢ়ি আছে। সাহিত্যৰ ছাত্ৰ। অথচ অন্য ছাত্ৰৰ দৰে চঞ্চল হ'ব নোৱাৰে সি। কেন্টিনত, বন্ধুবৰ্গৰ ৰসাল আড্ডাত জোকচ শুনাব নোৱাৰে সি। বয়সতকৈ বহু আগতে তাৰ চিন্তাবোৰ পৰিপক্ক, চিন্তাবোৰত বয়সৰ চাপ। এইদৰে ডাৱৰীয়া বতৰত খিৰিকীৰ কাষত থিয় হৈ থাকি ভাল লাগে তাৰ। ক'লা আকাশত বগা বগলী চাই এটা বেলেগ নষ্টালজিয়াত ভোগে সি।

আৰু কেইদিনমান পিছত সি পৰীক্ষা দিব। প্ৰিভিয়াছ পৰীক্ষা। পৰীক্ষাৰ কথা লৈ বেচি চিন্তিত নহয় সি। জীৱনত বহু পৰীক্ষাৰ সন্মুখীন হৈছে সি। জীৱনৰ আৰম্ভণিৰ পৰাই সি আনছাকচেছফুল। যি হোৱাটো সি বিচাৰিছে, কোনোদিনেই পোৱা নাই সি। কোনো দিনেই পোৱা নাই সি আকাংক্ষিত বস্তুটো। তাৰ জীৱনৰ সফলতাৰ লেখচিত্ৰৰ গ্ৰাফডাল ক্ৰমাৎ হেলনীয়া হৈ আহিছে। মেট্ৰিকত প্ৰথম বিভাগ পোৱাৰ পিছত হায়াৰ চেকেণ্ডাৰী চায়েঞ্চ পঢ়িছিল সি। কেমেষ্ট্ৰিৰ কেমিকেল বণ্ডিং আজিও বুজা নহ'ল তাৰ। কাৰ্বনৰ দৰে যাৰে তাৰে লগত যুতঃ যৌগ গঠন কৰি সহযোজ্যতা ধৰ্ম প্ৰকাশ কৰিব নোৱাৰিলে সি।

সি নজনাকৈয়ে ছোৱালী এজনীয়ে খুব ভাল পাইছিল তাক। তাৰ দৰে জধলা এটাক কিয় ভাল পাইছিল কব নোৱাৰে সি। সি সুধিছিল তাইক, কিয় ভাল পায় তাক। দুদিনমান ডেটিং কৰি পাৰ্ক-ৰেস্তোৰাত লগ কৰিব, তাৰ পিছত কলেজ শেষ হলেই সকলো শেষ। এয়াইনে তাইৰ উদ্দেশ্য নে আৰু কিবা আছে। তাৰ প্ৰশ্নত থতমত খাইছিল ছোৱালীজনীয়ে। কোনো উত্তৰ দিব পৰা নাছিল তাই।

ভুলবোৰ এনেকৈয়ে হয়। সৰু ভুল। কিন্তু এই সৰু ভুলবোৰৰ কাৰণে পিচত পস্তাৱ লাগে। জীৱনজুৰি অনুতাপ কৰিব লাগে। তাক প্ৰেমৰ প্ৰস্তাৱ দিয়া ছোৱালীজনী তাৰো ভাল লাগিছিল। কিন্তু তাইকো অন্য দহজনীৰ দৰে ভাবি ভুল কৰিছিল সি। সি যেতিয়া তাইক বিচাৰিছিল, তেতিয়া বহু দেৰি হৈছিল, তাই আনৰ হৈ গৈছিল। প্ৰেমতো অসফল সি। মাজতে সি হায়াৰ চেকেণ্ডাৰী পৰীক্ষাৰ পাছত মেডিকেল পৰীক্ষাৰ বাবে হোষ্টেলত থাকিব লগা হৈছিল। প্ৰাইভেট হোষ্টেলত। এই প্ৰাইভেট হোষ্টেলবোৰৰ কথা খবৰ কাগজত বহুত পঢ়িছে সি। কিন্তু খবৰ কাগজবোৰত লিখাৰ দৰে প্ৰাইভেট হোষ্টেলত সি কোনো অসুবিধা পোৱা নাছিল। বৰং বেচ আনন্দেৰেই পাৰ হৈছিল তাৰ হোষ্টেলৰ চুটি জীৱন। প্ৰথমতে অৱশ্যে হোষ্টেলৰ চিনিয়ৰ সকলৰ প্ৰশ্নৰ মুখামুখি হৈছিল। কেশৱদা, পাপুদা, টাকুদাৰ কথা বহুদিনলৈ পাহৰিব পৰা নাছিল। কেশৱদাই গ্ৰেজুৱেচনৰ পাছত এল,এল, বি পঢ়িবলৈ আহিছিল। টাকুদাই সুদুৰ নাগালেণ্ডৰ পৰা হোটেল মেনেজমেন্টৰ কোৰ্চ পঢ়িবলৈ আহিছিল। হোষ্টেল এৰি অহাৰ পিচত বহুদিন পাচলৈ মিজোৰাম, লুঙলেইনৰ জুৱালাৰ লগত চিঠিৰে যোগাযোগ আছিল।

মেডিকেল কোচিং ক্লাছলৈ প্ৰায়ে নীলা চুড়িদাৰ পৰিহিত ছোৱালীজনী আহিছিল। সুমিতা নে সুলেখা আছিল ছোৱালীজনীৰ নাম। ছোৱালীজনী ভাল লগা হৈ আহিছিল তাৰ। তাৰ হোষ্টেলৰ ৰুমমেট অভিনৱ, তাৰ বৰ আপোন অভিনৱদাৰ বুজনিত খুব সোনকালে পাহৰি পেলাইছিল নীলা চুড়িদাৰক।

কিতাপৰ পাতৰ পৰা যিবোৰ কথা শিকিব নোৱাৰি, হোষ্টেলত সেই কথাবোৰ শিকিছিল সি খুব কমদিনতে। প্ৰাইভেট হোষ্টেলত ৰাতিবোৰ দিন হয়। নিশা দহটামানৰ পৰা অশ্লীল চিঞৰ-বাখৰবোৰ কমি আহে। ল'ৰাবোৰৰ কিতাপৰ পাত লুটিওৱাৰ শব্দৰ হোষ্টেলখন সাৰে থাকে। নিশা দুই বজামানত সি হোষ্টেলৰ পৰা ওলাই আহে। চৌপাশ একেবাৰে নিৰ্জন। দূৰৰ গীৰ্জাৰ পৰা ভাহিঁ অহা টং টং শব্দ। কিবা এটা বেলেগ আমেজত ডুব যায় সি। এটা কবিতা পঢ়ি, কবিতাটোৰ অৰ্থৰ বিশালতাক উপলব্ধি কৰি সি অনন্তত বুৰ যাব পাৰি, সেই অনন্তত বিলীন হৈ যোৱাৰ আনন্দ উজাগৰে থাকি অনুভৱ কৰিব পাৰি।

ক্ৰমাৎ তাৰ হোষ্টেলৰ জীৱন চমু হৈ আহিছিল। হোষ্টেল এৰি অহাৰ দিনা সি ভালদৰে ভাত-পানী একো খাব পৰা নাছিল। হোষ্টেলৰ খানা একেবাৰে উচ্চমানৰ নহয়। তথাপি ঘৰৰ জুতিলগা আঞ্জাও ভাল লগা নাছিল সিদিনা। হোষ্টেলত উজাগৰে থকা দিনবোৰৰ কথা প্ৰায়ে মনত পৰে তাৰ। হোষ্টেলত নিশাৰ আহাৰ খাই দুই এদিন মাজে সময়ে তাচ খেলিছিল ল'ৰাবোৰে। আৰু এদিন তাচ খেলত জীৱন সংগিনীৰ কথা ওলাইছিল। যিজনী ছোৱালী আমাৰ চকুৰ চিনাকি, দুদিনৰ প্ৰেমৰ চিনাকি, সেই ছোৱালীজনীৰ সতে আমি বিয়াৰ পাছত ওৰেটো জীৱন কটাব লাগিব। তাৰ কথা শুনি টাকুদাহতে তাচপাত জপাই থৈছিল। নিশা তিনিটালৈ চলিছিল আলোচনা। জীৱন সংগিনী কেনে হ'ব লাগে সেই সম্পৰ্কীয় আলোচনা।

স্মৃতি ৰোমন্থনৰ এক মিঠা আমেজত ডুব গৈ আছিল সি। হঠাতে কেতিয়া বৰষুণ আহিল সি গমেই নাপালে। এতিয়া আকাশৰ পৰা পানীৰ টোপাল বৰষুণ হৈ পৰাৰ চিপ্ চিপ্ শব্দ। এক সুমধুৰ তালত টিঙৰ পৰা পানী পৰিছে। খিৰিকীখন





জপাই দিলে সি। বহুদিনৰ মূৰত বৰষুণ পৰাৰ শব্দ শুনি ভাল লাগিছে তাৰ। অলপ ঠাণ্ডা লাগিছে। বন্ধ দুৱাৰৰ ফাঁকটোৰে চেঁচা বতাহ সোমাইছে। এক গভীৰ আমেজত চকু দুটা মুদি দিলে সি। এখন অস্পষ্ট ছবি ভাঁহি উঠিল তাৰ মনৰ পৰ্দাত। নীলা আকাশ। এখন বিশাল নীলা কেনভাছ। ছোৱালী এজনীৰ ছবি আঁকিবলৈ চেষ্টা কৰিলে সি। ছোৱালীজনীৰ মুখখন অস্পষ্ট।

(২)

আজি বতৰটো ফৰকাল। ৰাতি হোৱা বৰষুণৰ পানীয়ে সকলো ধুলি মাকতি ধুৱাই নি পৰিবেশটো মনোৰম কৰি তুলিছে। বতাহত হালি-জালি থকা পাতটোত এহাল শালিকা পৰিছে। বাটৰ কাষৰ দ হোলাটোত জমা হোৱা পানীখিনিত পোৱালী হাঁহ কেইটামান চৰি আছে। সুন্দৰ ৰাতিপুৱাটোৱে তাৰ মনটো অধিক সতেজ কৰি তুলিলে। কবিতা এটাও লিখিলে সি। প্ৰেমৰ কবিতা। কবিতাটোত কোনো দুখ নাই। সুন্দৰ পৰিবেশটোৰ দৰেই সুখৰ।

ৰমেনে আজি বাইক এখন চলাই আহিছে। মেট্ৰিকটো কোনোমতে পাছ কৰিছে সি। তাৰপাছত আৰু নপঢ়িলে। গুৱাহাটীতে আছে এতিয়া। পূজা, বিহু ইত্যাদি উৎসৱ-পাৰ্বন থাকিলে সি গাৱঁলৈ আহে। এইবাৰ এনেয়ে আহিছে। নতুন বাইক লৈছেটো।

ৰমেনে বাইকখন ৰখাই অনুভৱ কৰিলে সমীৰে যেন আজি তাৰ লগত কথা পাতিব খোজা নাই। অলপ ৰৈ ৰমেনে সুধিলে,

ঃ আজি তোক বৰ চিন্তিত দেখিছো। দিল্লীৰ খা-খবৰ ভালটো! নে আকৌ কিবা নতুন গোলমাল। চন্দা কেনে আছে? ৰমেনৰ চকুত দুষ্ট হাঁহি।

আগতে সিহঁতৰ বন্ধুমহলত প্ৰেম বুলিলে দিল্লী, দিল্লী কা লাড্ডু বলিয়েই চৰেই জানিছিল। দিল্লীৰ খবৰ মানে চন্দাৰ কথাই সুধিছে ৰমেনে।

মুহূৰ্ততে কলা পৰি গ'ল সমীৰৰ মুখ। চন্দাৰ নামটো শুনি এবাৰ ৰমেনৰ মুখলৈ অন্যমনস্ক ভাবে চাই থাকি কলে,

ঃ তই চন্দাৰ খবৰ নাজান!

ঃ বিশ্বাস কৰ দোস্ত। মই এইকেইদিন বাহিৰতে আছিলো। সেই কাৰণে চন্দাৰ একো খবৰ নাপাওঁ।

ঃ কি ক'ম তোক। মই আকৌ এবাৰ হাৰি গ'লো দোস্ত। তাই মোক বিট্ৰে কৰিলে। নাই, তাই মোক বিট্ৰে কৰা নাই। কিজানি তাই মোৰ প্ৰেমত পৰাই নাছিল।

ৰমেনে জনাত সমীৰ পঢ়া-শুনা, খেলা-ধুলা, গান-বাজনা সকলো দিশৰ পৰাই পাৰ্গত। কিন্তু হ'লে কি হ'ব। তথাপি জীৱনৰ সকলো ক্ষেত্ৰত সি অসফল। বহুবাৰ জীৱনত অকৃতকাৰ্য্য হৈছে সি। বৰ ট্ৰেজিক তাৰ জীৱনৰ কাহিনী। ৰমেনৰ হঠাতে খুব সহানুভুতি জাগি উঠিল সমীৰৰ কাৰণে। সি আৰু সমীৰক চন্দাৰ বিষয়ে একো নুসুধিলে। সমীৰ মানসিকভাবে একদম ভাগি পৰিছে।

ঃ সমীৰ, তই পিছফালে উঠচোন। আমাৰ ঘৰৰ পৰা আহো।

ঃ কিন্তু ........।

ঃ কোনো কিন্তু নাই। উঠচোন।

ৰমেনৰ বাইকৰ পাচফালে উঠিবলৈ সমীৰৰ একেবাৰে মন নাছিল। কিন্তু ৰমেনৰ আন্তৰিকতাক সি উপেক্ষা কৰিব নোৱাৰিলে। আচলতে তাৰ কি

হৈছে নিজেই নাজানে। কাকো একো কব নোৱাৰে। অথচ বুকুৰ কোনোবাখিনিত সি প্ৰায়ে এক আচৰিত ধৰণৰ বিষ অনুভৱ কৰে। সিটো ৰমেন হতভকৈ বহুগুণে চোকা ল'ৰা আছিল। ৰমেনে কেৱল মেট্ৰিকটো পাছ কৰি পঢ়া বাদ দিলে। অথচ সি পি, জি, কৰিছে। কিন্তু ৰমেনহঁতৰ ঘৰৰ অৱস্থা আজি বহু উন্নত। সিও দেউতাকক কৈ বাইক এখন লব পাৰে। কিন্তু পি, জি, কমপ্লিট হোৱাৰ দুটা বছৰ পাৰ হৈ যোৱাৰ পিছটো নিজাববীয়া একো এটা কৰিব নোৱাৰি তাৰ মনটো অলপ অস্থিৰ হৈ পৰিছে।

চন্দা - চন্দনাক ভাল পাইছিল সি। মৰমতে সি মাতিছিল চন্দা, মৰমৰ চন্দা বুলি। যৌৱনৰ প্ৰথম প্ৰেমত যেতিয়া বিফল হৈছিল, তাৰপিছত বহুবছৰ তাৰ জীৱনত প্ৰেম নাছিল। কিন্তু চন্দা আহিছিল তাৰ জীৱনলৈ। খুব নাটকীয়ভাৱে, খুব কম সময়ৰ ভিতৰতে।

বৰ বেয়াকৈ মাৰ খাই গৈছিল তাৰ প্ৰথম প্ৰেমত । পাহৰিব পৰা নাছিল সি অনামিকাক। অনামিকা, তাৰ জীৱনৰ প্ৰথম প্ৰেম।

৯০' চন, ২ জুলাই।

ক্লাছ নাইনৰ ছাত্ৰ সি তেতিয়া। অনামিকাক সি প্ৰথম দেখিছিল সিদিনা। ছোৱালীজনীক দেখি তাৰ বুকুখন গধুৰ হৈছিল। এক বুজাব নোৱাৰা শিহৰণ অনুভৱ কৰিছিল তাৰ বুকুখনত। কান্দিব নে হাঁহিব সি কব পৰা নাছিল। ছোৱালীজনীৰ ৰূপ ব্যক্তিত্বই তাৰ বুকুৰ কোনোবাখিনিত আঘাত কৰিছিল। কব নোৱাৰাকৈয়ে সি ছোৱালীজনীক এবাৰ চাবলৈ, এবাৰ চুই চাবলৈ উদবাউল হৈ পৰিছিল।

অৰিজেনেলি ছোৱালীজনী তাৰ গাঁৱৰে। চাকৰি সংক্ৰান্তত দেউতাক বিভিন্ন ঠাইলৈ বদলি হৈ থাকিব লগা হয়। সেইবাবে ছোৱালীজনীৰে থকা ঠাই সঘনে সলনি হৈ থাকে। গাঁৱত তাইৰ খুৰীয়েকহঁত থাকে। তাইৰ খুৰাকৰ ছোৱালী বৰ্ণালীয়ে খুব ভাল পায় তাক। মৰম কৰে তাক। এই ভালপোৱা, এই মৰম প্ৰেম নহয়। এই বৰ্ণালীয়ে অনামিকাৰ প্ৰতি থকা তাৰ দুৰ্বলতাৰ কথা জানে। প্ৰায়ে অনামিকাৰ কথা কৈ জোকাই তাক। সি হাঁহে। আৰু বেছি হয় তাৰ অনামিকাক চোৱাৰ হেপাঁহ।

কেতিয়া আহিব অনামিকা? কেতিয়া সি অনামিকাক এবাৰ ভালদৰে দেখা পাব। সি প্ৰায়ে ভাবে, সি অনামিকাক কিবা এটা কব। কিন্তু একো কব নোৱাৰে সি। কিবা এক অজান আশংকাত একো কব নোৱাৰে সি। তাইৰ পৰা নিগেটিভ উত্তৰ পোৱাৰ আশংকা নে কি স্পষ্টকৈ কোৱা টান। পোৱা-নোপোৱাৰ, বুজা-নুবুজাৰ এই দোদুল্যমান স্থিতিত সি অস্থিৰ হৈ পৰে। এই অস্থিৰতাই তাৰ বহু অভিজ্ঞতাৰ সোৱাদ দিছে। বহু কথা বুজা হৈছে সি। প্ৰেমৰ বিষয়ে, মানুহৰ জীৱনটো সম্পৰ্কে বহু কিবা কিবি কব পৰা হৈছে সি।

বহাগত ৰঙা গোলাপ ফুলেনে নুফুলে সি নাজানে। কিন্তু তাৰ মনত এতিয়া গোলাপ ফুলাৰ বতৰ। বুকুৰ ভিতৰখনত উখল-মাখল পৰিৱেশ। ক'ত লুকুৱাব মনৰ গোপন খবৰ। কিবা এটা নতুন সৃষ্টি কৰাৰ খুব হেঁপাহ তাৰ। বৰ্ণালীয়ে কৈছে শেৱালীবাৰ বিয়াত অনামিকাই বহুদিন থকাকৈ আহিব। প্ৰতিবাৰেই অনামিকা অহাৰ বহু আগতেই সি গম পায়। তথাপি একো কব নোৱাৰে সি।

উজাগৰে থাকি ভাল পায় সি। যেতিয়া গোটেই পৃথিৱীখন শুই পৰে; নিশাৰ তৰাবোৰ জোনটো সাৰে থাকে। এই জোনটোৱে তাকে দেখা পায়, অনাকো পোহৰাই ৰাখে। বগা পোহৰ





তাক উজাগৰে থকা দেখি জোনটোৱে তাৰ মৰমৰ অনাক বাহিৰলৈ, তাৰ ওচৰলৈ লৈ আহিব যেন লাগে। আকাশত জ্বলি থকা তৰাবোৰলৈ চাই সি ভাবিছে কেনেদৰে এপ্ৰ'ছ কৰিব অনামিকাক। প্ৰেমত সাহসী জনেই জয়ী হ'ব পাৰে। বহুতে কোৱা শুনিছে । সি অনুভৱ কৰা কথাবোৰ, তাৰ প্ৰেমৰ অনুভৱবোৰ অনামিকাক জনোৱাৰ বাবে চিঠি লিখাৰ বাহিৰে দ্বিতীয় এটা ভাল উপায় আছে বুলি সি ভাবিব পৰা নাই। কিন্তু কেনেদৰে আৰম্ভ কৰিব সি। প্ৰেমিকালৈ লিখা প্ৰথম চিঠিখন কেনে হ'ব লাগে কৰবাত সি পঢ়িছে। প্ৰথমে প্ৰস্তাৱনা আকস্মিক, তাৰপিছত কিছু ফ্লেছবেক, তৃতীয়তে এপ্ৰ'ছ, প্ৰেম সম্পৰ্কে প্ৰেৰকৰ ধাৰণা আৰু শেষত উত্তৰ বিচাৰি এটা প্ৰশ্ন। আৰু এই পাঁচটা পইণ্টক সুন্দৰভাৱে সজাই পৰাই লিখিব পাৰিলে এখন প্ৰেমৰ চিঠি, এখন সুন্দৰ প্ৰেমৰ চিঠি প্ৰেমিকালৈ পঠিয়াব পাৰি। কাগজ-কলম টেবুলত লৈ চকীখনত বহিব খোজোতেই ঘৰৰ লাইটবোৰ নুমাই গ'ল। পাৱাৰ কাট্ .............।

টেবুলৰ ওচৰৰ খিৰিকীখন খুলি দিলে। লগে লগে বতাহৰ টোবোৰে কোঠাৰ খিৰিকীৰে সোমাই আহি তাৰ বুকুখনত খুন্দিয়াই থৈ গ'ল। জ্বলি থকা লেম্পটোৰ পোহৰখিনি অলপ বঢ়াই দি কলমটো হাতত লৈ সি অলপ ভাবিলে।

...... মৰমৰ অনা,

আচৰিত হৈছা নহয়। ময়ো মাজে মাজে ভাবি আচৰিত হওঁ, কেনেকৈ কি যে হৈ গ'ল কবও নোৱাৰোঁ অথচ আজিকালি দেখোন বাৰে বাৰে তোমাৰেই কথা ভাবি বিষন্ন হৈ পৰোঁ। তোমাৰ সান্নিধ্যৰ অবিহনে বুকুৰ কোনোবাখিনিত প্ৰায়ে বিষ অনুভৱ কৰোঁ।

তোমাৰ মনত আছে কিজানি, বহুদিন আগেয়ে মই তোমাক এটা কথা কব খুজিছিলো। মোৰ বুকুৰ কোনোবাখিনিত প্ৰায়ে অনুভৱ কৰা বিষটোৰ বিষয়ে জনাব খুজিছিলো। কিন্তু মোৰ সৎসাহস অথবা তোমাৰ উৎসাহৰ অভাৱত মই তোমাক কথাটো কব নোৱাৰিলো। তুমি হয়তো মোক বুজিও নুবুজাৰ ভাও ধৰি আঁতৰি যোৱা বাবে মই মোৰ প্ৰেমৰ ওচৰত হাৰি যোৱা যেন অনুমান কৰিছিলো। সেই অনুমান সচাঁ নোহোৱাৰ বাবে মই সদায়ে আশা কৰি আহিছোঁ।

আজিলৈকে তোমাক লগ নোপোৱাৰ বহুদিন হ'ল। এই দিনবোৰ মই কিদৰে আছো, কেতিয়াবা যদি মোৰ ক্ষতঃবিক্ষত হৃদয়খন জুমি চোৱা, নিশ্চয় গম পাবা, কাৰ মৰমৰ অভাৱত মোৰ হৃদয়খন জহি খহি যাব ধৰিছে! এই পাৰ হৈ যোৱা দিনবোৰত মই অনুভৱ কৰিছো মই তোমাক কিমান ভালপাওঁ? কিয় ভালপাওঁ? সঁচাকৈ জানা, মই মোকেই আগত ৰাখি, মোৰ সপোনবোৰ সাৰটি তোমাকেই ভাল পাওঁ জানা। কিয় তুমি ভাল নোপোৱা? বুজাবা, লিখিবা। মই মোৰ অনুভৱবোৰৰ সতে তোমাৰ উত্তৰলৈ বাট চাই ৰম।

কিন্তু মনত ৰাখিবা, প্ৰেম বা ভালপোৱা মানে দুদিনমান ডেটিং কৰি পাৰ্ক বা ৰেস্তোৰাত লগ কৰা নহয়। প্ৰেম বুজা-বুজিৰ মাধ্যমত গঢ়ি উঠা আন্তৰিক বিশ্বাস। এক পৱিত্ৰ আন্তৰিক অনুভৱ। যদি সঁচাকৈয়ে মোৰ বাবে তোমাৰ প্ৰেম সাঁচি ৰাখিছা, তাৰ খবৰ সোনকালে মোক দিবা। আৰু বহুকথা আছে মোৰ হৃদয়খনত। পিছত তোমাৰ সহাঁৰি পালে জনাম বাৰু। আৰু শেষত, অন্ততঃ এখন চিঠি লিখিবা, নহ'লে কেনেকৈ জানিম তুমি আকৌ মোক ভাল পোৱানে নোপোৱা?

মৰমেৰে

তোমাৰ মৰমৰ (?)

........

চিঠিখন শেষ কৰি সি এটা স্বস্তিৰ নিশ্বাস এৰিলে। টেবুলত প্লেটেৰে ঢাকি থোৱা কাচৰ গিলাচটোৰ পৰা সি অলপ পানী খালে। অলপ আগতে নুমাই যোৱা কোঠাৰ লাইটবোৰ আকৌ জ্বলি উঠিল। সি কোঠাটোৰ লাইটবোৰ আকৌ নুমাই দিলে। এন্ধাৰত যিদৰে আকাশৰ তৰা চাই নিজকে অনন্তত বিলীন কৰি দিব পাৰি পোহৰত সেয়া সম্ভৱ নহয়। এন্ধাৰে যি পোহৰ দিব পাৰে, যি কল্পনাৰ সৃষ্টি কৰিব পাৰে, পোহৰে সেই সপোন আনি দিব নোৱাৰে। পোহৰৰ পৃথিৱীখন বাস্তৱ পৃথিৱী। বাহিৰৰ বাৰাণ্ডাত থকা বেৰত চকীখনত বহি সি গ্ৰিলৰ ফাঁকেৰে আকাশত জ্বলি থকা জোনটোলৈ চালে।

জোনটোৰে যেন কিবা-কিবি বহু কাহিনী আছে। বহুত দুখ আছে জোনটোৰো। তাৰ সদায়ে এনে ভাব হয়। জোনটোৰ আকাশত সদায়ে জ্বলি থকাৰ দুখ নে তাৰ কলিজাটোত ভৰ কৰা নিমখীয়া দুখ। সি জানে, সকলোৰে দুখ একেই দুখদায়ক। সি জানে সকলোৰে চকুপানীৰ একেই সোৱাদ লুনীয়া। কিয় বাৰু মানুহৰ ইমান দুখ. কিহৰ বাবে এই দুখ?

(৩)

*দুবৈত শুনিছো আশাৰে নৈ*
*আছে যে বৈ*
*হিয়াৰ মাজতে থাকিবা সদায়ে*
*তুমি মাথো মোৰেই হৈ !*

তাৰ প্ৰেমৰ প্ৰথম চিঠিখন দিব লগা নহ'ল। শেৱালীবাৰ বিয়াৰ দুদিনমান আগেয়ে খুব আকস্মিকভাবে তাৰ প্ৰেমৰ এপ্ৰ'ছ হৈ গ'ল। বিয়া ঘৰত এক উদুলি মুদুলি পৰিৱেশ। চোতালত ৰভা দিয়াৰ যো-জা চলাইছে গাঁৱৰ ডেকা ল'ৰাবোৰে। সমীৰো আছিল ল'ৰাবোৰৰ লগত। আৰু এটা সময়ত ল'ৰাবোৰ গুছি আহিছিল নিজৰ নিজৰ ঘৰলৈ। সি ৰৈ গৈছিল অনাৰ বাবে, তাৰ মৰমৰ অনাৰ বাবে।

অনাই তাক তামোল দিছিল। চোফা এখনত আউজি বহিছিল সি। তামোল-পাণ এনেয়ে সি নাখায়। তথাপি অনাৰ হাতৰ পৰা তামোল এখন সি লৈছিল। অনাক বহিব কৈছিল তাৰ ওচৰতে থকা চকীখনত। তাই বহিছিল বহো নবোহোকৈ।

বহু কথা পাতিছিল দুয়ো। পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি চিনেমা জগতলৈ। একে বাৰে আত্মীয়তাৰে দুয়ো কথা পাতিছিল। শেষত সি কওঁ-নকওঁকৈ কৈছিল,

ঃ অনা তোমাৰ মনত আছেনে? বহুদিন আগেয়ে মই তোমাক এটা কথা কব খুজিছিলো। তুমি চাগে জানা, মই তোমাৰ প্ৰতি কিবা এটা অনুভৱ কৰো, মই তোমাক ভালপাওঁ।

ঃ মই সকলো জানো, বুজি পাওঁ। বহুদিন আগৰে পৰা। কিন্তু এইবোৰ ইমোচনৰ জানো মূল্য থাকিব। আমাৰ দেউতা যিহে, গম পালে দিব মোক মজাটো।

ঃ কিন্তু ...... ।

ঃ আৰু প্ৰেম কৰিলেও যাৰ লগতেই নকৰো দেউতাই বিয়া নিদিয়ে। প্ৰেম কৰি পিচত দুখ লোৱাতকৈ এতিয়াৰ পৰা এইবোৰ নকৰাই ভাল।

খুব সহজভাবে কৈছিল তাই কথাবোৰ। তাই যেন আগৰে পৰাই সাজু হৈ আহিছিল। নিমিষতে তাইৰ কথাবোৰে তাৰ সকলো সপোন ভাঙি পেলাইছিল। সি কেৱল শেষবাৰৰ বাবে শেষ সিদ্ধান্ত লোৱাৰ আগেয়ে এবাৰ ভালদৰে ভাবি





চাবলৈ কৈছিল।

কিন্তু একো লাভ নহ'ল। আচলতে ভাবি চাবলৈ তাইৰ বোধহয় একো নাছিল। কাৰণ তাই হয়তো যোৱা তিনি বছৰে তাইৰ দুষ্ট চকু দুটাৰে তাৰ লগত ধেমালী। হৃদয় ভাঙি চুড়মাৰ কৰা ধেমালি।

তাইৰ চকুৰ দুষ্ট চাৱনিত, দুষ্টামিৰে ভৰা হাঁহিৰ অৰ্থ সি হয়তো ভুলকৈ বুজিছিল। হয়তো তাৰ ভুল হৈছিল। তাইৰ সৰল মুখখনিৰ আঁৰত লুকাই থকা জটিল চৰিত্ৰটো সি হয়তো বুজা নাছিল।

অনাৰ বিষয়ে সি কৰা সকলো ধাৰণাই ভুল আছিল তাৰ। তাই ল'ৰা এজনক ভাল পাইছিল। কেমেষ্ট্ৰি মেজৰৰ ছাত্ৰ সেই ল'ৰাজন। অনাহতৰ দূৰসম্পৰ্কীয় আলহী হয়। ল'ৰাজনে হয়তো কেমিকেল বণ্ডিংৰ যুত ঃ যৌগ গঠন প্ৰক্ৰিয়াটো খুব ভালদৰে বুজি পাইছে।

কিন্তু কিয় অনাই নকলে তাক তাইৰ প্ৰেম কাহিনী। কিয় তাইৰ সংসাহস নহ'ল। কিয় তাক তাই আকৌ মিছা কথা কলে।

এতিয়াও তাৰ পকেটত সেই অভিশপ্ত চিঠিখন। তাৰ প্ৰেমৰ চিঠিখন। এবাৰ চিঠিখন সি চুই চালে। জীৱনত প্ৰথম এখন প্ৰেমৰ চিঠি লিখিছিল সি। অথচ চিঠিখন তাৰ প্ৰেমিকাই পঢ়িবলৈ নাপালে। এটা দীঘল উশাহ টানিলে সি।

কিমান দুখত মানুহে কান্দে, কিমান দুখত মানুহে দুখ পাতলাবলৈ মদ খায় সি নাজানে। কিন্তু পৃথিৱীত এনে কোনো দুখেই নাই, যি দুখ আন কোনোৱে আগতে অনুভৱ কৰা নাই। কিন্তু তথাপি মানুহে কেতিয়াবা দুখত আত্মহত্যা কৰে, বহুতে নিজকে তিল-তিলকৈ শেষ কৰি দিয়ে। কিন্তু মানুহে কেতিয়াও নিজক উপলব্ধি কৰিবলৈ নিশিকে। মানুহে নিজকে উপলব্ধি কৰাৰ এই সত্যটো আৱিস্কাৰ কৰিব পাৰিলেই মানুহৰ দুখ বহুগুণে পাতলিব। মানুহে মানুহক ভাল পাবলৈ শিকিব।মানুহৰ প্ৰেম প্ৰকৃত প্ৰেমত পৰিণত হ'ব।

সমীৰে নিজকে উপলব্ধি কৰাৰ এই সত্যটো হৃদয়ঙ্গম কৰাৰ ওপৰত সি চিএৰি উঠিছিল। তেতিয়া তাৰ মূৰৰ ওপৰত এখন বিশাল নীলা আকাশ। তাৰ সমুখত যেন এখন বিশাল নীলা কেনভাছ। সি শিল্পী। মনৰ তুলিকাৰে মানুহৰ ছবি আঁকা শিল্পী।

পৃথিৱীৰ বহুতো কথাই পাহৰি যাব পাৰি। কিন্তু নিজক পাহৰিব নোৱাৰি। পাৰি জানো? নিজক পাহৰিব নোৱাৰি বাবেই সজীৱ হয় কিছুমান স্মৃতি। মানুহক উপলব্ধি কৰাৰ বহু সুবিধা পাইছে সি। কিন্তু যোৱা কেইটামান দিনত তাৰ যি অভিজ্ঞতা সঞ্চয় হৈছে, এই অভিজ্ঞতাই তাৰ জীৱনবোধ সলনি কৰি দিছে।

আচলতে মানুহে জীৱনটোত কি বিচাৰে। কি লাগে টকা-পইচা, ইজ্জত, আচমন, মোহব্বত নে আৰু কিবা। আচলতে মানুহে জীৱনটোত তৃপ্তি বিচাৰে। তৃপ্তিৰ চূড়ান্ত সোৱাদ নোপোৱাকৈ মানুহে ক্ষান্ত নহয়। তৃপ্তিৰ সোৱাদ লবলৈ মানুহে স্বাস্থ্যৰ পক্ষে ক্ষতিকৰ বুলি জানিও চিগাৰেট বা মদ খায়। তৃপ্তিৰ সোৱাদ লৈ জীৱনটোক তিল তিলকৈ শেষ কৰি নিদিয়াকৈ মানুহৰ মনত শান্তি নাই।

খোলা খিৰিকীখনৰ সমুখত বহি এনে কিছুমান কথাই সি চিন্তা কৰিছে। তাৰ হাতৰ আঙুলীৰ ফাকত এটা জ্বলন্ত চিগাৰেট। চিগাৰেটৰ ঘোঁৱাবোৰৰ কুণ্ডলী পকাই তাৰ মুখৰ পৰা ওলাই যাব ধৰিছে। এই ধোৱাবোৰ এটা সময়ত বতাহৰ লগত মিলি যাব। হয়তো অস্তিত্বহীন হৈ বতাহত মিলি যাব। এই যে সি চিগাৰেট খায়, নিক'টিনৰ

সোৱাদ লবৰ কাৰণে নে অন্য কিবা কাৰণত। আচলতে মুখৰ পৰা ধোঁৱাবোৰ উলিয়াই দি ভাল লাগে। কুণ্ডলী পকাই উৰি যোৱা ধোঁৱাবোৰ চাই ভাল লাগে।

(৪)

এনেকৈও মানুহ জীয়াই থাকিব পাৰেনে! একেবাৰে নিঃসঙ্গ-নিশ্চল হৈ। মানুহে বহুসময়ত খুব অকলশৰীয়া অনুভৱ কৰে। বহু মানুহৰ মাজত থাকিলেও নিঃসংগতাই আৱৰি থাকে। কিয় এনে হয়? বুজি নাপায় সি। প্ৰেমৰ কথা ভাবিছে। বহুতৰ প্ৰেম কাহিনীৰ কথা তাৰ মনলৈ অহৰহ আহি আছে। বহুতৰে প্ৰেমৰ প্ৰাপ্তি-অপ্ৰাপ্তিৰ বেদনা দেখিছে সি। কিন্তু কি এই প্ৰেম? কিহৰ বাবে প্ৰেমত এই উত্তেজনা। কিহৰ বাবে এই আকুলতা? কি আছে প্ৰেমত? কি সেই প্ৰেমৰ ৰহস্য যাৰ বাবে প্ৰেমৰ সান্নিধ্য পাবলৈ মানুহ উদবাউল হৈ ঘূৰি ফুৰে?

বিচনাত শুই শুই সি চিগাৰেট এটা জ্বলাই ললে। ধোঁৱাবোৰ ক্ৰমশ খিৰিকীৰে ওলাই যাব ধৰিছে। দৃষ্টি তাৰ খিৰিকীৰে দেখা নীলা আকাশত স্থিৰ। এই আকাশখন একেথিৰে চাই থাকিলে সি নীলা কেনভাছৰ অস্তিত্ব অনুভৱ কৰে। আৰু সি ৰূপান্তৰিত হয় এগৰাকী শিল্পীলৈ। মনৰ তুলিকাৰে আঁকিব ধৰা ছবিখনৰ বিষয়বস্তুৰ কোনো বাধ্য-বাধকতা নাথাকে। চকু দুটা মুদি পাহৰিবলৈ চেষ্টা কৰিলে সি আচলতে কি ভাবি আছে। কেতিয়াবা কেতিয়াবা সময় আৰু ভাবৰ প্ৰতি উদাসীনতাই মানুহক অন্য এক পৃথিৱীৰ সন্ধান দিব পাৰে। সেই পৃথিৱীখনত কোনো দুখ নাথাকে। সি ৰূপান্তৰিত হয় পোনাকণ নামৰ এটা সৰু ল'ৰালৈ। চাপৰিত গৰু চৰাবলৈ যোৱা এটা সৰু ল'ৰালৈ। নল-খাহৰিৰে ভৰা চাপৰিত গৰু চৰাবলৈ যোৱা কথাটোতে এটা মাদকতা আছে, এক্সাইটমেন্ট আছে। বৰ সুখৰ আছিল চাপৰিত গৰু চৰাবলৈ যোৱা সেই দিনবোৰ। পোনাকণৰ দেউতাক মহীধৰৰ বহু আশা আছিল পোনাকণক লৈ। পোনাকণক ডাক্তৰী পঢ়ুৱাব খুজিছিল মহীধৰে। সি জানে মহীধৰে কিয় তাক ডাক্তৰী পঢ়ুৱাব কথা ভাবিছিল।

পোনাকণ তেতিয়া সৰু ল'ৰা। একেবাৰে কোলাৰ কেঁচুৱা। গাওঁখনত হাইজা লাগিছিল। বহু মানুহ মৰিছিল। প্ৰথমতে মৰা দুই এটাক দাহ কৰি সৎকাৰ কৰিছিল। পিচত মানুহ মৰিলে সৎকাৰ কৰা মানুহ নোহোৱা হৈছিল। যেনিয়ে-তেনিয়ে পুতি থৈছিল মৃতদেহবোৰ। চাৰিওফালে কান্দোন, বুকু শুদা হোৱা মাতৃৰ হিয়াভগা কৰুণ কান্দোন। এই কান্দোন এক অদ্ভুত চিঞৰ-বাখৰত পৰিণত হৈছিল। আৰু এই মহামাৰীতে পোনাৰ মাক ঢুকাইছিল। মহীধৰে পোনাক বুকুত সাবটি লৈ সেই গাওঁ এৰি গুছি আহিছিল আৰু তেতিয়াই মহীধৰে শপত লৈছিল। পোনাক ডাক্তৰী পঢ়ুৱাব। ডাঙৰ মানুহ কৰি তুলিব। পোনাৰ মাকৰ মৃত্যুৰ পাছত মহীধৰক বহুতেই জোৰ দিছিল এজনী চপাই লোৱাৰ কাৰণে। কিন্তু পোনাক ডাঙৰ মানুহ কৰি তোলাৰ বাটত হেঙাৰ হ'ব পাৰে বুলিয়েই মহীধৰে দ্বিতীয় এজনী চপাই লোৱাৰ কথা নাভাবিলে। আচলতে পোনাৰ দেউতাক মহীধৰে হয়তো নতুনকৈ প্ৰেমত পৰিছিল। মহীধৰে জানে, পতি-পত্নীৰ সম্পৰ্ক জন্ম-জন্মান্তৰৰ সম্পৰ্ক। পোনাৰ মাকৰ মৃত্যুৰ পাছত বেছি গভীৰ হৈছে মহীধৰৰ পোনাৰ মাকৰ প্ৰতি প্ৰেম। মহীধৰ এক অশৰীৰী আত্মাৰ প্ৰেমত পৰিছে। এই প্ৰেমত ঈশ্বৰৰ সন্ধান আছে। ঐশ্বৰিক শক্তি আছে এই প্ৰেমত। এনেয়ে নকয় প্ৰেম স্বৰ্গীয় বুলি।

মহীধৰৰ হাতত ধৰি সি অ, আ, ক, খ





শিকিছিল। মহীধৰে চাপৰিৰ মাটি ভাঙি খেতি কৰিছিল। নৈৰ বাঢ়নী পানীয়ে চাপৰিৰ মাটি খহাইছিল। পোনাহতৰ খেতিৰ মাটি কমি অহাত খেতিৰ ধানেৰে খাবলৈ নোজোৰা হৈছিল। আৰু এদিন মহিধৰে খেতি কৰা গৰু হাল বিক্ৰী কৰি ওচৰৰে বগীহাটত এখন তামোল-পানৰ দোকান খুলিছিল। দুৰ্যোগৰ দিনতো মহীধৰে পোনাক পঢ়ুৱাইছিল। খেতি কৰা গৰুহাল বিক্ৰী কৰাৰ পাছতো তিনিজনী খীৰতি গাই আছিল মহীধৰৰ ঘৰত। পোনাকনে গাওঁৰ লৰাবোৰৰ সৈতে দুবেৰ চাপৰিত গৰু চৰাবলৈ গৈছিল। গৰু চৰাবলৈ পোৱাটো ভাগ্যৰ কথা। জীৱনত যিয়ে গৰু চৰাবলৈ গৈছে সি জানে কিমান আনন্দময় গৰখীয়াৰ জীৱন। মুখত বনগীতৰ কলি; মুৰৰ ওপৰত বিশাল নীলা আকাশৰ সৌন্দৰ্য্য গৰখীয়াৰ মনে উপলব্ধি কৰিব পাৰে। অস্ত যাব ধৰা বেলিটোৰ হেঙুলী কিৰণ সিহঁতৰ ঘৰৰ ওচৰৰে নৈৰ পাৰত বহি চাই ভাল লাগে। নৈৰ মথাউৰিৰ পাৰৰ দুবৰি বনত বহি বিড়ি হুপিবলৈ পালে আৰু ভাল লাগে তাৰ দৰে চেমনীয়াবোৰৰ। সুখী জীৱনৰ সেই মাদকতা পোনাকনে বেছিদিন নাপালে। বগীহাটত দিয়া দোকানখনেৰে মহীধৰে বহুত উন্নতি কৰিছে। পোনাক চহৰত পঢ়ুৱাব খুজিছে।

সমীৰৰ খুব ভালদৰে মনত আছে পোনাকন নামৰ সৰু ল'ৰাটোৰ কথা। চহৰলৈ যাবলৈ অলপো মন নাছিল তাৰ। যেতিয়া মহীধৰে পোনাক চহৰলৈ পঠিওৱাৰ কথা কৈছিল সিদিনা তেতিয়া সন্ধিয়াৰ সময়। চোতালত ঢাৰি পাৰি শুইছিল সিহঁতে। মূৰৰ ওপৰত অলেখ তৰা। পোনাই একেথিৰে চাই আছিল আকাশৰ তৰাবোৰলৈ। কিতাপত সি পঢ়িছে এই তৰাবোৰৰ বেছিভাগেই গতিশীল। ইহঁতবোৰে নিৰ্দিষ্ট কক্ষপথত ঘূৰি থাকে। কেৱল সূৰ্য্যৰ দৰে নক্ষত্ৰ কিছুমানহে বহুপৰিমানে স্থিৰ। আনকি পৃথিৱীখনো গতিশীল। গৰু চৰাবলৈ যাওঁতে হৰ, মাধৱ, ভৱহঁতক পৃথিৱীখন গতিশীল বুলি কওঁতে সিহঁতে তাক হাঁহিছিল। ঠাট্টা মস্কৰা কৰিছিল।

"ঃ দুদিনমান ক-ম পঢ়িয়েই তই পৃথিৱীখন গৈ থাকে বুলি কব, কচোন? পৃথিৱীখন গৈ থাকে যদি আমি কেনেকৈ বৈ গ'লো ইয়াতে।"- ভৱই তাক ঠাট্টা কৰি সুধিছিল।

আৰু বহু কিবা কিবি কৈছিল সিহঁতে। কান্দি গুছি আহিছিল সি ঘৰলৈ। মহীধৰে তাক বহুত বুজাইছিল। সিদিনাই তাক চহৰত পঢ়ুৱাব বুলি কৈছিল। মহীধৰে তাৰ মূৰত হাত বুলাই আছিল।

পোনা গুছি আহিছিল চহৰলৈ। আৰু পোনাৰ স্কুলৰ নাম সমীৰ। সমীৰ বুলিয়েই মাতিছিল সকলোৱে তাক।

(৫)

এতিয়াৰ ল'ৰাবোৰ নিজৰ ভৱিষ্যতটোক লৈ খুবেই সচেতন। কেৰিয়াৰ সম্পৰ্ক সকলোৱে নিজস্ব চিন্তা-চৰ্চা আছে। সেই যে মেডিকেল পৰীক্ষাৰ বাবে হোষ্টেলত থাকোতে সমীৰে লগ পোৱা অভিনবদা নামৰ ল'ৰাজন। এই অভিনৱদাই ব্ৰায়ান আডামছৰ গান বৰকৈ শুনিছিল। অভিনৱদাৰ পঢ়া টেবুলৰ সমুখত লিখা থকা এষাৰ কথাই আজিও তাৰ গা-মন জোকাৰি থাকে।

Everything I do, I do it for you,
But I should doit for myself.

জীৱনত মানুহে বহুতৰ কাৰণে বহু কিবা-কিবি কৰে। কিন্তু নিজক পাহৰিব নালাগে। নিজৰ কাৰণেও কিবা এটা কৰিব লাগে। তেতিয়া এটা সুন্দৰ কেৰিয়াৰ গঢ়ি তুলিব পাৰি।

বহুদিনৰ মূৰত আজি গাওঁলৈ যোৱাৰ কথা মনলৈ আহিছে তাৰ। গাওঁৰ পুৰণি স্মৃতিবোৰে আমনি কৰিছে তাক। মহীধৰৰ কথা ভাবিছে সি। মহীধৰে তাক ডাক্তৰ কৰিব খুজিছিল। নোৱাৰিলে সি মেডিকেল পঢ়িব। কিন্তু মহীধৰৰ দৃষ্টিত ডাঙৰ মানুহ হ'ব পৰাৰ জোখাৰে সি মাষ্টাৰ ডিগ্ৰী লৈছে। গাওঁত গৈ সি কি কৰিব বাৰু! গাওঁত তাৰ বন্ধু বিশেষ নাই। তাৰ লগত গৰু চৰাবলৈ যোৱা ভৰহতৰ বিয়া হৈ গ'ল কিজানি। ল'ৰা-ছোৱালীও এপাল হ'ল কিজানি। গাওঁত অনামিকাৰ কথা বৰকৈ মনত পৰিল তাৰ। ক'ত হেৰাই গ'ল অনামিকা নামৰ ছোৱালীজনী!

অনামিকাক এবাৰলৈ দেখা পোৱা হ'লে। অনামিকাক এবাৰ চাবলৈ আজি খুব মন গৈছে তাৰ। তাক ৰিফিউজ কৰাৰ দিন ধৰি সি অনামিকাৰ খবৰ লোৱা নাই। ইচ্ছা কৰা হ'লে সি অনামিকাৰ সকলো খবৰ লব পাৰিলেহেঁতেন। কিন্তু তাইৰ খবৰ লৈ কিবা জানো লাভ হ'ব। সি এতিয়াও মনে মনে হৃদয়ৰ কোনোবাখিনিত অনাৰ প্ৰতি দুৰ্বলতা অনুভৱ কৰে। তাইৰ প্ৰতি থকা ভীষণ দুৰ্বলতাৰ বাবেই একেখন চহৰতে থাকি সি তাইক লগ ধৰাৰ চেষ্টা নকৰে।

সমীৰে এতিয়া বুজি উঠিছে অকল ইউনিভাৰ্ছিটিৰ ডিগ্ৰী এটাৰে এতিয়াৰ সময়ত চৰকাৰী বা বেচৰকাৰী যিকোনো প্ৰতিষ্ঠানত কৰ্ম সংস্থাপনৰ আশা কৰিব নোৱাৰি। বাংগালোৰত গৈ পাব্লিকেল ৰিলেচনৰ কোৰ্ছ এটা পঢ়ি আহিব খুজিছে সি।

পৰহি যাব সি বাংগালোৰলৈ। মহীধৰে তাক তাৰ যি মন যায় তাকে কৰিবলৈ কৈছে। কিন্তু বাংগালোৰত গৈ সি সুস্থিৰে পঢ়িব পাৰিবনে? ইণ্ডিয়ান ৰেলৱেৰ দ্বিতীয় শ্ৰেণীৰ ডবাটোৰ খিৰিকীৰ কাষত বহি আছে। কিছুমান বিক্ষিপ্ত ঘটনাৰ স্মৃতি আহিছে তাৰ মনত। ট্ৰেইনখনে গুৱাহাটী ষ্টেচন এৰাৰ লগে লগে তাৰ বুকুখনত এক মৃদু জোকাৰণি অনুভৱ হ'ল। আগতে এবাৰ ইউনিভাৰ্ছিটি এক্সাৰচনত বাংগালোৰ ঘূৰি আহিছে সি। বাংগালোৰ চহৰৰ ছবি এখন তাৰ মানস পৰ্দাত ভাঁহি উঠিল। সি আগতেই খবৰ লৈছে ৰথীনৰ ককায়েক মৃগাংকই বাংগালোৰৰ কোম্পানী এটাত কাম কৰে। ৰথীনে তাৰ ককায়েক মৃগাংকক লগ কৰিবলৈ সমীৰক বাৰম্বাৰ অনুৰোধ কৰি পঠাইছে।

ট্ৰেইনখনৰ গতি কমি কমি এটা সময়ত ৰৈ গ'ল। ৰঙিয়া জংচন। ষ্টেচনটোত বেচি মানুহ নাছিল। তাৰ কম্পাৰ্টমেণ্টটোত এগৰাকী মহিলা আৰু এজন আদহীয়া ব্যক্তি উঠিছে। সি মূৰ তুলি চোৱাৰ প্ৰয়োজনবোধ নকৰিলে। আলোচনী এখনৰ পাতবোৰ এনেয়ে লুটিয়াই আছিল সি। আচলতে মহীধৰৰ কথা, আৰু মৰমিয়াল দেউতাকজনৰ কথাই ভাবি আছিল সি।

মানুহগৰাকীলৈ চালে সি। এক স্থিৰ দৃষ্টিৰে মানুহগৰাকী চাই ৰ'ল সি। মানুহগৰাকী দেখি সি আচলতে কিবা এটা অনুভৱ কৰিব লাগিছিল। কিন্তু কোনোধৰণৰ উৎসাহ-উত্তেজনা অনুভৱ নহ'ল তাৰ। তাক দেখি মানুহগৰাকী সামান্য অপ্ৰস্তুত হৈছে। তেওঁ যেন নিজকে সংযত কৰি ৰাখিব পৰা নাই। মানুহগৰাকী চন্দা, এসময়ৰ তাৰ মৰমৰ চন্দা। কপালত ৰঙা ফোট এটা জিলিকি আছে। একেবাৰে টিপিকেল অসমীয়া তিৰোতা। চাদৰ-মেখেলা পিন্ধিছে। চন্দাৰ লগত অহা মানুহজন অলপ বয়সীয়া। চন্দাৰ গিৰিয়েক বুলি ভাবিব নোৱাৰি। সি চন্দাক মাতিবনে নামাতে? মাতো-নামাতোকৈ সি সুধিলে,

ঃ চন্দা, কি খবৰ? কৰবাত যাবা?





ঃ এখেতৰ অসুখ। চেকআপৰ বাবে মাদ্ৰাজত যাম। পিচে আপুনি ......।

ঃ বন্ধু এজন আছে বাংগালোৰত। অলপ ফুৰি আহোঁ। জীৱনত প্ৰথমবাৰৰ বাবে মিছা কলে চন্দাক।

চন্দাই তাক আপুনি সম্বোধন কৰিছে। কিবা এটা যেন কৃত্ৰিম দুৰত্বৰ সৃষ্টি কৰিবলৈ বিচাৰিছে। চন্দাৰ লগত অহা মানুহজনে সমীৰৰ ফালে হাতখন আগবঢ়াই দিলে।

ঃ মই মিঃ কাকতি। চন্দনাৰ হাজবেণ্ড। আপুনি?

ঃ মই সমীৰ ৰঞ্জন চৌধুৰী।

ঃ ভেৰি ইণ্টাৰেষ্টিং, একেলগে দুটা নাম। মই পিছে মিঃ চৌধুৰী বুলিয়েই মাতিম।

ঃ অ'কে, ইটছ আপটু ইউ।

ট্ৰেইনত উঠাৰ পৰাই চন্দাই মিঃ কাকতিৰ লগত এষাৰো কথা পতা দেখা নাই। মানুহজনে নিজে চিনাকি হৈছে তাৰলগত। চন্দা যেন মানুহজনৰ সৈতে সুখী নহয়। দুয়োজনৰ মাজত কিবা এটা যেন ভুল বুজাবুজি হৈছে।

চন্দাৰ মুখলৈ চালে সমীৰে। বিন্দু বিন্দু ঘাম বিৰিঙিছে তাইৰ মুখমণ্ডলত। নাকটো সামান্য ৰঙা পৰিছে। ঠিক সি প্ৰথমবাৰৰ বাবে তাইক 'ভালপাওঁ' বুলি কোৱা মুহূৰ্তৰ দৰে। চন্দাৰ চকুৰ গুৰিবোৰ সামান্য কলা পৰিছে। ঠিক ড্ৰাগচ্ লোৱা মানুহৰ দৰে। চন্দাই ড্ৰাগচ্ লব পাৰেনে? খুব বেচি পৰিশ্ৰমী নতুবা খুব দুখত থকা মানুহৰ চকুৰ গুৰিবোৰ কলা পৰে। সমীৰৰ সন্দেহ ঘনীভূত হ'বলৈ ধৰিলে।

মিঃ কাকতি নিশ্চয় বহুত ধন-সম্পত্তি থকা লোক হ'ব। চন্দাই মিঃ কাকতিৰ প্ৰেমত পৰিছেনে মিঃ কাকতিৰ ধন-সম্পত্তিৰ প্ৰেমত পৰিছে। তাৰ বুজিবলৈ অলপ কষ্ট হৈছে। ছোৱালীবোৰৰ কথা ভাবিলে আজিকালি আচৰিত লাগে তাৰ। ছোৱালীবোৰে প্ৰেম ঠিকেই কৰে কিন্তু ভাল ল'ৰা পালে খুব সহজভাবেই বিয়া হৈ যায়। বিয়াৰ পিচত একেবাৰে পতিব্ৰতা, সতী সাবিত্ৰী, যেন জীৱনত প্ৰেমৰ সতে কোনো পৰিচয়েই নাছিল। একেবাৰে সুগৃহিনী হিচাপে জীৱনটো পাৰ কৰি দিয়ে।....

দীঘলকৈ উকি এটা মাৰি ট্ৰেইনখন ৰৈ গ'ল। চাইনবোৰ্ডখনত ষ্টেচনটোৰ নামটো পঢ়ি চালে। বাংগালোৰ। ৰেকৰ পৰা প্ৰকাণ্ড চুটকেছ নমাই আনি পোন হৈ ঠিয় হ'লহি। চন্দাৰ কিবা কব লগা থাকিব পাৰে বুলি সি নাভাবিলে। সমীৰ এতিয়া মাল্টি নেচনেল কোম্পানী এটাৰ পাব্লিক ৰিলেচন অফিচাৰ। তাৰদৰে পাব্লিক ৰিলেচন অফিচাৰবোৰে কোম্পানীৰ হৈ বহু কাম কৰিব লাগে। পেপাৰত এডভাৰটাইজ দিব লাগে। এডভাৰটাইজিঙৰ সুন্দৰকৈ কেপচনবোৰ লিখিব লাগে। আনকি কেতিয়াবা কেতিয়াবা টাইপিষ্ট হিচাপেও কাম কৰিব লাগে। কম্পিউটাৰ টাইপ ৰাইটিঙত তাৰ বেছ ভাল দক্ষতা আছে। এতিয়া তাৰ সকলো আছে। টকা আছে, গাড়ী আছে মহানগৰীৰ মাজ মজিয়াত দুমহলীয়া ফ্লেট কোম্পানীয়ে দিছে। তাৰ হাতৰ মবাইল ফোনটোও কোম্পানীৰ পৰাই পাইছে। তথাপি তাৰ এতিয়াও ভাৱ হয় সি যেন কিবা এটা পোৱা নাই।

বাংগালোৰত কমপ্লিট কৰি অহা 'পি, জি ডিপ্লমা ইন পাব্লিক ৰিলেচন, নামৰ কোৰ্চটোৱে বহুত সহায় কৰিছে। জীৱনটো উপভোগৰ বাবে সকলো পায়ো তাৰ এনে লাগে সি যেন কিবা এটা পোৱা নাই। কি এই নোপোৱা বস্তুটো। আকাংক্ষিত বস্তুটো কি হ'ব পাৰে। যিটো পোৱাৰ আশা আকাংক্ষাই তাৰ মন-প্ৰাণ অস্থিৰ কৰি

তুলিছে। বাংগালোৰত গৈ তাৰ দুটা লাভ হৈছে। প্ৰথমতে পঢ়িবলৈ যোৱা পি,জি ডিপ্লমাটোৰ বাবে মাল্টি নেচনেল কোম্পানীটোৰ লোভনীয় চাকৰিটো পাইছে। দ্বিতীয়তে গীটাৰ খুব ভালদৰে বজাব পৰা হৈছে সি। আগতেও সি গীটাৰ বজাইছিল, কিন্তু খুব বেচিকৈ বজালে ফ্ৰেটত তাৰ আঙুলিবোৰ ৰৈ গৈছিল। এতিয়া সি যিকোনো সুৰ বজাব পাৰে।

গীটাৰটো হাতত লৈ এনেয়ে টুং টাং কিবা এটা বজাই আছিল সি। জোনাকত গীটাৰ বজাই ভাল লাগে তাৰ। গাঢ় আন্ধাৰতকৈ জোনাকত যেন কিবা এটা ৰোমান্টিকতা আছে। গান এটা মনত পৰিছে তাৰ। মাইকেল লাৰ্নচ্‌ টু ৰক কেছেটখনত শুনিছে সি।

I was almost about to lose my faith

আজি সি অনামিকাক লগ পাইছিল। কেনে আছিল অনামিকাক লগ পোৱাৰ আজিৰ এই মুহূৰ্তটো। সি বহুবাৰ ভাবিছে। আকৌ 'ৰিউ' কৰি চাইছে অনামিকাক লগ পোৱাৰ এই বিশেষ মুহূৰ্তটো। তাৰ জীৱনৰ প্ৰথম প্ৰেমিকা অনামিকা যাক আজি লগ পাইছিল- খুব আকস্মিকভাৱে। শুক্ৰেশ্বৰ ঘাটৰ ওচৰত গাড়ীখন পাৰ্কিং কৰি সি এনেয়ে অলপ ৰৈছিল। ৰাতিপুৱাৰ সময়ত। এই সময়খিনিত বহু ছোৱালী আহে শুক্ৰেশ্বৰ ঘাটৰ এই মন্দিৰটোলৈ। পিচফালৰ পৰা দেখিছিল সি অনামিকাক। তাই নীলা শাড়ী এখন পিন্ধিছিল। নীলা শাড়ীখনৰ সৈতে অপূৰ্ব দেখাইছিল তাইক। এই যে নীলা ৰংটো, আকাশৰ নীলা ৰংটো ভাল নলগা হৈছে তাৰ। কাৰণটো সি কব নোৱাৰে। কিন্তু আকাশৰ এই নীলা ৰংটো, চিয়াঁহীৰ নীলা ৰংটো কিবা বিষ যেন লাগে তাৰ। আজি কিন্তু অনামিকাক নীলা ৰঙৰ শাড়ী পিন্ধা সত্বেও খুব ভাল লাগিছে তাৰ। অনামিকাক হঠাৎ দেখা পাই তাৰ ভিতৰৰ মানুহটো সলনি হৈছে নেকি বাৰু। আজি অনামিকাক লগ পোৱা ঘটনাটো খুব আকস্মিক আৰু নাটকীয়। সি মন কৰিছিল অনামিকাই দেখা সত্বেও তাক মাতিব পৰা নাছিল। অনাক দেখি তাৰ বুকুখন গধুৰ হৈছিল। তাৰ চকুৱে চকুৱে পৰাত অনামিকা যেন সামান্য অপ্ৰস্তুত হৈছিল। সমীৰে তাৰ গাড়ীখনত আউজি দূৰৰ ব্ৰহ্মপুত্ৰৰ পানীত জিলিকি উঠা বেলিটো চাই আছিল।

ঃ সমীৰদা, কাক অপেক্ষা কৰিছে?

ঃ অ' তুমি অনামিকা, আমাৰ এওঁ মন্দিৰত আহিছে। এওঁ মানে মোৰ মিচেছ। মিচেছৰ কাৰণে ৰৈ আছো। তুমি পিচে ...... ভাল তোমাৰ।

ঃ অ' ভালেই। বিয়া কেতিয়া কৰালে গমেই নাপালোঁ।

সমীৰৰ এনে ভাব হ'ল তাই যেন সুধিব খুজিছিল বিয়া কাক কৰালে? তাইৰ শেষৰ বাক্যটোত কণ্ঠস্বৰত বেচ কিছু জড়তা আছিল। তাই যেন খুব কষ্ট কৰি মুখলৈ বাক্যটো আনিছিল।

এতিয়া সি ভাবিছে, কিয় মিছা কলে সি অনাক। তাইটো বেচ অন্তৰংগতাৰেই সুধিছিল তাৰ খবৰ। সি কিয় নুসুধিলে অনাক, তাই কেনে আছে। সি বাৰু অহংকাৰ কৰিছে নেকি? নে অনাৰ প্ৰতি থকা তাৰ প্ৰেম এতিয়া বিদ্বেষত পৰিণত হৈছে নেকি? কি কৰিব খুজিছে সি। অনামিকাক দেখি এনে লাগিছে তাৰ তাই যেন কাৰোবাৰ প্ৰতাৰণাৰ বলি হৈছে। কৰক তাইক প্ৰতাৰণা। ছোৱালীবোৰক প্ৰতাৰণা নকৰিলে নুবুজে সিহঁতৰ প্ৰেমৰ ভাষা। নুবুজে সিহঁতে প্ৰতৰণাৰ বলি হোৱা ল'ৰাবোৰৰ দুখ কিমান। আচলতে অনামিকাৰ প্ৰতি তাৰ কোনো ঘৃণা বা বিদ্বেষ নাই। তথাপি অনামিকাই





তাক এবাৰ ৰিফিউজ কৰিছিল। সেই ৰিফিউজৰ পোতক তুলিব খুজিছে নেকি সি? এতিয়া বতাহ তাৰ প্ৰতিকুলে বলিছে। অনামিকাই সৰ্বস্ব হেৰুৱাই তাক আকোৱালি লব খুজিছে। কিন্তু অনামিকাৰ প্ৰতি তাৰ বুকুত বহু মৰম আছে। অনামিকাৰ সমুখত সৰু হ'ব নোখোজে সি। অনামিকাৰ মুখেৰে তাক ভাল পায় বুলি শুনিব খোজে সি। অস্থিৰ হৈ গ'ল তাৰ মনটো।

* * *

আজি সোমবাৰ। অনামিকা নিশ্চয় আজিও মন্দিৰলৈ আহিব। আজি ৰাতিপুৱাই নিমজকৈ দাঢ়ি খুৰাইছে সি। অনামিকাক লগ ধৰি সি আজি তাৰ জীৱনৰ সকলো কথা কব। অনামিকাৰ হৈ পোৱা প্ৰতিটো আঘাতৰ সতে পৰিচয় হ'ব খোজে সি। অনামিকাৰ প্ৰতি আজি সি কি অনুভৱ কৰিছে প্ৰেম নে সহমৰ্মিতা। ইয়াৰ নাম যিয়েই নহওঁক সি আজি যিকোনো প্ৰকাৰে অনামিকাক লগ পাব খোজে। প্ৰকাণ্ড ফ্লেটটোৰ পৰা তাৰ সৰু জেনখন বাহিৰলৈ ড্ৰাইভ কৰি আনি সামান্য ৰৈ দিলে। মনে মনে সি ভগৱানক প্ৰাৰ্থনা জনাইছে, "হে ভগৱান, অনাক যেন আজি যেনে তেনে লগ পাওঁ, বহু কথা কব লগা আছে তাইক।"

কথাখিনি কব পাৰিলেই যেন বহুদিনৰ পৰা সি বুকুত অনুভৱ কৰি থকা বিষটো কমিব। তাৰ বুকুৰ কব নোৱাৰা কথাবোৰ কোৱাৰ বাবে অনামিকাক লগ পাৱনে বাৰু। ❏❏❏

## Test Your General Knowledge

(a) Barometer is used to measure which of the following :-
(i) Dansity of liquids. (ii) Elactric current.
(iii) Atmosphere pressure. (iv) Quantity of heat.
(b) Where did the game of volleyball originate ?
(c) Subroto Cup is associated with :-
(d) Which is the higest mountain in India ?
(e) From what dour is opium made ?
(f) Which brings the highest tax Revenue to the Govt. of India ?
(g) The 2000 Olympic games are scheduled to be held in ?
(h) What is the name of India's permanent station in the Antarctica ?
(i) The most abundantly found gas in the atmosphere (the gases that surround the earth)?
(j) Preparation of curd is involves ....?
(k) The most populous state in Indiais ?
(l) The concept of "Zero" was first given by ..... ?
(m) Which colour occurs in the middle of the Rainbow .... ?
(n) The name of the Company owned by Bill Gates, American Billionaire .... ?

**Ans of General Knowledge Question.**

(a) Atmosphere Pressure. (b) U.S.A. (c) Football. (d) Kanchanjanga. (e) Poppy. (f) Central Excise. (g) Sydney (h) Maitri. (i) Nitrogen. (j) Bacteria.(k) Uttar Pradesh. (l) Indians. (m) Green. (n) Microsoft Corporation.

গল্প



# এবুকু প্ৰেম........ এবুকু দুখ........"

শ্ৰী প্ৰাঞ্জল শৰ্মা।
স্নাতক, দ্বিতীয় বৰ্ষ

মোৰ অকলেই থাকিব দিয়া।
মোৰ পঁজাটিৰ বন্ধ দুৱাৰত
কোনো কৰাঘাতেই মোৰ কাম্য নহয়,
এনে লাগে যেন
দুৱাৰ খুলিলেই সোমাই আহিব
এটি বিষন্ন সন্ধিয়া।।

অবিনাশে এটা চিগাৰেট জ্বলাই ললে। খিৰিকি খন খুলি সি চাই ৰ'ল সমুখৰ কজলা এন্ধাৰ জাকলৈ। এচাতি শীতল বতাহে তাক তন্দ্ৰালস কৰি তুলিলে। চিগাৰেটৰ ধোৱাৰ কুণ্ডলী বোৰৰ লগে লগে তাৰ মনটোৱে উৰি গ'ল এৰি অহা দিন বোৰলৈ।

অবিনাশৰ বন্ধুবোৰৰ মাজত সিয়েই আটাইতকৈ চঞ্চল বুলি তাৰ নাম আছিল। এটা মুহুৰ্তও সি থিৰেৰে থকা নাছিল। কিবা নহয় কিবা এটা উৎপাত কৰি সকলোকে অতীষ্ঠ কৰিছিল। কিন্তু তাৰ এই স্বভাৱৰ বাবে কোনেও তাক বেয়া পোৱা নাছিল। কাৰণ তাৰ বাবেই জমি আছিল সিহঁতৰ গ্ৰুপটো.........।

পুৰি শেষ হোৱা চিগাৰেটটোৱে আঙুলি স্পৰ্ষ কৰাত অবিনাশ চক খাই উঠিল। আজিকালি কেতিয়াবা কেতিয়াবা এনেদৰেই সি হেৰাই যায় আন এখন জগতত। অবিনাশে নিজেও অনুভব কৰে যে সি বহু সলনি হ'ল। ইমান গহীন গম্ভীৰ সি কাহানিও নাছিল। কথা কম কোৱা বাবে সিহঁতৰ লগৰ সীমান্ত আৰু ৰাজিতাক সি গঙাটোপ বুলি জোকাইছিল। কিন্তু তাৰ নিজৰ ক্ষেত্ৰত এয়া কি হ'ল সি নিজেও ভাবি নাপায়। লগৰ সকলোৰে সুখ-দুখত সমভাগী হোৱা অবিনাশৰ এই পৰিবৰ্তন যে কাৰো চকুত পৰা নাই এনে নহয়, বহুতেই তাক সুধিছে তাৰ এই স্বভাৱ বিৰুদ্ধ পৰিবৰ্তনৰ কাৰণ। কিন্তু লগে লগে অবিনাশে সেই প্ৰসংগ ত্যাগ কৰে। কাৰণ সি জানে যে সি যিটো মানসিক অন্তৰ্দগুত ভোগিছে তাৰ প্ৰকৃত সমাধান তাক কোনেও দিব নোৱাৰে।

দুৱাৰ খন খুলি অবিনাশ বাহিৰলৈ ওলাই আহিল। তৰাৰ লগত লুকা-ভাকু খেলি থকা জোনটো যেন তাক দেখি আতৰি যাবলৈ চেষ্টা কৰে। চৌপাশ নিৰল নিস্তব্ধ। কেতিয়াবা কেতিয়াবা নিজৰ পৰা নিজে পলাই ফুৰিও জীৱনৰ প্ৰেৰণা বিছাৰি পোৱা যায়। অবিনাশৰ ক্ষেত্ৰটো তাৰ তেনেকুৱাই অনুভ হয়। আচলতে সি কি বিছাৰে সি নিজেও নাজানে। সেয়ে অবিনাশ নিজৰ পৰাও





পলাই ফুৰে। কিন্তু লাহে লাহে অবিনাশে অনুভব কৰিছে তাক এটা সঠিক সিদ্ধান্তৰ প্ৰয়োজন। বাৰান্দাত পাৰি থোৱা ইজি চেয়াৰ খনত গা টো এৰি অবিনাশ উভটি গ'ল দুবছৰ আগৰ সেই দিনটোলৈ।..........

সদায় গধূলি বিপ্লবৰ পি.চি.অ'ত দুঘন্টা মান বহাটো অবিৰাশৰ দৈনন্দিন ৰুটিনৰ অন্তৰ্ভুক্ত। মলয়,বিকাশ,ৰাজাহতো আহি একেলগে বহেহি। সিহতৰ আলোচনা ৰাজনীতিৰ পৰা আৰম্ভ কৰি সকলো সামৰি সদায়েই শেষ হয় কাৰোবাৰ প্ৰেমত।সেই দিনাও ৰাজা আৰু মুনুমীৰ প্ৰেম লৈ সিঁহতৰ আদ্দা বেছ জমি আছিল। ঠিক এনে সময়তে পি.চি.অ'লৈ সোমাই আহিছিল শাৰী পৰিহীতা ক্ষীনাংগী ছোৱালী এজনী। নম্বৰ এটা আগবঢাই দি তাই কৈছিল .... "kindly এই নম্বৰ টো conncet কৰি দিয়ক চোন। বিপ্লৱে নম্বৰটো conncet কৰি ৰিচিভাৰটো ছোৱালী জনীলৈ আগবঢাই দিছিল।

"..... হেল' ৰিনি বা নেকি! মই ছাঁয়া।

...... নাই !, ভালেই। তুমি কেতিয়া আহিবা?

...... ওহো নহব। অকমাণ সোণকালে আহানা।

..... শনিবাৰে! হ'ব বাৰু মই ষ্টেচনত ৰৈ থাকিম। কিমান সময়ত পাবাহি?

..... O.K. মই পাঁচ বজাত ষ্টেচন পামগৈ। ৰাখিছো দেই। ৰিচিভাৰ ৰাখি ছায়াই বিপ্লবলৈ চাই শুধিছিল বিল কিমান হ'ল। বিপ্লবে বিল খন আগবঢাই দিয়াত বিল দি বাহিৰলৈ ওলাই গৈছিল ছাঁয়া আৰু তাইৰ বান্ধৱী। কিন্তু অবিনাশৰ বুকুত ৰৈ গৈছিল ছাঁয়া আৰু এক অচিন অনুভৱ। ইয়াৰে আগতে কোনো দিনেই সি কোনো ছোৱালীৰ প্ৰতি দুৰ্বলতা অনুভব কৰা নাছিল। কিন্তু ছাঁয়া! ছাঁয়া যেন অনন্যা। কি অছিল বাৰু ছাঁয়াৰ চকু যুৰিত! আৰু ছাঁয়াৰ মাত! যেন বহু দূৰৰ পৰাই প্ৰতিধ্বনিত হৈ ধৰা দিছিলহি তাৰ কাণত। ছাঁয়া পি.চি.অ'ৰ পৰা ওলাই যোৱাৰ পিছত তাই এৰি যোৱা কোমল গোন্ধটোৱে অবিনাশক তন্ময় কৰি ৰাখিছিল। সেইদিনা বহু সোনকালেই সি ঘৰলৈ উভটিছিল। বিছনাখনত বাগৰি আছিল যদিও অবিনাশৰ টোপনি অহা নাছিল। অনবৰতে ছাঁয়াই তাক আমনি কৰি আছিল। সি অনুভৱ কৰিছিল যে তাৰ এই অনুভূতিৰেই অন্য নাম প্ৰেম। ছাঁয়াৰ কথা ভাবি ভাবিয়েই এটা সময়ত তাৰ টোপনি আহিছিল।

................ অবিনাশৰ নিৰ্ভূল ভাবে মনত আছে সেই দিনা বুধবাৰ আছিল। সি অধিৰ আগ্ৰহেৰে অপেক্ষা কৰিছিল শনিবাৰটোলৈ।

শনিবাৰে ঠিক পাঁচ বজাত সি ষ্টেচন গৈ পাইছিল। তাৰ উৎকণ্ঠিত চকু যুৰিয়ে বিছাৰি ফুৰিছিল ছাঁয়াক। সি দেখিছিল ৱেটিং ৰুমৰ এখন চেয়াৰত বহি আছে ছাঁয়া। অকলে। খন্তেক পিছত চিফুং এক্সপ্ৰেছ আহি ৰৈছিলহি। ছাঁয়া প্লেটফৰ্মলৈ আগবাঢ়ি আহিছিল। এনেতে এজনী জীনচ্-টপ পৰিহীতা ছোৱালী হাতত এয়াৰ বেগ এটা লৈ দৌৰি আহি ছায়াক সাৱটি ধৰিছিল। অবিনাশৰ বুজাত অসুবিধা হোৱা নাছিল যে তেৱেঁই ছাঁয়াৰ ৰিনি বা'। ষ্টেচনৰ পৰা ওলাই দুয়োজনীয়ে অটো এখনত উঠিছিল। অবিনাশেও তাৰ বাইক চলাইছিল অটোখনৰ পিছে পিছে। এনেদৰেই লাচিত নগৰত থকা ছাঁয়াৰ ঘৰটো বিছাৰি উলিয়াইছিল অবিনাশে।

......................

অবিনাশে চিগাৰেট এটা জ্বলাবলৈ ভিতৰলৈ

সোমাই গ'ল। চিগাৰেট টো জ্বলাই লৈ সি পুনৰ বাৰান্দাত আহি বহিলহি। জোনটো লাহে লাহে পঁচিম আকাশৰ ফালে আগবাঢ়ি গৈ আছে। পিছে পিছে এচপৰা শুকুলা ডাৱৰ। যেন জোনটিক পাবলৈ অপ্ৰাণ চেষ্টা কৰিছে। তৰা বোৰে সেয়া চাই যেন মুখটিপি হাঁহিছে। লাহে লাহে অবিনাশ আকৌ হেৰাই গ'ল তাৰ স্মৃতিৰ জগত খনত।................ৰাতি পুৱাৰে পৰা বতৰটো গোমা হৈ আছিল। কেনিও ওলাই যোৱাৰ মন নাছিল অবিনাশৰ। এনেতে ১০ মান বজাত মলয় আহি ওলাইছিল। সি তাক লাইব্ৰেৰীলৈ লগ ধৰিছিল। অনিশ্চা স্বত্তেও মলয়ৰ বাবে বাধ্য হৈছিল অবিনাশ। বাইকখন অলপ মঁচি লৈ দুয়ো ওলাই গৈছিল। লাইব্ৰেৰী গৈ পোৱাৰ পিছত মলয়ে কিতাপ বিছাৰিব লগা আছে বুলি তাক Reading Room অত অপেক্ষা কৰিব কৈ ভিতৰ সোমাই গৈছিল। Reading Room অত সোমায়েই স্তব্ধ হৈ ৰৈছিল অবিনাশ। ৰুমটোৰ সিটো মূৰে এখন চেয়াৰত বহি একান্ত মনে কিতাপ পঢ়াত মগ্ন তাৰ সপোনৰ পৰী ছাঁয়া। থৰ লাগি চাই ৰৈছিল সি ছাঁয়ালৈ। ফেনৰ বতাহে ছাঁয়াৰ মুখত ছটিয়াই দিছিল তাইৰ টো খেলা চুলি কোঁচাৰ পৰা কেইডালমান অবাধ্য চুলি। ৰুমটোৰ সোঁমাজৰ খুটাটোৰ আৰত বহি পৰিছিল অবিনাশ। ছাঁয়াই তাক দেখা নাছিল যদিও সি বহি থকা ঠাইৰ পৰা ছাঁয়াক ভালদৰেই দেখা পাইছিল।

দুৰৈত ক'ৰবাত কুকুৰ এটাই ভুকি অবিনাশৰ তন্ময়তা ভাঙি দিলে। নিষ্ঠুৰ দিঠকৰ মুখা মুখি হলেই অবিনাশে অস্বস্তি অনুভৱ কৰে। বিগত দুটা বছৰ এনেদৰেই পাৰ হৈ গ'ল। যোৱা কালিও সি লাইব্ৰেৰীলৈ গৈ ছাঁয়াক দূৰৰ পৰাই চাই আহিছে। যেতিয়া সি লাইব্ৰেৰীলৈ গৈ গৈ গম পাইছিল যে ছাঁয়া নিয়মিত লাইব্ৰেৰীলৈ আহে, তেতিয়াৰে পৰা সিও নিয়মিত লাইব্ৰেৰীলৈ যায়; দূৰে দূৰে থাকি ছাঁয়াক চাই আৰু ঘৰলৈ ওভটি আহে। কিন্তু আজিলৈকে ছাঁয়াই গমকে নাপালে যে অলক্ষিতে কোনোবাই ছাঁয়াক লক্ষ্য কৰি আছে; তাইৰ প্ৰতিটো অভিব্যক্তিয়েই কাৰোবাৰ মুখস্থ। .......................

কেতিয়াবা অবিনাশৰ নিজৰ ওপৰতেই খং উঠে। সি নিজে ভাবি নাপায় কিয় সি নিজকে ছাঁয়াক তাৰ প্ৰেমৰ প্ৰস্তাব দিয়াৰ বাবে সাজু কৰিব নোৱাৰে। এনে সময়ত অবিনাশে অনুভৱ কৰে তাৰ প্ৰেমৰ বিষয়ে ধাৰণা বাকী বোৰতকৈ অলপ বেলেগ। কাৰণ সি তাৰ প্ৰেমৰ বিষয়ে যিদৰে চিন্তা কৰিছে সেয়া যদি সি কাৰোবাক কয় তাক পোনচাতেই পাগল বুলি ক'ব। কিন্তু অবিনাশে অনুভৱ কৰে সেয়া তাৰ পাগলৰ চিন্তা নহয়; বৰঞ্চ এটা সুস্থ মনে চিন্তা কৰা নিষ্ঠুৰ সত্য। কাৰণ সি ছাঁয়াক ইমানেই ভাল পায় যে আনকি ছাঁয়াৰ মাক দেউতাকেও ছাঁয়াক মৰম কৰাটো সি সহ্য কৰিব নোৱাৰে। সি বিচাৰে ছাঁয়াৰ হিয়াৰ সমস্ত মৰমৰ অধিকাৰী হ'ব।......................

........ চৰাইৰ কাকলি আৰু পুৱাকালৰ ৰঙচুৰা আভাই এটা নতুন দিনৰ বতৰা দিলেহি। এনেকুৱা অবিনাশৰ বহুদিন হৈছে। এটা নিখুঁট সমাধান বিচাৰি সি এনে বহু বিনিদ্ৰ ৰজনী অতিবাহিত কৰিছে। অবিনাশে ভিতৰলৈ সোমাই গ'ল। টেবুলৰ পৰা চিগাৰেটৰ পেকেটটো তুলি লবলৈ ধৰোতেই তাৰ চকুত পৰিল ফনীন্দ্ৰ দেৱ চৌধুৰীৰ "অনুৰাধাৰ দেশ" নামৰ কিতাপখন। এই খন অবিনাশৰ অন্যতম প্ৰিয় উপন্যাস। কিতাপ খনলৈ চকু পৰাত তাৰ মনত পৰিল দেৱ চৌধুৰীৰ এটা উক্তি "ভাল পোৱাৰ ক্ষেত্ৰত কোনো বৈধতাৰ প্ৰশ্ন নুঠে।" লগে লগে যেন অবিনাশে তাৰ সকলো





আউল লগা প্ৰশ্নৰ উত্তৰ বিচাৰি পালে। ইমান দিনে যিটো কাম সি কৰিম বুলি ভাবি আছিল সেই কামটো তাৰ বাবে ভাল হ'ব নে ভুল হ'ব, সি নিৰ্ণয় কৰিব পৰা নাছিল। কিন্তু এই সৰু উক্তিটোৱে যেন তাক সকলো উত্তৰ দি গ'ল। এটা স্বস্তিৰ নিশ্বাস এৰি সি ছাঁয়ালৈ এখন চিঠি লিখিব ললে। চিঠিখন শেষ কৰালৈ চৌদিশে পোহৰ হৈছিল। বিছনাত গাটো এৰি দি অবিনাশে অলপ টোপনি যোৱাৰ চেষ্টা কৰিলে। ...............

এঘাৰ মান বজাত শোৱাৰ পৰা উঠি অবিনাশে গা-পা ধুই ছাঁয়ালৈ লিখা চিঠি খন আকৌ এবাৰ পঢ়ি চালে। অবিনাশে গোটেই কথাবোৰ মনত আকৌ এবাৰ জুকিয়াই লৈ অনুভৱ কৰিলে যে সি যি কৰিবলৈ ওলাইছে সেয়া একো পাপ নহয়। হয়তো কিছুমানৰ মনত তাৰ চিন্তাধাৰা খাপ নাখাব পাৰে; কিন্তু তাৰ বাবে সি যি কৰিব ওলাইছে সেয়াই আটাইতকৈ উপযুক্ত সমাধান। কাৰণ অবিনাশৰ যুক্তিত প্ৰেম মানে বিবাহ নহয়; প্ৰেম মানে দুটা দেহ নহয়, দুটা আত্মাৰ মিলন। অৱশ্যে কেতিয়াবা সিও নিজকে প্ৰশ্ন কৰে "দেহ নোহোৱাকৈ জানো আত্মাৰ অস্তিত্বৰ কথা অনুভৱ কৰিব পাৰি?" কিন্তু এনে বোৰ সময়ত তাক আমনি কৰেহি তাৰ অসমাধিত মানসিক অৰ্ন্তদ্বন্দ্বই। সেয়ে অবিনাশে সাৰটি লয় তাৰ পূৰ্বৰ সিদ্ধান্তক - "প্ৰেম দুটি আত্মাৰ মিলন"। চিঠিখন পঢ়ি উঠি অবিনাশে ঘড়ীটোলৈ চালে। বাৰ বাজিছে মাত্ৰ। ছাঁয়া চাৰি/চাৰে - চাৰি মান বজাতহে লাইব্ৰেৰীলৈ আহে। অবিনাশৰ বাবে সময়বোৰ যেন বহু দীঘলীয়া হৈ পৰিছে। চিঠিখন পঢ়াৰ পিছত ছাঁয়াই তাক কি ভাবে ল'ব - সেই কথাটোৱে অবিনাশক অমনি কৰিলেহি। তাৰ অন্তৰত যিবোৰ ভাবৰ বা-মাৰলি সৃষ্টি হৈছে সেয়া জানো ছাঁয়াই বুজিব! অবিনাশে জানে যদি তাৰ প্ৰেমৰ গভীৰতা প্ৰকৃততে অনুভৱ কৰিব পাৰে তেতিয়া ছাঁয়াই তাৰ এনে এখন চিঠিৰ বাবে তাক দোষ নিদিয়ে। কিন্তু............। এইবোৰ চিন্তা কৰি অবিনাশে আৰু নিজকে বিচলিত কৰিব নিবিছাৰিলে। ৰেকৰ্ড প্লেয়াৰৰ চুইচটো টিপি দি সি চোফাখনত আউজি ৰ'ল। মৃদু ভলিউমত ভাঁহি আহিল জুবিনৰ সেই গীতটি -

ৰ'দ ৎৎৎ....... ৰ'দ আজি কেনি চাঁও -
খিৰিকি মেলি সমুখত এন্ধাৰহে পাও
কোঠালি এৰি বাহিৰত পথ হেৰাও।

অবিনাশে অনুভৱ কৰিলে সিও যেন সঁচাকৈয়ে পথহাৰা পথিক। সি নিজেও নেজানে তাৰ এই যাত্ৰাৰ শেষ ক'ত। চিগাৰেট এটা জ্বলাই লৈ সি তাৰ আকাংক্ষিত মুহূৰ্ত্তটোলৈ বাট চাই ৰ'ল। ............. ....... ছাঁয়া........ অকণমান ৰ'বাচোন।

এটা অচিনাকি কণ্ঠস্বৰে ছাঁয়াক চক খুৱাই দিলে। ওভটি চাই ছাঁয়াই সমুখত দেখা যুৱক জনক আগতে দেখা মনত নপৰিল। অথচ তেওঁ এনেদৰে সম্বোধন কৰিছে ছাঁয়া যেন তেওঁৰ বহু দিনৰ চিনাকি। যিয়েই নহওক ভদ্ৰতাৰ খাতিৰতেই ছাঁয়া ৰ'ল।

-আপুনি মোক মাতিছে?

- তোমাৰ লগত মোৰ অকমান কথা আছিল। যদি বেয়া নোপোৱা মোক অলপ সময় দিবা নেকি? অবিনাশৰ প্ৰশ্নই ছাঁয়াক সঁচাকৈয়ে আচৰিত কৰি তুলিলে। যিজন ল'ৰাক আগতে কতো লগ পোৱাটো দূৰৰেই কথা ; দেখা পোৱাও মনত নপৰে সেইজন ল'ৰাৰ আকৌ ছাঁয়াৰ লগত কি কথা থাকিব পাৰে। ছাঁয়াই ভালদৰে অবিনাশক লক্ষ্য কৰিলে। মধ্যমীয়া ওখ, মিঠা বৰণৰ

অবিনাশক প্ৰথম দৃষ্টিত ছাঁয়াৰ বেয়া নালাগিল। মুখৰ অভিব্যক্তিলৈ চাই ল'ৰা জনে তাইৰ কোনো অপকাৰ কৰিব বুলিও ছাঁয়াৰ মনে নধৰিলে। সকলোতকৈ ডাঙৰ কথা হ'ল অবিনাশৰ নিৰ্ভীক কথন ভংগীত ছাঁয়া প্ৰভাবান্বিত হৈছিল। ছাঁয়া উৎসুক হৈয়ো পৰিছিল যে ল'ৰা জনৰ তাইৰ সতে কি কথা থাকিব পাৰে।

- মই আপোনাক চিনি পোৱা নাই।

- নেপাবাও। নোপোৱাটোৱেই স্বাভাবিক। মোক তেনেকৈ চিনি পাবলগীয়া কোনো বিশেষ চিনাকি মোৰ নাই। কিন্তু তোমাক কবলগীয়াকথাখিনি এনেদৰে নকৈ লাইব্ৰেৰীতে বহোঁগৈ নেকি? অবিনাশে কথাখিনি কৈ ছাঁয়াৰ মুখলৈ চাই ৰ'ল। অবিনাশৰ কথা কোৱাৰ ধৰণটোত ছাঁয়া অবাক হৈ পৰিল। প্ৰথম চিনাকিত এজন ল'ৰাই ছোৱালী এজনীক এনেদৰেও যে নিজৰ পৰিচয় দিব পাৰে সেয়া ছাঁয়াৰ কল্পনাৰো অগোচৰ আছিল। তাৰ লগত অলপ কথা পাতিবলৈ ছাঁয়া নিজেও আগ্ৰহী হৈ পৰিল। আহক বুলি কৈ তাই অবিনাশৰ লগত লাইব্ৰেৰীৰ ফালে অগ্ৰসৰ হ'ল। লাইব্ৰেৰীৰ Reading Room অত চুকৰ ফালে দুখন বেঞ্চত দুয়ো মুখা মুখিকৈ বহিল। এক মিনিট মানৰ মৌনতাৰ পিছত অবিনাশেই মৌনতা ভংগ কৰি আৰম্ভ কৰিলে।

- ছাঁয়া, তুমি মোৰ পৰিচয় বিছাৰিছিলা। মই জানো তুমি খুবেই আচৰিত হৈছা এজন অচিনাকি মানুহৰ এই অপ্ৰত্যাসিক নিমন্ত্ৰণত। কিন্তু মই তোমাৰ বাবে অচিনাকি হলেও তুমি মোৰ বহুদিনৰ চিনাকি। তুমি মোক চিনি পাবলৈ উৎসুক হৈ পৰিছা নহয়। মোক অবিনাশ বুলি মাতিব পাৰা। ইয়াতকৈ বেলেগ চিনাকি আৰু মোৰ নাই। একে উশাহৰে কথাখিনি কৈ অবিনাশ ৰ'ল। সি যেন কেনেদৰে কথাবোৰ আৰম্ভ কৰিব ভাবি চালে। অবিনাশে ছাঁয়াৰ মুখলৈ চালে। তাই একেথৰে অবিনাশৰ ফালে চাই আছে। চকুৰে চকুৰে পৰাত ছাঁয়াই চকু নমাই ললে। অবিনাশেও অনুভৱ কৰিলে সিও যেন ভিতৰি ভিতৰি অলপ অপ্ৰস্তুত বোধ কৰিছে। সি সেয়া প্ৰকাশ নকৰি পূৰ্বৰ দৰে কৈ গ'ল।

-ছাঁয়া, তুমি মনে মনে আছা। হয়তো বিৰক্ত হৈছা। তোমাক আমনি কৰিব লগা হোৱা বাবেময়ো দুঃখিত। মোৰ কবলগীয়া খিনি মই যিমান পাৰো চুটি কৰিবলৈ চেষ্টা কৰিম। মোৰ অনুৰোধ মোৰ কথা খিনি তুমি যেন বুজিবলৈ চেষ্টা কৰা। অবিনাশে আকৌ মনে মনে ৰ'ল। সি যেন ভাগৰি পৰিছে। ছাঁয়াই একান্ত মনে অবিনাশৰ কথা শুনি আছে যদিও লগে লগে তাই অবিনাশক বুজিবলৈ চেষ্টা কৰি আছে। তাইৰ এনে লাগিছে যেন তাই অবিনাশৰ মাজত কিবা এটা বিচাৰি পাইছে। এই অকণমান সময়ৰ ভিতৰতে তাই অবিনাশৰ প্ৰতি যেন বহু বেছি পৰিমানে আকৃষ্ট হৈ পৰিছে। ইমান সময়ে ছাঁয়াই এটা কথাও কোৱা নাই। আচলতে অবিনাশৰ কথাৰ মাজত মাত দি তাৰ কথাত ব্যাঘাত জন্মোৱাৰ মন নাই।

-তোমাক মই ভাল পাও ছাঁয়া..! স্তম্ভিত হৈ পৰিল ছাঁয়া। যিমানেই সময় অতিবাহিত হৈ আছে এই অবিনাশ নামৰ ল'ৰা জনে সিমানেই তাইক আচৰিত কৰি তুলিছে। সঁচাকৈয়ে তাই অবিনাশৰ এই নিৰ্ভীক তথা স্পষ্টবাদী স্বভাৱটোত মুগ্ধ হৈ পৰিছে। তাই কি ক'ব কি নকব একো ভাবি নাপালে। ঘটনাৰ আকস্মিকতাই ছাঁয়াক বিমূঢ় কৰি তুলিলে। ছাঁয়াই নিজকে প্ৰশ্ন কৰিলে তাই কি কৰা উচিত। অবিনাশৰ প্ৰস্তাব প্ৰত্যাখান কৰিবলৈও কোনো কাৰণ তাই ভাবি নাপালে। কেতিয়াবা কেতিয়াবা কিছুমান মানুহৰ প্ৰতি প্ৰথম দৃষ্টিতেই একোটা ধাৰণা গঢ় লয়। অবিনাশৰ প্ৰতিও তাইৰ মনে কোনো নীতিবাচক ইংগিত কৰা নাই; বৰঞ্চ তাই অবিনাশৰ প্ৰতি আকৃষ্টহে হৈ পৰিছে। এনে লাগিছে যেন অবিনাশেই সেই জন ব্যক্তি যাৰ সতে তাই তাইৰ ভবিষ্যতৰ সপোন ৰচিব পাৰে। তাই অনুভৱ কৰিলে অবিনাশৰ বুকুত যেন এমুঠি আশা লুকাই আছে। কিন্তু প্ৰথম চিনাকিতেই ছাঁয়াৰ নিজকে সম্পূৰ্ণ ৰূপে এৰি দিবলৈ মন নগ'ল।

-মোক চিন্তা কৰি চাবলৈ কিছুদিন সময় দিয়ক। ছাঁয়াই প্ৰথম বাৰৰ বাবে কথা কলে। ছাঁয়াৰ কথা অবিনাশে সামান্য হাঁহিলে। সি কলে-

-তুমি এটা ৰেডিমেট কথা কলা ছাঁয়া। মোৰ বোধেৰে এনেকুৱা প্ৰস্তাবত সকলো ছোৱালীয়েই তেনেদৰেই কয়। মই তোমাক অলপ বেলেগ ধৰণে আশা কৰিছিলো। ছাঁয়া মনে মনে ৰ'ল। অবিনাশে পুনৰ কবলৈ ললে -

-তুমি হয়তো বিশ্বাস নকৰিবা; প্ৰায় দুবছৰ আগৰে পৰাই মই তোমাক ভাল পাও। দূৰে দূৰে তোমাক চাই থাকো, তোমাৰ প্ৰতিটো অংগি-ভংগিয়েই মোৰ চিনাকি। কিন্তু মোৰ প্ৰেমক মই লুকাই ৰাখিবলৈ বাধ্য হৈছিলো। কাৰণ কিছুমান প্ৰশ্নৰ সথিক সমাধান মই পোৱা নাছিলো। যোৱা কালি হঠাৎ এনে লাগিছিল যেন মই মোৰ সকলো প্ৰশ্নৰ উত্তৰ পালো। সেয়ে আজি তোমাক মোৰ মনৰ কথাবোৰ কলো। মোৰ প্ৰেমৰ প্ৰতি মোৰ ধাৰণা বেলেগ। হয়তো এই ধাৰণা আন কাৰো লগতেই নিমিলে। সেয়ে মই নিৰ্ণয় কৰিব পৰা নাছিলো মই কি কৰাটো ভাল হব। কিন্তু যোৱা কালি মই এটা উপাই বিচাৰি পালো, যাৰ দ্বাৰা তুমি চিৰদিন মোৰ হৈ থাকিবা।

-একে লগে বহু কথা কৈ অবিনাশ ভাগৰি পৰিল। ছাঁয়া যেন মন্ত্ৰমুগ্ধ হৈ পৰিছে। ছাঁয়াই অনুভৱ কৰিলে অবিনাশৰ কথা বোৰে তাইৰ মনত যেন এক অচিন আলোড়ণৰ সৃষ্টি কৰিছে!

-ছাঁয়া, তোমাৰ বহু সময় নষ্ট কৰিলো। মোৰ কবলগা বাকি কথাবোৰ এই চিঠি খনত পাবা। অবিনাশ বহাৰ পৰা উঠিল। ছাঁয়াই যেন এতিয়াহে সম্বিত ঘুৰাই পালে।

- আকৌ ক'ত লগ পাম ?

- তুমি মোক লগ নেপাবা চাগে। মইহে তোমাক লগ পাম।

অ' এটা কথা চিঠিখনৰ বাবে বেয়া নাপাবা। পোৱা যদিও আপোন জন বুলি ভাবিয়েই ক্ষমা কৰি দিবা।

কথাখিনি কৈয়েই অবিনাশ গ'ল। সি এৰি থৈ গ'ল ছাঁয়াৰ মনত এজাক ধুমুহা। এৰা সঁচাকৈয়ে ছাঁয়াৰ বাবে অবিনাশ এজাক ধুমুহা। যিজন মানুহে ছন্দহীন জীৱনত ছন্দৰ সৃষ্টি কৰে, বুকুত এক উন্মাদনা আনে তেওঁ ধুমুহা নহেনো কি। ছাঁয়াই লাইব্ৰেৰীত আৰু বেছি সময় থাকিব নোৱাৰিলে। তাইৰ মনটো যেন ক্ৰমাত বেছি অস্থিৰ হৈ পৰিছে। অবিনাশৰ চিঠি খন পঢ়ি চাবলৈ এক দুৰ্বাৰ হেপাহে তাইক অস্থিৰ কৰি তুলিলে।

ঘৰলৈ আহিয়েই ছাঁয়াই মুখ-হাত ধুই অলপ ফ্ৰেছ হৈ তাইৰ ৰূমত সোমাল। দুৱাৰ খন ভিতৰৰ পৰা মাৰি ফেন খন অন কৰি দিলে। বেগৰ পৰা চিঠি খন উলিয়াওতে ছাঁয়াৰ হাত খন যেন কপি উঠিলে। কিবা এক অচিন অনুভূতিয়ে তাইৰ দেহ-

মন আছন্ন কৰি পেলালে। এটা নীলা খাম। খামটোৰ সোমাজতে গোট গোট আখৰেৰে তাইৰ নামটো। ছাঁয়াই আলফুলে ভিতৰৰ চিঠিখন উলিয়াই আনিলে। পদুম ফুলৰ পাহি যেন সুধ বগা সৰু সৰু তিনিখন ৰাইটিং পেড্। ষ্টেপল পিনেৰে গাঠি থোৱা আছে। চিঠি খন পঢ়িবলৈ লৈ ছাঁয়া যেন ভিতৰি ভিতৰি কপি উঠিল। যেন চিঠিখনৰ আখৰ বোৰৰ মাজত তাই অবিনাশৰ অস্তিত্ব অনুভৱ কৰিছে। এৰা অবিনাশ ছাঁয়াৰ মনে বিচৰা ল'ৰাজন; ইমান দিনে ছাঁয়া যাৰ অপেক্ষাত আছিল। ছাঁয়াই অনুভৱ কৰিছে ইমান দিনে ছাঁয়াই যাৰ ছবি মনত আকি সমাগত দিন বোৰৰ কল্পনা কৰিছিল সেই ছবিখন যেন অবিনাশৰেই ছবি। আজিৰ এই দুটা মুহূৰ্ত্তৰ ভিতৰতে তাই যেন সম্পূৰ্ণ ৰূপে অবিনাশৰ সতে বিলীন হৈ গৈছে। হয়তো এয়াই সেই প্ৰেম যাক কয় লাভ এট্ ফাৰ্ষ্ট ছাইট্। নিজৰ অজানিতে ছাঁয়াৰ ওঠেৰে ঢৌ খেলি গ'ল এটি কোমল হাঁহি। চিঠিখন পঢ়িবলৈ আৰম্ভ কৰিলে ছাঁয়াই - - ।

মৰমৰ

ছাঁয়া

মৰম বোৰ ল'বা বুলিয়েই আশা কৰিছো। চিঠিখন দিয়াৰ আগতে মই তোমাক এবাৰ লগ ধৰিম। সেয়ে এই মুহূৰ্ত্ত মানে চিঠিখন পঢ়ি থকা সময়ত তুমি হয়তো মোৰ কথা ভাবিছা। হয়তো আচৰিত হৈছা কিছু পৰিমানে মই এইদৰে তোমাৰ লগত কথা হোৱাত। মই ভাবো এইচিঠি খনত তুমি বিচৰা সকলো প্ৰশ্নৰ উত্তৰ পাবা, লগতে মোকো হয়তো বুজিবলৈ সক্ষম হবা।

ছাঁয়া, মই হয়তো এটা ভুল কৰিবলৈ ওলাইছো। কিন্তু মোৰ বাবে এই ভুলটোৰ বাহিৰে আন উপায় নাই। মোৰ কথাবোৰ বুজিবলৈ তোমাৰ অসুবিধা হৈছে নহয়! তুমি বিশ্বাস কৰিবা নে নকৰা নেজানো, মই তোমাক দুবছৰ আগৰে পৰাই ভাল পাও।.................

এছাতি শীতল বতাহে যেন ছাঁয়াক জোকাৰি থৈ গ'লহি। কিবা এটা যেন লাজ লাজ ভাবে তাইৰ হাত দুখন কপাই তুলিলে। অবিনাশৰ ওপৰত খঙো উঠিল এনেদৰে ইমান দিনে নিজকে লুকুৱাই ৰখা বাবে। চিঠিখন পুনৰ পঢ়ি গ'ল ছাঁয়াই।

..........হয়তো তুমি ভাবিছা মই মোৰ প্ৰেমৰ কথা ইমান দিনে কিয় লুকুৱাই ৰাখিছো। তোমাৰ চাগে মোৰ ওপৰাত খং উঠিছে মোৰ এই সৎ সাহসৰ অভাবৰ বাবে। কিন্তু মই নিজকে এনেদৰে আতৰাই ৰখাৰ কাৰণ তুমি যেতিয়া জানিবা তুমি আৰু বেছি আচৰিত হবা। মোক কিজানি উন্মাদ বুলি ভাবিবা।

এৰা মই সচাকৈয়ে উন্মাদ। তোমাৰ প্ৰতি মোৰ যি প্ৰেম সেয়া কিছুমানৰ দৃষ্টিত হয়তো উন্মাদনা। কিন্তু মোৰ বাবে কোনো প্ৰেমিকে তেওঁৰ প্ৰেমিকাক কিমান ভাল পায় সেয়া আখৰেৰে লিখি প্ৰকাশ কৰিব নোৱাৰে। ময়ো নোৱাৰো। সেয়া উপলব্ধিৰ বাবে প্ৰয়োজন এখন আবেগিক হৃদয়ৰ। মই জানো তুমি সেয়া অনুভৱ কৰিব পাৰিবা। তোমাক প্ৰথম দেখা পিছৰে পৰা মোৰ কি জানো হ'ল, এনেকুৱা লাগে যেন মোৰ সমগ্ৰ সত্বা তুমি আৱৰি আছা। তোমাৰ অবিহনে এটা মুহূৰ্ত্তৰ কথাও মই কল্পনা কৰিব নোৱাৰো। সকলো সময়তে মোৰ দুচকুত তুমি আহি দেখা দিয়া। প্ৰতিটো মুহূৰ্ত্তই মই যেন তন্দ্ৰামগ্ন হৈ পৰো। সদায়ে ভাবো তোমাক লগ ধৰি মোৰ মনত লুকা-ভাকু খেলা কথা কৈ পেলাও, কিন্তু কোনো দিনেই কব নোৱাৰো। কাৰণ আৰম্ভনিৰে পৰাই এটা অদ্ভুৎ চিন্তাই মোৰ মনত





ক্ৰিয়া কৰি আহিছিল। এৰা প্ৰকৃততেই অদ্ভুৎ অদ্ভুৎ বুলি এই কাৰণেই কৈছো-এনেকুৱা চিন্তা হয়তো কোনো প্ৰেমিকৰ মনলৈ নাহে। মোৰ কথা শুনি আচৰিত হৈছা নহয়! আচলতে কি দৰে লিখিলে তুমি মোৰ মনৰ আবেগ অনুভূতি বোৰ সহজে অনুভৱ কৰিব পাৰিবা সেয়া মই বুজিব পৰা নাই। সেয়ে মনত দোলা দিয়া ভাববোৰ পোনপতিয়াকৈয়ে লিখি গৈছো।............তোমাক ভাল পোৱাৰ দিনৰে পৰাই মোক আমনি কৰি আছে তোমাৰ মৰমৰ ভাগ-বতৰাৰ চিন্তাই। কথাটো অলপ আচহুৱা যেন লগা নাইনে? মোৰ নিজৰো প্ৰথম অৱস্থাত তেনেকুৱাই লাগিছিল। বিশ্বাস কৰা ছাঁয়া মই তোমাক ইমান ভাল পাও যে কাৰো লগতেই তোমাৰ মৰমৰ বিনিময় সহ্য কৰিব নোৱাৰো।........ কথাখিনি পঢ়ি ছাঁয়াৰ হাঁহি উঠি গ'ল। অবিনাশৰ কথাষাৰ এজন সৰু ল'ৰাৰ প্ৰেমৰ কথা যেন অনুভৱ হ'ল। এটা নিবিড় আবেশে ছাঁয়াক আবৰি ধৰিলে।

.......মোৰ কথাবোৰ পঢ়ি তোমাৰ হয়তো হাঁহি উঠিছে। কিন্তু মোৰ এই চিন্তাই প্ৰতিদিনে মোক খুলি খাবলৈ ধৰিলে। তোমাৰ বন্ধু-বান্ধৱী বোৰ যেন মোৰ প্ৰতিদ্বন্দী। সিঁহতে যেন তোমাৰ পৰা মোলৈ সাঁচি থোৱা মৰম বোৰ কাঢ়ি নিব। কেতিয়াবা নিজকে মোৰ স্বাৰ্থপৰ যেন লাগে। আকৌ কেতিয়াবা ভাবো মই স্বাৰ্থপৰ নহয়; এয়া মোৰ তোমাৰ প্ৰতি থকা একান্ত প্ৰেমানুভৱ। কিন্তু লাহে লাহে মোৰ এইঅনুভৱ তীব্ৰতৰ হৈ পৰিব ধৰিলে। মোৰ বাহিৰে তোমাৰ পৰা মৰম পোৱাৰ কাৰোৰেই যেন অধিকাৰ নাই তোমাৰ মা-দেউতাই তোমাক মৰম কৰক-- সেয়াও মোৰ সহ্য নহয়। তুমি মাথো মোৰ হৈ থকাটোৰেই মই বিছাৰো। মোৰ বাহিৰে আন কাৰো পৰা তুমি মৰম লবও নোৱাৰা - দিবও নোৱাৰা। তুমিয়েই কোৱাচোন ছাঁয়া এয়া মোৰ উন্মাদনা হয় নে নহয়। কিন্তু মই নিৰুপায়। প্ৰকৃততেই মই এয়াই বিছাৰো।

ছাঁয়া, কি ভাবিছা অবাক হৈছা নহয়! তুমি যদি প্ৰকৃততেই মোক ভাল পোৱা মই জানো তুমি মোৰ মানসিক অৱস্থাৰ কথা অনুভৱ কৰিব পাৰিবা। এনে ক্ষেত্ৰত হয়তো তুমি কবা আমি দুয়ো এনে এখন ঠাইলৈ গুচি যাম য'ত আমাৰ দুয়োৰে বাহিৰে আন কোনো নাথাকে। তিন্তু তেতিয়াও মই সুখী হব নোৱাৰিম! কাৰণ পুৰুষ আৰু প্ৰকৃতি য'ত মিলিত হয় তাতেই সৃষ্টিৰ স্ফুৰণ হয়। তোমাক মই খুবেই ভাল পাও। গতিকে তোমাৰ কোনো স্বাধীনতাকেই মই বাধা দিব নোখোজো। মাতৃত্ব নাৰীৰ এক অলংকাৰ আৰু ই নাৰীমনৰ প্ৰিয়তম সংগোপন আকাংশা। তুমিও তাৰ ব্যতিক্ৰম নহয়। আৰু মোৰ ভাব হয় তোমাৰ মাতৃত্বই মোৰ প্ৰতি থকা তোমাৰ প্ৰেম বিভাজিত কৰিব। মই জানো এইবোৰ কথা শুনি যি কোনো মানুহেই একে ভাষাৰেতে মোক পাগল আখ্যা দিব। কিন্তু এয়া মোৰ হৃদয়ৰ প্ৰকৃত অনুভৱ।

ছাঁয়া, তোমাক মই অকপটে সকলো কথা কলো। এতিয়া মোৰ এই প্ৰেমক তুমি কি আখ্যা দিয়া সেয়া তোমাৰ বিচাৰ্য্য। এইবোৰ কথাই আজি দুবছৰেই মোক এটা মুহূৰ্ত্তও শান্তিৰে থাকিব দিয়া নাই। কিন্তু সেইদিনা হঠাৎ মই যেন এটা পথ বিছাৰি পালো। সেয়ে তোমাক লগ ধৰি এই চিঠিখন আজি দিলো।

মইতো কৈছোৰেই দুবছৰ আগৰে পৰাই মই তোমাক ভাল পাও। দূৰে দূৰে মই তোমাক লক্ষ্য কৰো। তোমাৰ প্ৰতিটো মুদ্ৰাই মোৰ চিনাকি। তোমাৰ খোজ, তোমাৰ হাঁহি, লাইব্ৰেৰীত বহি

কিতাপ পঢ়াৰ ধৰণ সকলো মোৰ চকুত অতি চিনাকি। হাঁহোতে তোমাৰ গালত পৰা ডিম্পলটো..... আনকি উশাহ লওঁতে তোমাৰ বুকুখন কিমান ওখ হয় সেয়াও মই জানো। কিতাপ এখনৰ পাত লুটিয়াবলৈ তুমি কিদৰে তৰ্জনী আঙুলিটো জিভাৰে স্পৰ্শ কৰি পাতটোৰ চুকত ধৰা সেয়া মোৰ অতি চিনাকি আৰু সেয়া মই.....। বাৰু ছাঁয়া তুমি মোক সঁচাকৈয়ে ক্ষমা কৰি দিবানে?...... মই যে তোমাক দিয়া এই চিঠিখন দীঘলীয়াকৈ তিনিটা পাতত লিখিছো, মই জানো তুমি প্ৰতিটো পাত লুটিয়াবলৈ আঙুলিটো জিভালৈ নিবা আৰু পাত লুটিয়াবা। সেয়ে প্ৰতিটো পাতৰ চুকত মই এবিধ Poison লগাই থৈছোঁ........।

তোমাৰ মৰমৰ বোৰ চিৰ দিনলৈ মোৰ কৰি ৰখাৰ আন উপায় মই আৰু নেপালোঁ।

বহুত মৰমেৰে
মাঁথো তোমাৰেই
'অবিনাশ'।

ছাঁয়াই অনুভৱ কৰিলে তাইৰ দুচকু যেন সেমেকি উঠিছে। কিন্তু এয়া প্ৰাপ্তিৰ আনন্দ নে অপ্ৰাপ্তিৰ বেদনা সেয়া যেন তাই নিজেই ভাবিব পৰা নাই। সেমেকা দুচকুত ভাঁহি উঠিল অবিনাশৰ মুখ খন। অনুভৱ কৰিবলৈ চেষ্টা কৰিলে কি আছিল বাৰু সেই চকু জুৰিত..... আশা নে নিৰাশা। মূৰটো গধুৰ গধুৰ লগা যেন অনুভৱ কৰি তাই খিৰিকি বোৰ খুলি দিলে। ঘৰমুৱা পঁখীজাকৰ কাকলিয়ে ছাঁয়াক যেন গুন গুনাই কিবা ক'লেহি। ক'ৰবাত হাচনাহানা ফুলিছে চাগে.....। তাই বুকু ভৰি গোন্ধটো ল'বলৈ চেষ্টা কৰিলে। অস্তাচলৰ বেলিৰ শেষ কিৰণ কণ হয়তো আৰু কেইটামান মূহুৰ্ত্তৰ ভিতৰতে নিবিড় এন্ধাৰে সাৱতি ল'ব। ছাঁয়াৰ কিবা এটা লিখিবলৈ মন গ'ল। কাগজ এখন লৈ বিচনাত শুই শুই তাই লিখিলে-

"এয়া মোৰ মৃত্যু নহয়; মাথো মোৰ সহযোগিতা, মোৰ প্ৰেমৰ প্ৰতি.....।"

কলমটো হাতৰ পৰা কেতিয়া ওলাই পৰিল ছাঁয়াই নাজানিলে।

কিন্তু তই তোৰ জীৱনত প্ৰকৃততে বিচাৰিছিলি কি ?

কয়দী জনৰ প্ৰশ্নক অবিনাশে সম্বিত ঘূৰাই পালে। জেলৰ এই সৰু কোঠাটো এতিয়া অবিনাশৰ বৰ আপোন। সি তাৰ ছাঁয়াৰ স্মৃতিৰ সতে ইয়াত একান্ত নিবিড় হ'ব পাৰে। তাক আমনি কৰিবলৈ ইয়ালৈ আৰু কোনো নাহে। প্ৰথম অৱস্থাত একেলগে থকা কয়দী জনে সি কিয় জেইললৈ আহিব লগা হ'ল, কি অপৰাধ কৰিছিল আদি প্ৰশ্নৰে তাক আমনি কৰিছিল। কিন্তু সি মনে মনে থকা বাবে পিছলৈ আৰু তাক কোনো প্ৰশ্ন নকৰা হ'ল। আজি সি ছাঁয়াক চিঠি খন দিয়াৰ সম্পূৰ্ণ এবছৰ হ'ল। আজি নিজেই অবিনাশে কয়দী জনক সকলো কথা কৈছিল, আৰু সেয়ে কয়দী জনৰ এই প্ৰশ্ন। উত্তৰত কি কব সি ভাবি নেপালে। সি প্ৰকৃততে কি বিছাৰিছিল বাৰু? প্ৰেমৰ পোহৰ! কিন্তু তাৰ ভাব হয় যি গচি চাকি হাতত লৈ সি প্ৰেম বিচাৰি ওলাইছিল সেই চাকি গচিৰ তলৰ এন্ধাৰত কি লুকাই আছিল সি গমকেই নেপালে.....। কোঠাটোৰ সৰু খিৰিকি খনলৈ সি আগবাঢ়ি গ'ল। বাহিৰত এন্ধাৰ। তৰাবোৰে যেন জোনটো বিচাৰি ফুৰিছে।

অবিনাশৰ আৰ্নল্ডৰ সেই কবিতা ফাকি মনলৈ আহিল-

Again - Thou hears!
Eternar parrion
Eternaï pain.

এমুঠি বতাহ বুকুত সামৰি ল'হলৈ অবিনাশে খিৰিকিৰ লোৰ মাজতে হাত দুখন প্ৰসাৰিত কৰি দিলে - এন্ধাৰৰ মাজেৰে...... এন্ধাৰৰ ফালে.....।

□□□□



বঙিয়া মহাবিদ্যালয় আলোচনী

# ভিন্ন প্ৰসংগ

ভিন্ন প্ৰসংগ
ভিন্ন প্ৰসংগ

# এটা হাঁহিৰ মৃত্যু

## এটি হাঁহিৰ সৈতে সম্পাদকৰ অন্তৰংগা আলাপ

বাৰু চৌধুৰী ককা আপুনি কেতিয়া অভিনয় জীৱনত প্ৰৱেশ কৰিছিল? আপুনি অভিনয় কৰা প্ৰথম নাটক তথা চৰিত্ৰটো কি আছিল?

☞ ১৯৩২ চনত নিজৰ নাট একালব্যৰ যোগেদি। গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত।

বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ বাবে আপুনি কাক দায়ী কৰিব বিচাৰে? ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষা ব্যৱস্থাক, অভিভাৱক নে অন্য কাৰোবাক?

☞ নিজক। আপোন ভালেই জগত ভাল। আমিবোৰে নিজে ভাল হ'বলৈ চেষ্টা কৰা উচিত? তাৰ বাবে বেলেগক দায়ি কৰা উচিত নহয়।

বৰ্তমানৰ উঠি অহা ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে নিজকে প্ৰতিষ্ঠা কৰিবলৈ হ'লে কি কৰিব লাগিব?

☞ চৰিত্ৰদ্বাৰাহে ব্যক্তি সমাজত প্ৰতিষ্ঠিত হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে চৰিত্ৰ গঠনত মনোযোগ দিব লাগিব।

আজিকালি দেখা যায় অসমীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা স্কুলঘৰৰ লগতে ৰিজাল্টৰ দুৰৱস্থা, কিন্তু ইংৰাজী মাধ্যমৰ স্কুলত আকৌ ইয়াৰ বিপৰীতটোহে দেখা যায়। অসমীয়া মাধ্যমৰ স্কুলৰ এনে দুৰৱস্থা হোৱাৰ কাৰণ আপুনি কি বুলি ভাবে?

☞ আজিৰ অসমীয়া মাধ্যমৰ এনে অৱস্থাতচোন আমাৰ আধুনিক অসমীয়া সকলেই বৃহৎ অৰিহণা যোগাইছে।

চৌধুৰী ডাঙৰীয়া আপোনাৰ মতে আজিৰ সমাজত ভাল মানুহ কোন আৰু বেয়া মানুহ কোন? ভাল বস্তুকি আৰু বেয়া বস্তু কি?

☞ নিজে ভাল মানুহ। বেয়া মানুহ হ'ল যিয়ে নিজক ভাল বুলিৰ ভাবে। ভাল বস্তু অভিনয়। বেয়া বস্তু ৰাজনীতি। মই অৱশ্যে দুয়োটাৰে সোৱাদ লোৱা মানুহ।

আপোনাৰ ৰাজনৈতিক জীৱনৰ বিষয়ে কিছু কথা ক'ব নেকি?

☞ মোৰ ৰাজনৈতিক জীৱনৰ কথা ক'বলৈ গ'লে তোমাৰ গোটেই আলেচনী খনেই লাগিব। গতিকে এতিয়া নকও দিয়া।

চৌধুৰী ককা মানুহে আয়ুষ বৃদ্ধি কৰাৰ এটা উপায় দিব নেকি?

☞ Keep on Smiling. সুখে দুখে হাঁহি কথা। এইটোৱেই এক মাত্ৰ ঔষধ।





চৌধুৰী ককা। অসমত সদায় এটাৰ পাছত আনটো সমস্যা বৃদ্ধি পাই আহিছে এনে সমস্যাবোৰ দূৰ কৰিবলৈ আমি কি কৰা উচিত?

☞ আগতেও কৈছোঁ, আপোন ভালেই জগত ভাল। নিজে নিজে যদি সকলো লোকেই ভাল হয় তেন্তে সমস্যা

চৌধুৰী ককা। এতিয়া হাঁহিবলৈ আহো। আপোনাকে যদি এতিয়াই এদিনৰ বাবে ভাৰতৰ প্ৰধান মন্ত্ৰী বনাই দিয়া হয় তেন্তে আপুনি কি কৰিব?

☞ এদিনৰ বাবে প্ৰধান মন্ত্ৰী হোৱা লোকক আজীৱন প্ৰধান মন্ত্ৰীৰ সমান দৰমহা দিয়াৰ ব্যৱস্থা কৰি এখন বিল সংসদত পাছ কৰি ল'ম। যাতে মৰাৰ দিনলৈকে দৰমহা পই থাকো। অৱশ্যে আৰু বেছিদিন বাচি থকাৰ আশাও নাই।

## পলকতে লক্ষ্যধৰ

জন্ম চন - ১৯১৪

জন্ম বাৰ - দেওবাৰ।

প্ৰিয় অভিনেত্ৰী - এজনীৰ নাম ক'লে আনবোৰে বেয়া পাব নেকি?

প্ৰিয় ৰং - বগা।

প্ৰিয় নাৰী - মোৰ পত্নিবাৰ। এতিয়া মৃত।

plants in different parts of Assam. Taking into consideration of the Central Govt.'s idea, in the year 1982-83, the Rural Development Department of Asam prepared a scheme of bio-gas plants with the co-operation of registered firms and industries of respective district in Assam. Besides individual family owned bio-gas plants, community and institutional plants are being tried to set-up. Special grants in this regard are being given by the Central Government. The Directorate of Rural Development Deptt. through different Development Blocks has taken initiation in promoting rapid progress in this field. The table given below shows the year wise target and achievement of bio-gas plants in Assam.

**Table**

Target and Achievement of Bio-gas plants in Assam from 1982-83 to 1997-98

| Year | Target | Achievement |
|---|---|---|
| 1982-83 | 200 | 5 |
| 1983-84 | 200 | 96 |
| 1984-85 | 300 | 382 |
| 1985-86 | 1000 | 195 |
| 1986-87 | 1000 | 733 |
| 1987-88 | 2000 | 1800 |
| 1988-89 | 2000 | 1668 |
| 1989-90 | 3000 | 1134 |
| 1990-91 | 2000 | 982 |
| 1991-92 | 1000 | 762 |
| 1992-93 | 1000 | 810 |
| 1993-94 | 1000 | 815 |
| 1994-95 | 1000 | 870 |
| 1995-96 | 1000 | 587 |
| 1996-97 | 1000 | 343 |
| 1997-98 | 1000 | 275 |
| Total | 18700 | 11457(61.27%) |

From the table, it has been observed that from 1982-83 to 1997-98, 11457 nos. of bio-gas plants have been established which is 61.27% against the target of 18700. Bio-gas plants established are found to be inconsistent during this period. Here in 1982-83 lowest 5 plants are established while in 1987-88 highest 1800 plants are established. Here we se that plants established are not symmetrical, nor even of the same directional. We have seen a sea-saw movement in the establishment of plants. Here we may have also to see whether the established bio-gas plants are still operating or not. Though in this regard we have little information. We have doubt about this.

The Assam Science, Technology and Environment council with support of the Science, Technology and Environment Department, Govt. of Assam has taken initiative not only to implement renewable energy programmes and projects but also has taken research and development, training information dissertation activities in the different areas of renewable energy.

**Shortcomings :**

The following are some of the defects and shortcomings faced by the bio-gas plants in Assam.

(1) The motivation (Publicity) programmes are not sufficient.

(2) There is lack of trained personal in bio-gas plants from both i.e. Govt. and public.

(3) People are reluctant to adopt the project of bio-gas plant.

(4) There is lack of financial availability and banks are not interested in giving loan to the loanee.

(5) The banks are not clean in sanctioning and disbursing the amount.

(6) Repayment of loan record is not satisfactory.

(7) Monitoring system both by the Govt. and banks is not satisfactory.

(8) Easy availability and easy use of conventional source of energy like L.P.G. creates jeopardy in the case of establishment of bio-gas plants.

**Part-III**

Bio-gas ia a very prospective proposal under the present circumstances and environmental insufficiency. It will not only solve the energy problem in rural area but at the same time make easier the supply of organic manure at easy reach and cheaper rates. To make it prospective the following steps suggested below we expect can do a lot in this regard.

**Suggestions:**

1. Proper training of the household personals should be given occasionally so that they can not only maintain the operation of the bio-gas plants but also can help and correct if there is any drawbacks in the plant itself.

2. The technical know-how for the make up of plants itself must also be dissipated among the educated energetic youths of the locality so the plants can be constructed.

3. To ensure supply of raw materials certain innovative steps should be taken in hand say for instance, dustbins should be placed in the villages for the garbage's to be disposed of by the households and by co-operation from them has to be ensured by giving them certain financial or other incentives.

4. Govt. also have to publish the advantages of the gobar gas plants in a more intensive than as at present and also to extend more financial benefits to the users of the gobar gas plants so that they can become the example for other people.

5. The KVIC must also take much more extensive programme for the establishment of bio-gas plants at their own intiative in the rural areas.

6. The Govt. and KVIC may appoint certain agencies to pursue the village people to adopt gobar gas plant both on salary and commission basis.

7. Financial institutions must not hesitate to advance loans to the village people for installation of gobar gas plant at approach and lower rate of interest.

8. The Govt. should also stand as the surety against such loans so that the banks are not to feel any shyness in this regard.

**Conclusion :**

Bio-gas could be accepted as an alternative source of energy in domestic sector. Bio-gas plants help in removing laborious work of women and children from collection and headloading of fuel woods. Working in smoky kitchen washing and blackened utensils and suffering from eye and lung diseases due to smoke. From the point of energy cost, bio-gas is less expensive as compared to other types of fuel. It is all weather adventure not as like as solar energy. ❑❑

**References :**

1. Dr. A. Rezzaques Thesis : Demand for Electricity in Assam (with special reference to Urban Areas)
2. M.N.E.S, New Delhi : Bio-gas User's Guide.
3. Directorate of Panchoyat Randhanar Indhan & Rural Development, Govt. Unpublished data of Assam.

(This article has already been read out in U.G.C. sponsored Seminer on "The Problems and Prospects of Rural Energy in Assam" organised by the Rangia College on 21-22, August, 1999.)



# JUDGEMENT BY NATURE

O. Ghouni.
Rangia College.

As I was reading seriously some pages from "History of the Saracens" regarding the destruction of the holy city Baghdad, my little daughter Suravi who was playing badminton in my court interrogated me so...... Abba, what are you reading so seriously?What's this book? Is it an English book that you are reading? Wouldn't you play this eavening? See, I am reading.........come and have your racket.........come please.

Ah! don't disturb me, majani.

I am not reading. See,I am weeping. Haven't you seen my tears rolled from my two eyes? Oh, I see Abba all these. But why are you so today? What's happyening to you? She rather cried out of fear. And I.......I pacified her saying..........No, No, majani, these are my not tears, not tears at all. These are signs of pleasures for your better tommorow. Go and play yourself, I shall not play today. Call Ranu if you want a match.

So, she left me alone, And I started reading again these following following few lines.

............"The destruction of Baghdad ruquires the pen of a master like Gibbon. All women and children who came out of their house with the qurane in their hands, inploring quarter.were trampled to death......... the horrors of rapine, slaughter and outraged humanity pasted for six weeks. The paraces, mosques and mousolea were destroyed by fire or levelled to the earth for their golden dones. The patient in the hospitals, the students and professors in the colleges were put to the sword. In the mausolea the mortal remains of shaikhs and pious Imams and in the academics the immortal works of great and learned men were consumed to ashes, books were thrown into the fire or where the tigris was near, burried in its waters. The accemuleted





treasures of five centuries were thus forever lost to humanity, and the flower of the nation was completely destroyed. After the carnage had lasted four days, caliph Mutasim was beeten to death, together with his sons and principal members of his family...... with the destuction of Baghdad the gloom of night sattled on western Asia.

In the meantime my reading was over. The call of a Muajjin rang say car. After my ablution I performed my prayer.

My little daughter offered me a cup of tea. She was a habit of offering me a cup of tea just after I finished my Maghrb Prayer.

At that time the sun was not in the sky. The new moon appeared. It diffused little light to the earth. Men and women , people in the streets, marketiers and shop keepers were all asleep. A few night birds began their flying here and there. So, the night became deeper and deeper.

Usually I go the bed at 10 p.m. in the night. Mine is a thatchy house having three rooms. One for drawing room and the other two I use for myself. There are three beds, one for me, the second one is my wife and the third one is for my daughter.

Just then the matter took place I heard some fusses at first in my court. Then there was a big sound of my door. The door fell flatly amid the room. It was completely broken. To me none can break it. But it was broken up by a single strike. The stroke and me from my sleep. I then saw two young men coming towards me with a pislot in ones hand and a big sword in the others hand

Get up! get up! the pistol holder said to me.

Yes, haven't you seen me got up, I replied and sternly asked them who they were to threaten me in the night. Why should you enter my house? I asked whats your motto? Those were my questions to them.

Alas! they answered me in a single voice. Yes, we are none but docoits, we want money and gold or you are to give us your life. Give us your key of godrej. Where have you kept it? Give us be quick.

The first man who placed his pistol on the back of my head is some what familier to me as kaishna, a local dada, bodmas and a criminal for many cases even in the night he couldn't throw dust into my eyes. Though after much interogation I concealed his identity. He lives nearer to me. The second one having a sword in his hand is not known to me of course, they all are below twenty by age. I could easily guess that they have come to my house not willingly, but by the

force of someone behind them.

It is sure that I am not a moneyed man. A few days ago I borrowed money from my college "Thrift and credit society" and gave Rs. 5000.00 to Mr. P.C. Kalita. He is a Headmaster and I am serving as secretary of the vanture High School. Every body knows that I am a pay fed person. Every body knows my profession. I am penniless. Simply I have made a settlement here at Murara near this society shock.

Then they searched money and get a few hundred rupees in my money bag. They searched no more and tried to enter my other house. I am this house my wife with my little daughter stayed for sometimes separately. Because at that time our living house was being repaired. The culprits then caught my hands with rofes and aimed to lead me to the next house. They asked me to answer my wife in my own words...... as if they are armies, as if they have come in search of a leberation front member.

But it is a matter of surprise that my wife knew every thing aiready. The made an acting crying lonelly. Some of my neigh bours came to kelp us when they heard her crying, Docoit, docoit, come, come, help us.

The perty then fled away in the darkness. Simply said, we shall come again and see you again. Now the thing is this that the story does not and here.

Next day when the night morned at 4 a.m. I thought myself to lodge a case in the police station. I wrote a petition and gently asked my wife to sign on it together with me. But she refused. I didnot find any reason for her refuse. So, I went to the station and filed the same Later on it was registered.

In the evening sub Inspector Mr. Kalita come to my house to investigate the case. He saw my broken suit sase, almirah and some tornup documents. He noted some points on his inspection book regarding me he asked to meet him in the police station.

Well I become presennt in the police station in the evening. But the matter look another turn when he began his interrogations.

Mr. Kalita : Do you have any difference with your wife?

I : Yes, we have a dispete of land since our marrige. There is a stading case in the High Court vide write petition (c) no 2899/99

Mr. Kalita : Did she utter any thing after the departure of the gang?

I : Yes, all of a sudden a





sentence come out from her lips that she remained unsleep all the night long.

Mr. Kalita : Any thing more to tell me?

I : Yes, Mr. Kalita, Ido mean this that she has a womanly heart and she couldn't maintain secrecy as was direct by the party.

Mr. Kalita : How can You mean this?

I : I Know her nature as she is my wife for a long time.

Mr. Kalita : Did there arise any difference between you two regarding the identity of the docoits?

I : Yes, of course.

He finished his interrogations here saying that he may investigate further.

Alas ! the case was not investigated any more, My wife who left my house in the evening later on lodged a case separately. She pointed me to be the main villain of this docoity in the petition.

In the following day sub Inspector Kalita met me and made me sure that it was my wife to line the party and it was she who ventured to kill me. I then appealed him to give a full stop to the case Accordingly, he heard me.

A few days later my wife performed some deadly lawfuls against me with the advice of advocate Ahmed who is politically a rival apparcet of my brother, she depaned an affidavit divorcing me in the court of Executive Magistrete Mr. Barman and thus she finished the thread of our conjngal life. She also finished my rosy hopes leaving me alone hene.

Now Krishna has no business at all seeing all our doing he is suffering from himself. he always fears the Even he couldnot see my shadow. It I see him he cast his eyes down.

Alas! today he is very poor in looking. He always wants to pide his sight from me.

Again, my wife who is a devorce one is also harming herself. She is seen annoyed and unmindful in every doing. She has faller on her own nose. She become more helpless when the case was also not settled in the court in her favour.

Today the gloom of night has come to my life as when it came to my life as when it come to Baghdad on the attack of Halaku, the Tartar.

But still then I never an thinking of reverging upon the lode. Because both of them are suffering mentally. To me actually it is not a short story. To me it is a living story and ..... and...... to me it is a good judgement by nature.

❑❑❑

# DEAREST LOVING SISTER

*Gopal Dey.*
T.D.C. 1st year.(Com.)

*Love is being the motto*
*Of your life*
*You releive every pain*
*With a sweet smile.*
*Your eyes reflect*
*The softness of*
*The clear blue sky*
*And bring harmony.*
*You inspire each time*
*You give homage*
*Try hard to conquer*
*The risk in your life.*

□□□

# LOVE FOR ME

*Manoj Kr. Bhargav.*
T.D.C. 2nd year.(Com.)

*Love is just like a dream to me, even thou,*
*It can never be true, one's life though.*
*Selfishness is the virtue of love, it is seldom blind.*
*Nothing fit and suit, yet have a life with mind.*
*Love is a desease, not to all but one's,*
*Who suffers, but tastes its sweetness.*
*Love...... Love...... Love........ what is love?*
*It is like a ghost, shape is nothing but feelings.*
*None knows how growing in mind,*
*If any one realises, he will pass his life happily.*
*Above all, adorable as a divene.*

□□□





# উপ-সভাপতিৰ প্ৰতিবেদন



*And miles do go before I sleep*
*And miles to go before I sleep.*

'ব্যাহিক সৌন্দৰ্য্যৰাজী উপভোগ কৰি থাকিলে নহব, মোৰ যে বহু বাট যাব লগা আছে। মোৰ মৃত্যুৰ আগতে মই বহু কাম কৰিব লগা আছে!' এনে মনোভাৱ এটা বুকুতে বান্ধি যেতিয়া ৰঙিয়া মহাবিদ্যালয়ত ভৰি দিছিলো তেতিয়া মই মোৰ সতীৰ্থ তথা ছাৰ বাইদেউ সকলৰ পৰা যিথিনি সহযোগ তথা অনুপ্ৰেৰণা পাইছিলো তাক মই আজি শ্ৰদ্ধাৰে শুৱৰিবই লাগিব। এই সকল সুহৃদয় অনুপ্ৰেৰণাৰে মই প্ৰথমে আলোচনী সম্পাদক আৰু তাৰ পিছতে বছৰত ৰঙিয়া মহাবিদ্যায়ৰ ছাত্ৰ সন্থাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈছিলো। আজি এই পতিবেদনৰ বাট চৰাত মোৰ শুভকাংশী সকললৈ মূৰ দোৱাই শ্ৰদ্ধা নিবেদিছো।

*'By nature every man is a political animal'.*

ৰাজনীতিৰ পৰা কোনো মানুহে পৃথক নহয়। জন্মৰ পৰাই মানুহে ৰাজনীতিৰ লগত জড়িত হয়। গতিকে ছাত্ৰ সমাজক ৰাজনীতিৰ পৰা পৃথক দৃষ্টি ভঙ্গিৰে চাব নোৱাৰি। কিন্তু ৰাজনীতি যেতিয়া ব্যক্তিকেন্দ্ৰিক অথবা গাদীকেন্দ্ৰীক হয় তেতিয়াই ৰাজনীতি হয় কুলশীত। এই কূলসীত ৰাজনীতিৰ প্ৰভাৱত আজিৰ সমাজ ব্যৱস্থাই এটি পঙ্গু প্ৰজন্ম জন্ম দিবলৈ আগবঢ়া যেন লাগে। কেইটামান বছৰৰ কাৰণে হলেও, ভৱিষ্যতৰ প্ৰজন্মৰ কথা ভাবি আমি ব্যক্তিগত স্বাৰ্থৰ পোছাক যোৰ সোলকাই সামাজিক স্বাৰ্থৰ পোছাক যোৰ পিন্ধি লব নোৱাৰো নে? *'Oman Vincit Omnia'.*

'Love concures all'. কালজীয়া জীৱনত বহু ছাত্ৰ-ছাত্ৰীয়ে প্ৰেমত মদিৰা পাণ কৰি হয় মতলীয়া, প্ৰেমম যেতিয়া প্ৰেৰণা হয় তেতিয়া ইয়ে একোজন ছাত্ৰ অথবা ছাত্ৰীৰ বাবে হয় স্বৰ্গীয় অনুভূতি অতবা আৰ্শীবাদ। আনহাতে সাস্তীয় প্ৰেমে যুৱ উশৃঠখলতাৰ জন্ম দিয়ে। আজিৰ যুৱ উশৃংখলতাৰ বাবে সাস্তীয় প্ৰেমো এক প্ৰকাৰ দায়ী বুলি আমি নিশ্চয় অনুধাৱন কবিৰ পাৰো।

*'Laws of there D's*
*Duty, Dcdicnation, Desciplone'.*

কৰ্ত্তব্য, নিষ্ঠা আৰু নিয়মানুবৰ্ত্তী, এই নিৰ্ণিয় কথা গুৰযুত্ব সহকাৰে গ্ৰহণ কৰা সকলে দেখে সফলতাৰ মুখ। উপ সভাপতি পদ গ্ৰহণ কৰিয়েই মই কৰ্ত্তব্যক নিষ্ঠা সহকাৰে পালন কৰিবলৈ যৎপৰোনাষ্ঠী চেষ্টা কৰিছিলো। মোৰ কাৰ্য্যকালৰ পাৰম্ভতে আমি সকলো ছাত্ৰ-ছাত্ৰী মিলি সৰস্বতী পূজা ধুম-ধামেৰে পালন কৰিছিলো। পুখুৰীৰ ওপৰত স্থাপন কৰা মণ্ডপটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। ২০০০ চনৰ ৫ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত ভাগ লোৱা বিশিষ্ট অতিথি সকলে মহাবিদ্যালয় সপ্তাহৰ আকৰ্ষণ বঢ়াইছিল আৰু মহাবিদ্যালয় সপ্তাহকৰ শ্বহীদ তৰ্পন অনুষ্ঠানটি মোৰদ্বাৰা সমাপন কৰা হৈছিল। ২০০০ চনৰ ১২ ছেপ্টেম্বৰ তাৰিখে আদৰণি সভাখন সফলতাৰে অনুষ্ঠিত হয়। নৱাগত আদৰণি সভাৰ প্ৰীতি সন্মিলনৰখন মই উদ্বোধন কৰো। ২০০০ চনৰ ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা সিদ্ধিনাথ শৰ্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতাখন সফলতাৰে অনুষ্ঠিত হয়। তৰ্কৰ বিষয় আছিল "ভাৰতবৰ্ষৰ সংযুক্ত ৰাষ্ট্ৰ ব্যৱস্থাত ৰাজ্য সমূহলৈ অধিক স্বায়ত্ব শাসন প্ৰদান কৰাটো শুদ্ধ পদক্ষেপ।"

*'Pardon makes ane Great'*

ক্ষমাই মানুহক শুধৰণী কৰাত সহায় কৰে। এই শুধৰণীয়ে একোজন সাধাৰণ মানুহকো কৰি তোলে মহান ব্যক্তি। মোৰ কাৰ্য্যকালত হোৱা ভুল ক্ৰতিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা মাৰ্জনা বিচাৰিছো। ৰঙিয়া মহাবিদ্যালয়ৰ উত্তোৰত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ মোখনী মাৰিলো।

**ৰিপুল চন্দ্ৰ ডেকা**
উপ-সভাপতি, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



পাতনি ঃ

প্ৰতিবেদনৰ পাতনিতে যিসকল ব্যক্তিৰ নিস্বাৰ্থ ত্যাগৰ বিনিময়ত ৰঙিয়া মহাবিদ্যালয়ে প্ৰতিষ্ঠা লভা কৰিলে, যিসকল মহান ব্যক্তিয়ে বিশ্বৰ দৰবাৰত অসম আৰু অসমীয়াক উজলাই তুলিলে সেইসকল নমস্য ব্যক্তিৰ পৱিত্ৰ আত্মাক শ্ৰদ্ধাৰে সুঁৱৰিছো। তদুপৰি যিসকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ প্ৰচেষ্টাত "ৰঙিয়া মহাবিদ্যালয় আলোচনী"খন প্ৰকাশ হ'ল তেখেতসকলকো ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

ইং ২৬/১১/৯৯ তাৰিখে অনুষ্ঠিত হোৱা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ নিৰ্বাচনত মই সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বিন্দ্বিতা কৰি নিৰ্বাচিত হওঁ। ইং ০২/১২/৯৯ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰে পৰা মোৰ কাৰ্য্যকাল আৰম্ভ হয়। ,ই সুযোগতে সাধাৰণ সম্পাদকৰ নিচিনা এটা গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত কৰি ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজক বিভিন্ন দিশত আগুৱাই নিয়াৰ নেতৃত্ব প্ৰদান কৰা বাবে সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীকে মই মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

কাৰ্য্যকালৰ চমু খতিয়ান ঃ

অজস্ৰ ঘাত-প্ৰতিঘাত আৰু নানা সমস্যাৰ মাজেৰে বিশ্ববাসীয়ে বিংশ শতিকা ৰঅতিক্ৰম কৰি একবিংশ শতিকাত পদাৰ্পন কৰা মুহূৰ্তত 'মহৰাবিদ্যালয় সপ্তাহ'ৰ কাৰ্য্যসূচীৰে মোৰ কাৰ্য্যকাল মুকলি কৰোঁ।

দুহেজাৰ চনৰ ৫ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ 'মহাবিদ্যালয় সপ্তাহ'ৰ সকলো কাৰ্য্যসূচীতে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ উৎসাহ-উদ্দীপনা আৰু প্ৰেৰণাৰ যোগেদি মহাবিদ্যালয় সপ্তাহখন সুকলমে অনুষ্ঠিত হৈ যায়। ছাত্ৰসমাজৰ বৌদ্দিক, মানসিক, শাৰীৰিক তথা সাংস্কৃতিক বিকাশৰ অনুশীলনৰ বাবে 'মহাবিদ্যালয় সপ্তাহ'ৰ সকলেৰা কাৰ্যসূচীয়েই সমানে গুৰুত্বপূৰ্ণ আছিল। ১২ জানুৱাৰীৰ মুকলি সভাখন সমাজৰ বিভিন্ন ক্ষেত্ৰৰ পৰা আমন্ত্ৰণ কৰি অনা লোকৰ উপস্থিতিত, এক গাম্ভীৰ্য্য পূৰ্ণ পৰিবেশত সামৰণি মৰা হৈছিল।

এইবাৰ ৰঙিয়াত হোৱা বানপানীয়ে গোটেই অঞ্চলটো ক্ষতিগ্ৰস্ত কৰাৰ প্ৰৰিপ্ৰেক্ষিতত মহাবিদ্যালয়ৰ পাঠদান কিছুদিনৰ বাবে ব্যাহত হৈছিল। সেইবাবে পলমকৈ অনুষ্ঠিত কৰা হয় মহাবিদ্যালয় ছাত্ৰ সন্থাৰ পৰম্পৰাগত নৱাগত আদৰণি সভাখন। যোৱা ইং ১২/৯/২০০০ তাৰিখে অনুষ্ঠিত হোৱা সভাখনত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰি লোৱা হয়। বহু বছৰ বিৰতিৰ মূৰত নৱাগত সভাৰ লগতে সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছিল যদিও বিভিন্ন অসদুবিধাৰ বাবে নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন বন্ধ ৰখা হয়। নৱাগত আদৰণি সভাখড়ৰ প্ৰতি সহযোগ সঁচাকৈ উল্লেখনীয় আছিল।

মহাবিদ্যালয়ত উদ্‌যাপিত অন্যান উৎসৱ ঃ

যোৱা ১০ ফেব্ৰুৱাৰীত উদযাপন কৰা সৰস্বতী পূজাত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ফালৰ পৰা পূৰ্ণ সহযোগ আগবঢ়োৱা হয়। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৎপৰতা আৰু সদিচ্ছাৰ ফলতে পোন প্ৰথমবাৰৰ বাবে পুখুৰীৰ মাজত মঞ্চ তৈয়াৰ কৰি বিদ্যাৰ অধিষ্ঠাত্ৰী সৰস্বতী দেৱীৰ আৰাধনা কৰা হয়। সৰস্বতী পূজা উদ্‌যাপন সমিতিৰ সম্পাদক বন্ধুবৰ কঙ্কন জ্যোতি পাঠক আৰু সভাপতি হেমেন্দ্ৰ শৰ্মাচাৰৰ ভূমিকাক শ্ৰদ্ধাৰে শলাগিছো।

ইয়াৰ উপৰিও সদৌ অসম আন্তঃ মহাবিদ্যালয় স্বৰ্গীয় সিদ্ধিনাথ শৰ্মা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা, ফাতেহা দোৱাজ দাহম উলহ মালহেৰে পালন কৰা হয়।

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

কুমুদ দাস

সাধাৰণ সম্পাদক, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা



# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



অসমী আইৰ জাতীয় অস্তিত্বক মুক্ত কৰাৰ মানসেৰে অবৈধ বিদেশী শক্তিক উচ্ছেদ কৰি স্বদেশৰ ঐক্য সংহতিৰ স্বাৰ্থ ৰক্ষাৰ হেতুকে আন্দোলনত প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদ সকললৈ মোৰ অশ্ৰু-অঞ্জলি আৰু আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

মই ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ সহঃ সম্পাদিকাৰ পদত শপত গ্ৰহণ কৰি মহাবিদ্যালয়খনৰ শিক্ষা ব্যৱস্থাকে আদি কৰি বিভিন্ন সমস্যাৰ উন্নতি সাধনৰ ক্ষেত্ৰত চেষ্টাৰ যৎকিঞ্চিতো ত্ৰুটি কৰা নাছিলোঁ। যিখিনি কৰিব পাৰিছো সেই খিনি যথেষ্ঠ নহয়। মহাবিদ্যালয়ৰ সেৱা কৰিম বুলি সাধাৰণ সম্পাদিকাৰ গুৰু দায়িত্ব অকাতৰে মুৰ পাতি লৈ প্ৰথমতে কিছু আহুকালৰ সন্মুখীন হৈছিলোঁ। তথাপি কাৰ্য্যকালৰ ভিতৰত আমাৰ তত্বাৱধায়ক মাননীয় শ্ৰীযুত উমেশ গোস্বামী চাৰদেৱে দিয়া সু-দিহা পৰামৰ্শ আৰু উপদেশে মোক নিজ কৰ্ম কৰি যোৱাত অনুপ্ৰেৰণা যোগাইছিল। তেখেতেই আছিল মোৰ কৰ্মৰ পথ প্ৰদৰ্শক।

মহাবিদ্যালয় সমুহত অভাৱ থকাতো একো অস্বাভাৱিক কথা নহয়। আমাৰ মহাবিদ্যালয়তো যথেষ্ট অভাৱ থকাতো পৰিলক্ষিত হৈছে। কিছুমান অবাৱ সমাধান হৈছে যদিও কিছুমান আজি পৰ্য্যন্ত অইনৰ চকুত পৰিলক্ষিত হৈয়েই আছে। এই জলন্ত সমস্যাবোৰৰ সমাধানৰ বাবে মোৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ থাকিল।

মহাবিদ্যালয়খনৰ বাৰ্ষিক অধিবেশনৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰ্মীয় অনুষ্ঠানবোৰ চলাই নিয়াত বিভাগীয় সম্পাদকবোৰক মই সহায় সহযোগিতা আগবঢ়াই আহিছোঁ।

কৃতজ্ঞতা ঃ- ৰঙিয়া মহাবিদ্যালয়ৰ ইং ১৯৯৯-২০০০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক সাধাৰণ সম্পাদিকাৰ পদত অধিষ্ঠিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ প্ৰদান কৰিলে সেই সকললৈ মই আন্তৰিক অভিনন্দন আগবঢ়ালো। মোৰ কাৰ্য্যকালত আমাৰ মানীয় অধ্যাপক, অধ্যাপিকা মণ্ডলীয়ে দিহা পৰামৰ্শ দি কাম কৰাৰ অনুপ্ৰেৰণা যোগোৱাৰ বাবে তেখেত সকললৈ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মীবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰি লগতে মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ অজানিতে হৈ যোৱা ভূল ত্ৰুটিৰ বাবে ক্ষমা ভিক্ষা মাগি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

জয় আই অসম

তৰালী ডেকা

সহকাৰী সাধাৰণ সম্পাদিকা, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে ৰঙিয়া মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিবলৈ মোক তৃতীয়বাৰ সুযোগ দিয়াত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

ক্ৰীড়া প্ৰতিযোগিতা বুলি কওঁতে বিভিন্ন ক্ৰীড়া বিভাগৰ ক্ৰীড়া বিদৰ নিয়ম নীতিৰ মাজেদি পৰিচালনা হোৱা এখন যুদ্ধ বুলি কব পাৰি। সেয়ে যি কোনো এখন প্ৰতিযোগিতাত হাজাৰ হাজাৰ প্ৰতিযোগীয়ে নিজৰ ৰণ-নীতিয়ে প্ৰতিযোগিতাত আগবঢ়াই নিজক শ্ৰেষ্ঠ প্ৰতিপন্ন কৰা বাবে প্ৰচেষ্টা চলায়। গতানুগতিক ভাৱে কোনোবা এজনে প্ৰথম, এজন দ্বিতীয় আৰু আনজনে তৃতীয় স্থান লাভ কৰে।

বৰ্তমান যুগত খেলা-ধুলাক শিক্ষাৰ এটা প্ৰধান অঙ্গৰূপে গ্ৰহণ কৰা হৈছে। ভাল খেলুৱৈ গঢ় দিবলৈ হলে যেনেদৰে ভাল অনুশীলন দৰকাৰ, লগতে এটা, খেলত কীৰ্তিলাভ কৰিবলৈ হলে এটা সুস্থ সৱল মানসিকতাৰ প্ৰয়োজন।

এই বাৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ মহাবিদ্যালয় সপ্তাহত বিশেষকৈ দৌৰ, লং জাম্প, হাইজাম্প, জেভলিং থ্ৰো, ওৱেট থ্ৰো, ডিচকাচ থ্ৰো, ক্ৰিকেট, ওৱেইট লিফটিং, শৰীৰ চৰ্চা, পাঞ্জাখেলা ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ ক্ৰীড়া উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে এই মহাবিদ্যালয়ৰ ক্ৰীড়াৰ যোগেদি নিজৰ প্ৰতিভা বিকাশ কৰি কৃতিত্ব লাভ কৰিছিল।

গতিকে আত্মবিশ্বাসেৰে আগবাঢ়ি গলে মহবিদ্যালয়ৰ খেলুৱৈ সকলে উৰ্চ্চ মানদণ্ডৰ প্ৰতিযোগিতাত অংশলৈ কৃতিত্ব লভিবলৈ সক্ষম হ'ব। ইয়াৰ বাবে মহাবিদ্যালয়ৰ এক ক্ৰীড়া মুখী সুস্থ পৰিবেশৰ অতি প্ৰয়োজন।

সেয়েহে মই গুৰু খেলবিভাগৰ সম্পাদক হিচাপে এই প্ৰতিবেদনৰ জৰিয়তে সদৌ শেষত ৰঙিয়া মহাবিদ্যালয়ৰ ভৱিষ্যতলৈ আৰু অধিক উন্নতি কামনা কৰিলোঁ।

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

জয় আই অসম

চাহাবুদ্দিন আহমেদ

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা



## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভিনীতে যি সকল মহান ব্যাক্তৰ আশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত ৰঙিয়া মহাবিদ্যালয় খনে বৰ্তমান অৱস্থা পালে সেই সকল চিৰ নমস্য ব্যাক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছো।

আত্মনিয়ন্ত্ৰনৰ আধিকাৰ সাব্যস্ত কৰিবলৈ সংকল্প বদ্ধ জাতিয়তাবাদী ভাৱ ধাৰাৰ যি সকল সু-হৃদয় বন্ধু বান্ধবীয়ে মোক ১৯৯৯-২০০০ চনৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত লঘুখেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয় খনৰ কিঞ্চিৎ সেৱা কৰাৰ সুযোগ দিলে সেই সকল বন্ধু বান্ধবীলৈ মোৰ কৃতজ্ঞতা এই প্ৰতিবেদনৰ মাধ্যমেৰেই জনাইছো।

মোক লঘুখেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰাত গুৰুত্ব পূৰ্ণ ভুমিকা লোৱা অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদ ৰঙিয়া আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ৰিদুল হুছেইনৰ সহায়ৰ কথা মই কোনো কালেই পাহৰিব নোৱাৰিম। দুৰ্ভাগ্য জনক ভাৱে আমাৰ মহাবিদ্যালয়ৰ এই প্ৰাক্তন ছাত্ৰ জনৰ যোৱা ১৭-০৮-২০০০ ইং তাৰিখে মৃত্যু হয়। তেখেতৰ পুন্যআত্মা বেহেস্তবাসী হওঁক।

এখন সুস্থ সমাজ গঠন কৰিবলৈ হ'লে সমাজৰ প্ৰতিজন মানুহক সুস্থ ভাবে গঢ় দিয়াত খেলা ধুলাই যথেষ্ট অৰিহনা যোগাই। এজন সুদক্ষ খেলুৱৈয়ে এজন দেশৰ গৌৰৱৰ কাৰণ হৈ পৰে।

আমাৰ মহাবিদ্যালয়তো "মহাবিদ্যালয় সপ্তাহ" পৰাম্পৰাগত ভাবে প্ৰতিবছৰে অসমৰ অইন শিক্ষানুষ্ঠান সমুহৰ দৰে সপ্তাহ যোৱা কাৰ্য্যসুচিৰে পালন কৰা হয়। সিমিত সা-সুবিধাৰ মাজেৰে ক্ৰীড়ানুৰাগী ছাত্ৰ-ছাত্ৰীয়ে ক্ৰীড়াবিভাগৰ বিভিন্ন কাৰ্য্যসুচীত অংশ গ্ৰহন কৰি যোগ্যজনে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে।

উপযুক্ত অনুশীলন আৰু প্ৰশিক্ষনৰ সুব্যৱস্থা নহলে এজন সম্ভাৱনাময় খেলুৱৈৰ প্ৰতিভা হেৰাই যোৱাত অসম্ভৱ নহয়। মহাবিদ্যালয় লঘুখেল বিভাগৰ সম্পাদকৰ দায়িত্বও কাৰ্য্যনিৰ্বাহ কৰাৰ পাছত বিগত এটা বছৰৰ মোৰ অভিজ্ঞতাৰ অনুভৱ। সমূহৰ প্ৰতিভাৱান খেলুৱৈ সকলক উপযুক্ত প্ৰশিক্ষন ব্যৱস্থা কতৃপক্ষৰ তৰফৰ পৰা কৰা উচিত।

এই কালছোৱাত লঘুখেল বিভাগৰ তত্বাৱধায়ক মাননীয় শ্ৰীযুত সঞ্জয় তালুকদাৰ চাৰে কাৰ্য্যকালৰ দিনৰ পৰা বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়াই আৰু মোক খেল সমূহ সুচাৰু ৰূপে চলোৱাত সহায় কৰে। তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্য্যকালত বিশেষ ভাবে সহায় সহযোগিতা আগবঢ়োৱা অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদৰ ৰঙিয়া মহাবিদ্যালয়ৰ গোটৰ সমুহ সতীৰ্থ-সতীৰ্থাৰ ওচৰত কৃতজ্ঞ হৈ ৰম আৰু ব্যক্তিগত ভাবে প্ৰাক্তন ছাত্ৰ-ৰঞ্জন দা, হাদি ভাইজান, বিকুল ভাইজান, আৰু বিংকু ভাইজান লগতে মোৰ ছাত্ৰ বন্ধু - বাবা, ৰিযো, দিপাংকৰ, দিগন্ত, কনকন, অনুজ, প্ৰতুল, মস্তফা, অচ্যুৎ, জিন্তু, মোখতাৰ, ভবেন, প্ৰনব, বিশ্ব, তাৰিফুল, জব্বৰ, তৰুণ, সৰু, জানু, টুটু, আনজুমা আৰু জুতিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকাল ছোৱাত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ সমুহ শিক্ষাগুৰু তথা বন্ধু বান্ধবীৰ ওচৰত ক্ষমা বিচাৰি ৰঙিয়া মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়াতু ৰঙিয়া মহাবিদ্যালয়"

চৈয়দ ইমানুল ইছলাম

সম্পাদক লঘুখেল বিভাগ

## তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰকৃতিয়ে বসন্তৰ আগমনৰ লগে লগে পুৰণি বস্ত্ৰ সলাই ন বস্ত্ৰ পৰিধান কৰাৰ দৰে বিশ্ববাসীও যেন বিগত শতিকাৰ শত্ৰতা অথবা বিপৰ্যয় পাহৰি ২১ শতিকাৰ আৰম্ভণীৰ পৰাই এই মহাবিশ্ব জগতখনক শান্তি আৰু ভাতৃত্ববোধেৰে পৰিপূৰ্ণ এটি পৰিয়াল স্বৰূপে গঢ় দি আকোৱালি লবলৈ মোৰ এই প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্ততে সবিনয় আন্তৰিকতাৰে অনুৰোধ জ্ঞাপন কৰিলো। আজিৰ পৃথিৱীত ব্যক্তিৰ হৃদয়ত হিংসা বিদ্বেষে যি উত্তপ্ত পলিত পদাৰ্থৰ দৰে ৰূপ লৈছে, সি যদি এদিন ভয়ানক আগ্নেয়গিৰিৰ দৰে বিস্ফোৰণ হব লগা হয়, তেতিয়া সেই বিধ্বংসমুখী পৰিস্থিতিৰে পূৰ্ণ জগতখনক সম্ভৱত কোনোজন বৈজ্ঞানিকে ৰক্ষা কৰিব নোৱাৰিব। মানুহ সংস্কৃতিবান প্ৰাণী, সংস্কৃতিয়ে মানুহক মন আৰু হৃদয়ৰ পৰিশোধনৰ পথ দেখুৱাই দিয়ে। সেয়েহে আজিৰ এই ন শতিকাৰ মানৱ সমাজৰ মাজত এক সুষম সংস্কৃতিক পৰিবেশ ৰচনা কৰিবলৈ ভ্ৰাতৃত্ববোধ সমন্বয় আৰু চেনেহ সুলভ চিন্তা চৰ্চাৰ প্ৰয়োজন আহি পৰিছে।

অসম তথা ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰা সৌ সিদিনাৰ কাৰ্গীল যুদ্ধত মৰণক পণ কৰি যি সকল বীৰ শ্বহীদ হ'ল, সেইসকল মহান আত্মালৈ মই শ্ৰদ্ধা আৰু প্ৰণাম যাচিলো। লগতে আমাৰ মহাবিদ্যালয়খনৰ স্থাপন আৰু উন্নতিৰ কাৰণে কষ্ট স্বীকাৰ কৰি ইহজগতত ত্যাগ কৰা দুজন ব্যক্তি প্ৰয়াত প্ৰাক্তন অদ্যক্ষ মহোদয় ড নীলকান্ত মহন্ত দেৱ আৰু সমাজ কৰ্মী দুৰ্গাকান্ত আগৰৱালা দেৱলৈ মই প্ৰতিবেদনৰ বাট চৰাতে শ্ৰদ্ধা জ্ঞাপন কৰিলো।

এইখিনিতে মোৰ কাৰ্য্যকালৰ কেইদিমান কাৰ্য্যসূচী আপোনালোকৰ ওচৰত দাঙি ধৰিব বিচাৰিছো। 'তৰ্ক আৰু সাহিত্য বিভাগৰ অতি গুৰুত্বপূৰ্ণ পদৰদায়িত্ব ভাৰ গ্ৰহণ কৰাৰ এমাহ পিছতেই "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপন কৰা হয়। মোৰ বিভাগৰ অন্তৰ্গত প্ৰতিযোগীতা সমূহ - তৰ্ক, আকস্মিক বক্তৃতা, কুইজ, কবিতা, আবৃতি (ইংৰাজী, অসমীয়া আৰু বড়ো), বাতৰি পাঠ (ইংৰাজী আৰু অসমীয়া) আৰু ঠাইতে লিখা কবিতা। উল্লেখযোগ্য যে উক্ত প্ৰতিযোগীতা সমূহ অতি সফলতাৰে অনুষ্ঠিত কৰা হৈছিল। লগতে ছাত্ৰ-ছাত্ৰী সমূহৰ অংশ গ্ৰহণ খুবেই চকুত লগা আছিল।

তাৰোপৰি মোৰ কাৰ্য্যকালতে মই সদৌ অসম ভিত্তত সিদ্ধিনাথ শৰ্মা সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগীতা খন অতি সফলতাৰে অনুষ্ঠিত কৰিছিলো। প্ৰতিযোগিতাখন যথেষ্ট উচ্চ মানদণ্ডৰ হৈছিল, তাত কটন মহাবিদ্যালয়ে অতি সুন্দৰ যুক্তি যুক্ততাৰে বিজয়ী হৈছিল আৰু বঙিয়া মহাবিদ্যালয়েও সুন্দৰ যুক্তি-যুক্ততাৰে বিজিত হৈছিল। উক্ত প্ৰতিযোগিতাত মোৰ সন্মানীয় চাচ সকল আৰু বন্দউবৰ্গই আগবঢ়োৱা সহায় সংযোগিতাই সফলতাৰ অন্যতম কাৰণ। তেখেত সকলৰ ওচৰত মই কৃতজ্ঞতা স্বীকাৰ কৰিছো।

যেত মোৰ মহাবিদ্যালয় সপ্তাহৰ সময়ত বিভিন্ন দিশত দিহা পৰামৰ্শ দি মোক সহায়ৰ হাত আগবঢ়োৱা মাননীয় শিক্ষা গুৰু ক্ৰমে শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মা (তত্বাৱধায়ক তৰ্ক আৰু সাহিত্য বিভাগ), শ্ৰীদক্ষশ্বৰ ডেকা, শ্ৰীগগন ডেকা, শ্ৰীচন্দন দাস, শ্ৰীনিত্যানন্দ বৰ্মন, শ্ৰীকবীন্দ্ৰ বড়ো, শ্ৰীদীনেশ লহকৰ, শ্ৰীফুকন চন্দ্ৰ বসুমতাৰী, শ্ৰীপৰিতোষ চন্দ্ৰ দাস, শ্ৰীজনৈক বৈশ্য, শ্ৰীহেমেন শৰ্মা আৰু শ্ৰীবীৰেন্দ্ৰ শৰ্মাদেৱলৈও মোৰ শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। লগতে নিৰ্বাচনৰ সময়ত বিশেষ ভাবে সহায়ৰ হাত আগবঢ়োৱা "অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ" জিলা, আঞ্চলিক আৰু মহাবিদ্যালয়ৰ গোটৰ সদস্য-সদস্যা সকলৰ লপৰিও মহাবিদ্যালয়ৰ মোৰ অতিকৈ আপোন বন্ধু-বান্ধৱী তথা ভাই-ভনী সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত, মোৰ অতি মৰমৰ মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো। লগতে মোৰ কাৰ্য্যকালৰ সময়ছোৱাত অজানিতে ভুল-ভ্ৰান্তি হব পাৰে, সেয়েহে মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়াতু বঙিয়া মহাবিদ্যালয়
**শ্ৰীডিম্বেশ্বৰ কলিতা**
সম্পাদকতৰ্ক আৰু সাহিত্য বিভাগ



## সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন



জয় জয়তে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ ৰণত যি সকল ডেকা গাভৰুৱে ত্যাগ আৰু সুগন্ধি ফুলেৰে অসমী আইৰ চৰণ গুজিলে সেই সকললৈ মই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ লগতে সাংস্কৃতিক অনুষ্ঠান ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয়। সেয়েহে এনে অনুষ্ঠানৰ ক্ৰম বৰ্দ্ধমান জনপ্ৰিয়তা মন কৰিবলগীয়া। সংস্কৃতি হৈছে এটা জাতি তথা মানৱ জীৱনৰ অপৰিহাৰ্য্য অংগ। যাক আমি হাতেৰে স্পৰ্শ কৰিব নোৱাৰো। ই হৈছে এটা মহান অনুভূতি। আমাৰ মহাবিদ্যালয়ত বহু প্ৰতিভা সম্পন্ন গায়ক-গায়িকা তথা অভিনেতা-অভিনেত্ৰী চামে চামে ওলাই আছে। তেওঁলোকে এই অনুষ্ঠানৰ জৰিয়তে নিজৰ নিজৰ পাৰদৰ্শিতা দেখুৱাই মহাবিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰিব বুলি মই আশা কৰিলো।

আমাৰ মহাবিদ্যালয় সাংস্কৃতিক দিশটো একেবাৰে অনুন্নত মানদণ্ডৰ। তাৰ মূলতে হ'ল আমাৰ মহাবিদ্যালয়ত হোৱা কিছুমান সৰু সুৱা অভাব। যদিহে কৰ্তৃপক্ষই সামান্যও গুৰুত্ব দি আমাৰ এই অভাববোৰ পূৰণ কৰে, মই ভাবো আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো কিছুউ উন্নত হব। গতিকে মই কৰ্তৃপক্ষক এই আভাববোৰ পূৰণ কৰিবলৈ অনুৰোধ জনাইছো।

সাংস্কৃতিক বিভাগত মোৰ সিমান অভিজ্ঞতা নাই। তথাপিতো যি সকলে মোক ১৯৯৯-২০০০ চনৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ এক গধুৰ দায়িত্ব অৰ্পন কৰিলে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সাংস্কৃতিক সম্পাদিকা ৰূপে উক্ত পদৰ দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ ঠিক পিছতে অৰ্থাৎ ৫ জানৱাৰীৰ পৰা মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাৰ কাৰ্য্য-ক্ৰমনিকা আছিল এনে ধৰণৰ– সংগীত, মুকাভিনয়, কৌতুক অভিনয়, আন্তঃক্ষৰী, নাট প্ৰতিযোগীতা, একক বিহুনৃত্য প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা আদি। সাংস্কৃতিক দিশটো উন্নত মানদণ্ডৰ কৰিবৰ বাবে কাৰ্য্য ক্ৰমনিকাও আছিল উন্নত মানৰ। কিন্তু প্ৰতিযোগীৰ সংখ্যা আছিল অতি তাকৰ। আনফালে কিছুমান প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীয়ে নাছিল, যাৰ ফলত কিছুমান প্ৰতিযোগিতা কাৰ্য্য-ক্ৰমনিকাৰ পৰা বাদ দিব লগা হৈছিল। যিটো আমাৰ বাবে অতি পৰিতাপৰ কথা।

বিগত বছৰৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ত নৱাগত আদৰণি সভা, ফাতেহা-ই-দ-ওৱাজ-দাহম অতি সুকলমে অনুষ্ঠিত হৈ যায়। নৱাগত আদৰণি সভাত সকলোৰে হৃদয় চুই যোৱা এটি সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছিল।

মোৰ কাৰ্য্যকাল ছোৱাত মই কৰা অপ্ৰয়োজনীয় কাৰ্য্য আৰু অজ্ঞাত ভুল ক্ৰতিৰ বাবে মই সকলো শিক্ষাগুৰু মাগিছো। লগতে বিভিন্ন দিশল কায়িক ভাবে সহায় কৰা শিক্ষাগুৰু মাননীয় শ্ৰীযুত হেমেন শৰ্মা দেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত ঙিয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ নিৰসাল ক্ষুদ্ৰ প্ৰতিবেদনৰ আৰ কাপোৰ তৰিলো।

জয় আই অসম
জয়তুবঙিয়া মহাবিদ্যালয়
**শ্ৰীবিজুমণি বৰা**

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে জ্ঞাত-অজ্ঞাত অসমী আইৰ শত-শত শ্বহীদ বীৰ সন্তানলৈ সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিলোঁ। লগতে বঙিয়া মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

যোৱা ইং ১৯৯৯-২০০০ বৰ্ষৰ বঙিয়া মহাবিদ্যালয় সাধাৰণ নিৰ্বাচনত মোক সমাজসেৱা বিভাগৰ দৰে পদ এটাত নিৰ্বাৰচিত কৰি আমাৰ এই মহান অনুষ্ঠানখনৰ সেৱা আগবঢ়োৱাৰ কাৰণে সুযোগ দিয়া বাবে বঙিয়া মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টি সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ এই কাৰ্য্যকালৰ সময়ছোৱাত মোৰ ,ই দায়িত্ব পালনত মই কিমানখিনি সফলতা লাভ কৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য। মই মোৰ ক্ষমতা অনুযায়ী অশেষ চেষ্টা কৰিছিলো। কিন্তু মই ভৱামতে পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলো। কাৰণ বঙিয়া মহাবিদ্যালয়ত বহুতো অসুবিধা আছে।

তথাপিতো মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মই মহাবিদ্যালয় খনৰ চৌহদটো আৰু পুখুৰীটো সম্পূৰ্ণভাৱে পৰিস্কাৰ কৰো আৰু শ্বহীদ বেদীত ৰং দিওঁ। আৰু সময়ে সময়ে মহাবিদ্যালয়খন পৰিস্কাৰ কৰি থাকো। ইয়াৰ উপৰিও মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বঙিয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সহযোগত মহাবিদ্যালয়ৰ সন্মুখত থকা জংঘল সমূহ পৰিস্কাৰ কৰা হয়। আৰু মহাবিদ্যালয়ৰ পৰা খেল পথাৰলৈ যোৱা পথটো মেৰামতি কৰা হয়।

এইখিনিতে মই কব বিচাৰো যে আমাৰ মহাবিদ্যালয়খনত কিছুমান অভাৱ-অভিযোগ আছে। যেনে—

(১) মহাবিদ্যালয়ৰ চৌহদৰ চাৰিওপিনে পকী বেৰ লাগে।

(২) এটা উন্নত মানদণ্ডৰ প্ৰেক্ষাগৃহ নিৰ্মাণ কৰিব লাগে।

(৩) ছাত্ৰ জিৰণী কেঠাটো সোনকালে নিৰ্মাণ কৰিব লাগে।

(৪) বিজ্ঞান শাখাৰ ব'টানীকেল গাৰডেন' এখন পাতিব লাগে।

(৫) প্ৰসাৱগাৰ, পাইখানা আদি উন্নত মানৰ কৰিব লাগে।

এইবোৰ সমস্যা যাতে সোনকালে দুৰ কৰে সেয়ে মোৰ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ।

আকৌ আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ অনুৰোধ যাতে মহাবিদ্যালয়খনৰ চৌহদ আৰু কোঠালিবোৰ যাতে ভালদৰে পৰিস্কাৰ কৰি ৰাখে। সেইটো অকল সম্পাদক জনৰেদ্বায়িত্ব নহয়। সেইটো আমাৰ সকলোৰেদ্বায়িত্ব।

শেষত মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ আৰু উপদেশ দি সহায় কৰাৰ কাৰণে অৰ্থনীতি বিভাগৰ অধ্যাপক মাননীয় শ্ৰীযুত দীনেশ লহকৰ ছাৰ আৰু ভৱেন দত্ত দালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মোক বিভিন্ন কাম-কাজত সহায় কৰা মোৰ বন্ধু বিশেষকৈ অনুজ, মুকুট, কমল, প্ৰতুল, প্ৰদীপ আৰু ভন্টি ঝুমু ৰাণীৰ লগতে বঙিয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনি গোটৰ সদস্য-সদস্যা সকলক মোৰ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ সময়ছোৱাত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে আ্পোনালেকা সকলোৰে ওচৰত ক্ষমা ভিক্ষা বিছাৰিছো। আৰু বঙিয়া মহাবিদ্যালয়ৰ ভবিষৎ উন্নতি হোৱাৰ কামনাৰে—

শ্ৰীকৰেন্দ্ৰ কলিতা
সম্পাদক, সমাজ সেৱা বিভাগ



## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



পোন প্ৰথমতে মই অসমৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললে মোৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ। লগতে যি সকল ব্যক্তিৰ মহান ত্যাগ আৰু অক্লান্ত পৰিশ্ৰমৰ ফল স্বৰূপে এই পবিত্ৰ অনুষ্ঠান ৰঘিয়া মহাবিদ্যালয় ভুমিষ্ঠ হৈছে সেই সকল চিৰ নমস্য

ব্যাক্তকো মোৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

ৰঘিয়া মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ ছাত্ৰীয়ে মোক মহাবিদ্যালয়ৰ ১৯৯৯-২০০০ বৰ্ষৰ বাবে সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণী কোঠা সম্পাদক হিচাপে নিৰ্বাচিত কৰি ঐতিহ্যমণ্ডিত ৰঙিয়ামহাবিদ্যালয়ৰ সেৱা কৰাত সুযোগ প্ৰদান কৰিলে সেই সকল ছাত্ৰ ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ।

মোৰ কাৰ্য্যকালৰ আগে আগে ছাত্ৰ জিৰণী কোঠাটো আধাৰ শিলা স্থাপন হৈছিল। পিছত মোৰ দিনত সেইটো কাম সম্পূৰ্ণ ৰূপে নহল। কিন্তু ছাত্ৰ জিৰণী কোঠাৰ ভিতৰৰ যিখিনি হ'ল হয় মই সুচাৰূপে সমাপ্ত কৰিছো। সেয়েহে মই ৰঙিয়া মহাবিদ্যালয়ৰ কতৃছুপক্ষক অনুৰোধ জনালো যে ছাত্ৰ জিৰণী কোঠাৰ কামতো যাতে অতি সোণকালে সমাপ্ত কৰা হয়।

সদৌ শেষত মোক বিবিন্ন দিশত দিহা পৰামৰ্শ আৰু উপদেশ দি সহায় কৰা মাননীয় শিক্ষাগুৰু শ্ৰী বিমল চন্দ্ৰ দাসৰ লগতে বন্ধু বান্ধৱী তথা বাছুৰ সনুহ সদস্য বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালৰ ভিতৰত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে সমূহ অধ্যাপক অধ্যাপিকা, বন্ধু বান্ধৱী আৰু ছাত্ৰ ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি লগতে ৰঙিয়া মহাবিদ্যালয়ৰ ভবিষ্যত উন্নতি কামণা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

"জয় আই অসম"

জয়তু ৰঙিয়া মহাবিদ্যালয়।

মঃ চাহাবুদ্দিন আহমেদ

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



লিখনিৰ পাতনিতে আই অসমীক ৰক্ষাৰ হকে যি সকল ব্যক্তিয়ে প্ৰাণ আহুতি দিলে,সেই বীৰ স্বহীদলৈ মোৰ সশ্ৰদ্ধা প্ৰণাম যাঁচিছো। লগতে মাননীয় অধ্যক্ষ মহোদয়, অধ্যাপিকা আৰু সমূহ বন্ধু-বান্ধৱীলৈ মোৰ শ্ৰদ্ধা আৰু হিয়াভৰা মৰম জ্ঞাপন কৰিলোঁ।

ইং১৯৯৯-২০০০ চনৰ বাবে মোক ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ- কৰি দিয়া বাবে ছাত্ৰী,বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা যঁাচিলো।

মহাবিদ্যালয়ত পৰম্পৰাগতভাৱে চলি অহা বাৰ্ষিক"মহাবিদ্যালয় সপ্তাহ" এই বেলিও উদযাপন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণী কোঠাৰ বিভাগীয় খেলসমূহ অতি সুচাৰু ৰূপে অনুষ্ঠিত কৰা হয়। অতি আনন্দৰ বিষয় যে বিভিন্ন প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগিয়ে অংশ গ্ৰহণ কৰে। প্ৰযোগিতা সমূহৰ বিশেষ আকৰ্ষণ আছিল পিঠা বনোৱা, আৰু কইনা প্ৰতিযোগিতা। এই প্ৰতিযোগিতা সমুহত অংশ গ্ৰহণ-কাৰী আৰু দৰ্শক সকলোৱে যথেষ্ট আনন্দ উপভেগ কৰা দেখা গৈছিল।

প্ৰতিযোগিতা সমূহ সুচাৰু - ৰূপে সম্পন্ন কৰা বাবে সকলো প্ৰতিযোগী বন্ধু-বান্ধৱীলৈ মোৰ তৰফৰ পৰা ধন্যবাদ নিদি নোৱাৰিলো আৰু তেওঁলোকৰ উজ্জ্ব ভৱিষ্যৎ কামনা কৰিলো। আশা ৰাখিথেছোঁ ভৱিষ্যৎলৈ এই প্ৰতিযোগিতা সমুহত আৰু আধিক প্ৰতিযোগিয়ে আংশ গ্ৰহণ কৰি আনুষ্ঠানৰ সৌষ্ঠৱ বঢ়াই আমাক উৎসাহিত বঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী-জিৰণী কোঠা আছে যদিও ইয়াৰ প্ৰয়োজনীয় সা-সুীবধাৰ এতিয়াও অন্ত পৰা নাই। বিশযকৈ সময়ো পযোগী খেলৰ সামগ্ৰী নাই। তাৰোপৰি আচবাৱ পত্ৰ যেনে- ডেক্স-বেঞ্চ আদিৰ আভাব বৰ্ত্তমানেও অপৰিবৰ্ত্তত হৈয় আছে। ছাত্ৰী জিৰণী কোছাৰ অতিকৈ প্ৰয়োজনীয় আভাৱটো হ'ল আধ্যায়নৰ সুবিধা নাই। যাৰ ফলত এক বুদন পৰিমানৰ ছাত্ৰীয়ে এক হুলস্থলীয় পৰিবেশৰ মাজত সময় কটাবলগীয়া হয়। ভৱিষ্যতে মোৰ অনুজ সকলে বিভিন্ন প্ৰতিযোগিতা পাতি অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে মানসাক উৎকৰ্ষ সাধন কৰিব বুলি মই আশা কৰিলো। লগতে জিৰণী কোঠাৰ অভাৱ-অভিযোগ সমুহ দূৰ কৰাৰ বাবে মহামবদ্যালয়ৰ কৰ্ত্তৃপক্ষক বিনম্ৰ অনুৰোধ জনালোঁ।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা তথা উদ্‌গনিমূলক উপদেশ দিয়া তত্বাবধায়িকা মাননীয়া শ্ৰী কমলা বৰ্মন বাইদেউ আৰু বিশেষভাৱে খেলসমুহ পৰিচালনা কৰি মোক উৎসাহিত কৰা শ্ৰদ্ধাৰ চাৰ-বাইদেউ- নৰেন্দ্ৰৰাম কলিতা, গগন ডেকা,নিত্যানন্দ বৰ্মন, কবিন্দ্ৰ বড়ো, দানেশ লহকৰ, হেমেন শৰ্মা, ইমদাদ আলি, মিতালী দাস, লতিকা মজুমদাৰ, দীপা ভট্টাচাৰ্য্য আৰু গীতুমনি ডেকা বাইদেউ প্ৰমুখ্যে সমুহ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু- বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু আভিনন্দন জ্ঞাপন কৰিলো।

শেষত প্ৰতিবেদন তথা মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল- ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰিছো আৰু ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

শ্ৰদ্ধাৰে

শ্ৰী মিতালী লহকৰ

সম্পাদিকা,ছাত্ৰী জিৰণী কোঠা।

জয়তু ৰঙিয়া মহাবিদ্যালয়।

## EX-EDITORS OF OUR JOURNAL

| | | | |
|---|---|---|---|
| 1. | 1966-67 | ➢ | Paramesh Sarma. |
| 2. | 1967-68 | ➢ | Bibhab Bhatta. |
| 3. | 1969-70 | ➢ | Baneswar Sarma. |
| 4. | 1971-72 | ➢ | Rupsad Ali. |
| 5. | 1973-74 | ➢ | Ramesh Mahanta. |
| 6. | 1974-75 | ➢ | Bhupen Kalita. |
| 7. | 1975-76 | ➢ | Pratul Kr. Sarma. |
| 8. | 1976-77 | ➢ | Badan Ch. Bharali. |
| 9. | 1977-78 | ➢ | Biren Sarma. |
| 10. | 1978-79 | ➢ | Kandarpa Kr. Kalita. |
| 11. | 1979-81 | ➢ | Sanjib Kalita. |
| 12. | 1982-83 | ➢ | Khagen Ch. Deka. |
| 13. | 1983-84 | ➢ | Manoranjan Goswami. |
| 14. | 1984-85 | ➢ | Simanta Saloi. |
| 15. | 1985-86 | ➢ | Jyotirmoy Kalita. |
| 16. | 1986-87 | ➢ | Mukutananda Bhattacharyya. |
| 17. | 1987-88 | ➢ | Dasarath Kalita. |
| 18. | 1989-90 | ➢ | Tapan Konwar. |
| 19. | 1991-92 | ➢ | Babul Baishya. |
| 20. | 1992-93 | ➢ | Dilip Deka. |
| 21. | 1993-94 | ➢ | Ataur Rahman. |
| 22. | 1994-95 | ➢ | Hemanta Das. |
| 23. | 1995-96 | ➢ | Diganta Saloi. |
| 24. | 1996-97 | ➢ | Dudul Deka. |
| 25. | 1997-98 | ➢ | Ripul Ch. Deka. |
| 26. | 1998-99 | ➢ | Anuj Jahkar. |

Printed at **AVISHEK OFFSET,**
G.N.B. Road, Silpukhuri, Guwahati-3, Ph : 660104